Davenport, described metamodernism as "a departure as well as perpetuation" (web). Furlani went on to state that, "the relationship between metamodernism and modernism was seen as going far beyond homage towards a re-engagement with the modernist method in order to address subject matter well outside the range of interests of the modernists" (web). According to Alexandra E Dumitrescu, "Metamodernism is a paradigm whose dominant is the ethical, associated with a search for authenticity and for defining the roots of being in ways that allow the fragmented self to integrate in new configurations of meaning" (web). The term was first mentioned in 1995, by Nirmala Devi, in *Meta Modern Era*, a cultural and spiritual manifesto that pointed to the foibles of modernity and postmodernity and suggested commonsense and balance as remedies. The meta-modernistlays emphasis on a middle ground, between the spirit of modernity and technology. In the mid-1990s, Marjorie Perloff wrote an obituary to postmodernism, wondering if there was an ideal direction towards which literature was proceeding. Devi opined that, in the metamodern age, having experienced both postmodernism and modernism, people would have chosen to follow a journey to "individuation". Dumitrescu further opines that, "metamodernism is synthesis and integration, "going beyond" and transcending" (web n.p). She further states that, there have been an upsurge of texts which reject artificiality and niche thinking, focus on ethics of care and acknowledging the other without any intention of appropriating it. The texts that emerged out of this period, emphasized on the ordinariness of lives, and believed in documenting the lives of people who were not thought to be adequate subjects for representation. Though, there have been attempts to represent such lives, much attention has been devoted to sympathize or patronize them. Metamodern writers seem to leave the writers' supposed ivory tower of isolation and incomprehensibility and engages in fighting to make the characters more livable and believable. In an interview with Archana R, Charu Nivedita stated that, the present Tamil society has fallen prey to philistinism, andhasgiven up good art, literature, cinema and music. Much of their focus is on the Brahmin-non Brahmin struggles. This was with the inception of the Dravidian movement. He also hints at the politics of publishing houses which did not take into account certain works in regional languages. He also stated that, the Tamil literary circle did not consider his novel worthy of being published as it would have swept the ground under the feet of the sensible audience. For Nivedita, the purpose of literature is freedom. To him, it is the only alternative therapy for human suffering. It is only through literature can we come out of our agony, our beast-like life (web n.p).

In the Translator's Note to the book, Pritham K. Chakravarthy and Rakesh Khanna issues a disclaimer at the outset, when they disavow their personal support for any kind of political agenda. Their ulterior motive was not to turn the prevalent Tamil literary scene on its head. They also tell us that, Nivedita's style of writing without any punctuation in certain sections of the novel, would remind the Tamil reader of an ancient style of writing, before the Western punctuation marks were adopted. The

translator's preface, interestingly ends with the lines "the remainder of the translator's note was destroyed by a computer virus" which could mean that, the author is playing with the notion of divulging or withholding certain information in a literary text. The first chapter with is titled 0° begins with an epigraph with the lines from the Gita, which states "Reason, wisdom, lucid thinking, tolerance, truth, temperance in thought and body, pleasure, pain, destruction, fear, courage, non-violence, equality, contentment, renunciation, charity, praise, disdain-all human qualities begin with Me." Nivedita seems to be critical of the idea that, the text could possibly be a divine dispensation with meanings given to it by the author. In other words, there need not be one single author of a text. The chapter 0° titled PRAYER is addressed to this fictional persona called Genny, which serves as the narrator-author's Muse, is revealed to be the daughter of one of his fictional characters in the book. In one of the chapters, there is a letter addressed by a father to his daughter, containing a list of all the erotic telephone conversations he has had with his women friends. Through this letter, the author could be implying that, just as there are infinite number of women doing different things at a particular moment in time (such as from writing to masturbating to screaming in labor pain), there could be infinite interpretations of one particular text. In Chapter 2, the narrator metamorphoses into the author and informs the reader that the "I" of the text is, indeed, the writer, Charu Nivedita. But, soon after, he tells us that, there could be multiple other authors, the first being Surya who took it upon himself to write the life story of Muniyandi, and wanted it to dedicate his piece of work to his daughter, Genesis. Secondly, it could be the persona of the life story- Muniyandi himself, who, dissatisfied with Surya's representation of himself in his [Surya] biography, suggests revisions and corrections in the manuscript. It could also be a third person, Surya, or a fourth person, Misra- who happened to be a fictional character himself in the novel of Charu Nivedita titled *Existentialism and Fancy Banyan*. The narrator recalls that, his translation guru was this fellow named Kottikuppan who taught him how a translated text and end up offering a completely a new version of the original story. There cannot be one faithful translation.

Chapter 3 of the book reads like a journalistic report. It is about the genocide of a particular section of people in a fictional location in Rwanda, Africa. The chapter is interspersed with news reports, personal accounts, and the author-journalists' own interpretation of the events. There seems to be no linear progression of time. Nivedita deliberately plays with the notion of time, narrative information and the readers' trustworthiness. He seems to suggest that, whatever the novelist seeks to narrativize in the novel, should not be taken at face value. In the section titled "REFLECTION", the narrator admits his mistake of shuffling the narrative information in an attempt to put the novel together. He says that it has been a mistake on his part. It could be governed by an ulterior motive. It could be on account of his biasness towards the other fictional "I's" of the novel- Muniyandi and Misra. He could not decide which to include. (14). That being said, the narrator seeks to tell us that, there is always a process of 'selection' and 'shuffling' of the

narrative material at work, before weaving it into the narrative. The process brings into the fore, the personal biases and judgments of the author. The succeeding chapter is in the format of a questionnaire, in which the writer attempts to bring in the reader's opinion about the text and certain other information. Some of the instances from the chapter are

Do you think it is necessary to read the Latin American novels mentioned in the novel?

Yes [ ]    No [ ]

Do you believe this will be an important Tamil novel?

Yes [ ]    No [ ]

Do you think this novel is original?

Yes [ ]    No [ ]    (16-17)

Instances like these attempt to disrupt any conventional mode of story-telling. Events do not occur in a sequence. The narrator seems to be suggesting that, the experience of writing fiction which is solipsistic, can at the same time be a self-estranging exercise. Once the novel is published, it is upon the readers to discern as many meanings as one wishes to unearth. It also questions the notion that, a work of art may not necessarily provide a sense of self-validation for the author. There could not be one "I" that went into the making of the novel. There are a polyphony of thoughts and voices in a text. Nivedita conveys that, it is not possible for all the multitudinous experiences of the writer to add up to a stable sense self, thereby attaching importance on the plurality of identities. He seeks to question the whole creative exercise of writing. These are some of the pertinent questions that the writer seeks to raise through his work. As a reviewer went on to state that, "Zero degree explores the darkest spaces of the human mind in a not-so-clear narrative but the writing is on-your-face. It has the most beautiful poetry and the most gruesome tortures, it shows the loveliest forms of affection and most shocking expressions of lust" (web).

In Chapter 5, the narrator describes the series of events that led to the construction of the novel. In a hilarious turn of events, as the narrator mentions, the words rose up in revolt and lured by the juices of progeny splattered around Muniyandi's bed they slowly approached it tasted it and became intoxicated by it (20). In describing the act of creativity with an undertone of humor, the author dramatizes the notion of the death of the author. He seems to opine that ideas that finally take the form of a novel or any literary work cannot merely emanate from the person of the author. The narrator puts forward the idea that, the act of narrating a series of events by a novelist within the grand scheme of things, is not to produce something new, by the virtue of his creative genius, but to merely rehash things that have already existed in the past. It is merely an attempt to rationalize and validate the existence of the author. In the succeeding chapter, the author makes it evident that, the book written by Muniyandi had been reviewed by this fictional character called Ninth-Century-A.D.-Dead-Brain. The narrator, in the first chapter of the book, had made it apparent that there are multiple "I's" which went into the making of the book- the author (Nivedita) himself, Muniyandi, Surya, Misra, Dead Brain etc. The novel is structured using numerous styles,

which would remind us, in many ways, of the narrative structure and of the patterns and figurations of Laurence Sterne's *Tristram Shandy*. In Nivedita's book, however, there is an admixture of newspaper snippets, prose, poetry, phone conversations, interviews, questionnaires, diagrams and other stylistic deviations.



(52-53)

It becomes difficult to condense any impressions about this novel (if at all it can be called so), or about the narrative texture. It calls into question certain truth claims that fiction or any literary genre seeks to make. The narrator shows us the numerous ways by which fiction simulates reality by playing on the very science of hermeneutics. Nivedita consciously brings in several Latin American writers within the purview of this book, for instance, the lecture of Julio Cortazar in which he identified himself as a ghost in the Latin American literary scene because of the ban imposed on his writings. Such has been the reception of this novel in literary circles. He has been often compared to Bataille for his sexual and scatological predilections.

Metamodernism emphasizes the need to return to stories, to simple affections which Dumitrescu emphasizes in her article. Nivedita, in his novel, describes a series of violent events leading to domestic violence, slaughter, mass killing and murders. He describes the interrelated stories of Aarthi and Avantika. Both of these women have been subjected to domestic violence and have different narratives to tell. However, in trying to represent these tales, it leads to chaos and confusion among the different voices which author the text. The writer drives home the point that, it is impossible to depict violence in fiction with all its harsh realities. More importantly, there cannot be an objective interpretation of an event.In trying to do so, the writers commits violence to the text. He suggests that language does not have the ability to adequately represent reality. These are some of the important point that the author raises through his work. In Chapter 29 of the novel, Nivedita points to the limits of the Tamil language in expressing the problems of Tamil society. He also suggests that, this book, which is a translated work, cannot be a faithful reproduction of the original in Tamil. So, one cannot vouch for the empirical or the material existence of this work. In describing the narratives of violence of Aarthi and Avantika, there are not given much agency to speak. For them, insanity seems to be the response to not knowing how to address violence when one is outside it. The reference to Orwellian Newspeak in the book, seems to be ulterior to the narrative strand of the text, in trying to construct a fantasy that has no pre-fixed object produced through imagination. Severe criticisms have been lashed at the author for his misogynistic

portrayals of women in the text. But, in describing the women as being at the receiving end of violence, the author is satirizing the prevalent tendencies of the writers of his establishment in overcrowding the narratives with describing women as being shorn of agency and redemption. He deliberately plays with the codes of decency and propriety.

Dumitrescu in her article "What is Metamodernism and Why Bother? Meditations on Metamodernism as a Period Term and as a Mode" states that metamodernism implies a return to tradition, an ethical and empathetic understanding of texts. But ethical, here does not mean, relating to cetain moral principles. One should be faithful to one's representation not merely being a prisoner to forms, narrative conventions and requirements. It also necessitates the need to establish dialogue with previous patterns- modernism and postmodern modes of thinking. It emphasized the need to lay importance on the ethical over the epistemological and the ontological of the Enlightenment. (web). In Chapter 14, the narrator suggests that, his next novel will be about a protagonist who does not know how to think and would be named Echo. She would be an audio mirror. She would mirror whatever the author stated. But isn't all the texts in the novel, an Echo of the author. The persona referred to as Genny or the numerous Lady Reader and their anonymity refers to the creative potential of the cosmos itself. In pointing to the multiple origins of the word in a text, the author points out the absurdity of the word in a text. In constructing and re-constructing a narrative, the one important constituent is violence. It is this violence which propels the narrative strands. All literary works, by default, are spectacles and simulations. The spectacle is an interesting coinage by the situationist theorist, Guy Debord in his 1967 book, *The Society of the Spectacle*. Though much of the germ and the intellectual foundations of this movement drew upon Marxist thoughts, Dadaism and Surrealism, it also believed in the concept of the spectacle. It referred to the mass media which is its glaring manifestation. Debord and his followers believed that there are two sections-the passive subject who consumes the spectacle and the reified spectacle itself. Debord states that the spectacle is the concrete inversion of life, the autonomous movement of the non-living. Nivedita, interestingly reifies the text to the status of a novel and then, plays on the notion of its status as a work of art.

Towards the end of the novel, the chapters disintegrate into poetry, as if they have lost the ability to communicate in straight sentences. As the narrator in one of the poetry pieces says-

> "The language is trapped in a bottle.
> We've got to set it free somehow-
> But without breaking the bottle!"
> You said.
> "It's already dead,"
> I said.

And then, he says:

> Is it possible to capture
> Time in a poem [or a narrative]?
> ..... I run and bury myself
> Beneath the Little Princess' footsteps.
> Pretending that her breadth is still
> lingering

The narrator seems weigh the two constituents of a work- form andcontent, in a beam balance, to see which is paramount. Many Tamil readers and critics have commented that, the English

version of the text does not do justice to the original as it fails to capture the Oulipian techniques and changes had to be made. But, this is precisely what Nivedita had in mind. He sought to bring to the forefront, the problems he had with narrative representations, the truth claims and the links to veracity that the novelists, the poet, or the autobiographer seemed to make. One of metamodernism's important tenets was to question the validity of the line of visions with the self as the vantage point. One should attempt to be empathetic and connected and address the intersections with other modes of thought and being in order to construct a narrative. The narrator questions the whole idea of canonizing certain works, and he also seeks to problematize the distinctions between high and low art forms. In envisioning his lady readers to be engaged in different sorts of activities at different temporal and spatial locations, he seeks to bring to the forefront that, the intended audience or the readers need not essentially be embodied locations but could merely be a network of signs. In depicting the hallucinatory narratives of violence, the limits of the author and the translator, and the authenticity of a literary text, this book remains, by far, one of the rare insights into the very "act of writing" and the authorial intent.

**Works Cited**


Debord, Guy. *The Society of the Spectacle*. U.S: Black & Red, 1985. Print.

Devi, Nirmala. *Meta-Modern Era*. New Delhi: Lulu, 2010. Print.

Dumitrescu, Alexandra E. "What is Metamodernism and Why Bother? Meditations on Metamodernism as a Period Term and as a Mode". *electronic book review*. 12 August 2016, n.pag:web.<https://electronicbookreview.com/essay/what-is-metamodernism-and-why-bother-meditations-on-metamodernism-as-a-period-term-and-as-a-mode/>

Nivedita, Charu. *Zero Degree*. Trans. Pritham K. Chakravarthy and Rakesh Khanna. Chennai: Blaft Publications, 2008. Print.

R. Archana. Interview with Charu Nivedita. Web. <https://themchblog.wordpress.com/2018/11/01/interview-with-charu-nivedita/>

# ভূপেন হাজৰিকাৰ গীতৰ ভাষাৰ ধ্বনি-মাধুৰ্য ঃ এটি শৈলীবিজ্ঞানভিত্তিক অধ্যয়ন

**ড° দীপামণি হালৈ মহন্ত**
*সহকাৰী অধ্যাপিকা, অসমীয়া বিভাগ*
*গুৱাহাটী বিশ্ববিদ্যালয়*
(dipamani@gauhati.ac.in)

**আৰম্ভণি ঃ**

সুৰ-তাল-লয়ৰ সমাহাৰে গীতক আন সাহিত্য-বিধাৰপৰা পৃথক কৰিছে। তথাপি গীতৰো এটা পাঠ (text ) আছে। গীতিকাৰে ভাষিক উপাদানেৰে সেই পাঠ নিৰ্মাণ কৰে। গীতিকাৰভেদে ভাষা ব্যৱহাৰৰ ধৰণ বেলেগ বেলেগ। পাৰিভাষিক কথাত, এনে ধৰণ ভেদেই শৈলী (Style) (Leech & short,31)। লেখকে তেওঁৰ নিৰ্মিত পাঠ বা ৰচনা আকৰ্ষণীয় কৰি তুলিবলৈ ভাষিক উপাদান (ধ্বনি, ৰূপ, শব্দ, বাক্য আদিৰ) ব্যৱহাৰত কৌশলী হয়। ভাষা ব্যৱহাৰৰ ধৰণ বেলেগ হোৱাত একেটা বিষয়ৰ প্ৰকাশো লেখকভেদে বেলেগ বেলেগ হয়। গতিকে সাহিত্য-পাঠৰ বিশ্লেষণত ভাষা- শৈলী বিশ্লেষণৰ বিশেষ প্ৰয়োজন আছে। এনে আৱশ্যকতাৰ ফলতেই গঢ় লৈ উঠিছে 'শৈলী বিজ্ঞান' (Stylistics) নামৰ বিদ্যায়তনিক শাখাটো (Leech 1)। পাঠত ব্যৱহৃত ভাষাৰ বৈশিষ্ট্য বিচাৰ আৰু ব্যাখ্যাকৰণ ইয়াৰ উদ্দেশ্য (Leech 5)। সমালোচকৰ দৃষ্টিত ই হৈছে সাহিত্যিক পাঠ অধ্যয়নৰ ভাষাবৈজ্ঞানিক দৃষ্টিভংগী। ইয়াত লেখকৰ ভাষা ব্যৱহাৰৰ ধৰণক চাৰিটা স্তৰত বিশ্লেষণ কৰি বৈশিষ্ট্য নিৰূপণৰ চেষ্টা কৰা হয় ঃ

(ক) ধ্বনিতাত্ত্বিক প্ৰসংগ
(খ) ব্যাকৰণগত প্ৰসংগ
(গ) শব্দতাত্ত্বিক প্ৰসংগ আৰু
(ঘ) লেখনতাত্ত্বিক প্ৰসংগ।

লেখকে প্ৰয়োগ কৰা ধ্বনিৰ প্ৰকাৰ, গুণ, ধৰণ সন্দৰ্ভত বিশ্লেষণ কৰা হয় ধ্বনিতাত্ত্বিক প্ৰসংগত। পদৰ গঠন, ব্যৱহাৰ, খণ্ড-বাক্যৰ গঠন- ব্যৱহাৰ, পদক্ৰম আদিয়ে প্ৰকাশভংগীক প্ৰদান কৰা অভিনৱত্ব সম্পৰ্কে ব্যাকৰণগত ভাৱে আলোচনা কৰা হয়। শব্দতাত্ত্বিক প্ৰসংগত লেখকৰ শব্দ চয়ন, গঠন, কৌশল সম্পৰ্কত বিশ্লেষণ কৰা হয় আৰু লেখকে ৰচনা কৰা পাঠৰ গাঁথনিক সজ্জা, স্তৱক-অনুচ্ছেদ বিভাজন, যতি চিহ্নৰ প্ৰয়োগ, আখৰৰ হৰফ আদিৰ বিষয়ে পৰ্যালোচনা থাকে লেখনতাত্ত্বিক প্ৰসংগত।

গীত ৰচনা হয় ভাষাৰ মাধ্যমত। গীতৰ লালিত্য-শ্ৰুতিমাধুৰ্যৰ বাবে সুৰ-তাল-লয়ৰ লগত ভাষাৰ মনোহাৰিত্বও থকা দৰকাৰ। সেয়ে ভাষা-ব্যৱহাৰত গীতিকাৰ বিশেষভাৱে সচেতন হ'বলগীয়া হয়। ভূপেন হাজৰিকাৰ গীততো এই সতৰ্কতা পৰিলক্ষিত হয়। অসমীয়া গীতি-সাহিত্যৰ ইতিহাসত ভূপেন হাজৰিকাৰ গীতসমূহ 'ভূপেন্দ্ৰ সংগীত' হিচাপে পৰিচিত। ভাৱ-ভাষা উভয় দিশৰেপৰা তেওঁৰ গীতসমূহ অতুলনীয়। শৈলীবিজ্ঞানৰ দৃষ্টিকোণেৰে বিচাৰ কৰিলে তেওঁৰ গীতৰ ভাষাৰ ধ্বনি, ৰূপ, বাক্যৰ পৰ্যায়ত বাৰুকৈয়ে বিশিষ্ট গুণ পৰিলক্ষিত হ'ব আৰু তেনে বিশিষ্ট গুণকে তেওঁৰ ভাষাৰ শৈলী আখ্যা দিব পাৰি। এই গৱেষণা-পত্ৰখনত তেওঁৰ গীতৰ ভাষাত লক্ষণীয় হোৱা কেতবোৰ ধ্বনি-গুণ বিশ্লেষণ কৰিবলৈ যত্ন কৰা হ'ব। লগতে ধ্বনি বিশেষৰ প্ৰয়োগে তেওঁৰ ভাষাক কিদৰে সমৃদ্ধ কৰিছে, সেয়াও বিচাৰ কৰিবলৈ চেষ্টা চলোৱা হ'ব।

**বিষয়-বিশ্লেষণ ঃ**

ধ্বনি প্ৰয়োগৰ নিপুণতাই সাহিত্যিকৰ ৰচনাক বিশেষত্ব প্ৰদান কৰে। হাজৰিকাৰ গীতত স্বৰ আৰু ব্যঞ্জন উভয় প্ৰকাৰৰ ধ্বনি প্ৰয়োগত বিশেষত্ব নিহিত হৈ আছে। স্বৰৰ ভিতৰত /ই /স্বৰৰ প্ৰয়োগ বেছি ঘটিছে। যেনে ঃ-

(ক) চিৰ যুগমীয়া ঢৌ তুলি ঢৌ তুলি
চিৰ নতুন পানচৈ উটি যায়। (দত্ত ২১১)

(খ) নিজৰি কাপ নিগৰি নিগৰি
(আজি) তোমাৰ ভাষাও পৰিলে ভাগৰি। (১২৮)

উদ্ধৃতি পদকেইফাকিত /ই /ধ্বনিৰ প্ৰাধান্য বেছি। ইয়াৰ ফলত পদৰ ভাৰ আৰু সুৰ দুয়োটাই ক্ৰমশঃ উদাত্ত হৈ পৰিছে। 'ঢৌ তুলি ঢৌ তুলি' অংশত / ই / -প্ৰত্যয়ান্ত অসমাপিকা ক্ৰিয়াই পানীৰ লহৰ আৰু প্ৰবাহমানতাৰ চিত্ৰাত্মক ৰূপত তুলি ধৰিছে। কোনো কোনো গীতত আনকি
/ই / ধ্বনিৰে একোটা স্তৱকো শেষ হৈছে। যেনে ঃ

জিলমিলিয়া কোমল বালি
তাহানিৰ কথা কিয় আজি ক'লি
তাহানিৰ কাহিনী কিয় শুনালি
বুকুতে মিঠা মিঠা সুৰ ঢালিলি। (৩৫০)

এইটো স্তৱকত প্ৰতিটো শাৰীয়েই /ই / -ৰে অন্ত পৰিছে আৰু শাৰীৰ মাজত থকা শব্দতো /ই / আছে।

/এ / ধ্বনিৰ আধিক্যও তেওঁৰ ভাষাত পৰিলক্ষিত হয়। বহু গীতত /এ /ধ্বনিৰ দ্বাৰা তাল-লয়ৰ কোমলতা অনুভূত হৈছে। তলৰ গীত কেইফাকি অনুধাৱন কৰিলেই ইয়াৰ উমান পাব পাৰি ঃ

গাভৰু অ'
তেলৰে বাটিতে
তেলে মলঙিলে
গাতে মলঙিলে ঘাম। (৩৮৪)

ব্যঞ্জনৰ ভিতৰত কম্পিত ধ্বনি /ৰ /, পাৰ্শ্বিক ধ্বনি /ল /আৰু নাসিক্য / ম / ধ্বনিৰে গীতি কাৰগৰাকীয়ে শ্ৰোতাৰ ভাৱক আলোড়িত কৰিবলৈ যত্ন কৰিছে। যেনে ঃ

(ক) ঐ নিলাজ পাহাৰ!
ঐ শুকান পাহাৰ!!
মৰমবিহীন হৈ মৰ মৰ মৰ
লাজতহে মৰ।। (১৩৯)

(খ) ৰংঘৰ ৰংঘৰ তেজীৰঙা ৰংঘৰ
আজি কিয় ৰং তোৰ নাই
ডাঙৰীয়া সকলৰে আৰু য'ত অনুচৰে
কিয় আজি শোকতে বিনায় (৩০৫)

অসমীয়া ভাষাত /ৰ / ধ্বনিৰ উচ্চাৰণত জিভাৰ দুই কাষেৰে ওলাই যোৱা বায়ুপ্ৰবাহে কম্পনৰ সৃষ্টি কৰে। এনে কম্পনৰ সঘন পুনৰাবৃত্তিয়ে শ্ৰোতাৰ মন-কাণক আলোড়িত কৰে। লগতে গায়কৰ ভাৱানুভূতি হৃদয়ংগম কৰোৱাত সহায়ক হয়। তেনেদৰে /ল / ধ্বনিৰ সঘন প্ৰয়োগেও গীতৰ ভাৱক বলিষ্ঠতা দান কৰে। হাজৰিকাৰ বহু গীতত /ল / ধ্বনি বাৰে বাৰে ব্যৱহাৰ হৈছে। যেনে ঃ

(ক) সৌৱা সমদল ভাঙে হিলদল
সমৰোল কোলাহল
ৰক্তিম উজ্জ্বল। ( ৪৪২)

(খ) ধূলিৰো তলৰে ধূলিও মাকতিক
লগালা আলফুল মাত।
হৰিজন দলিতক সাৰটি ধৰিলা
স্বাৰ্থও পৰিলে শাঁত। (২২৩)

এই গীতকেইফাকিত / ল / ধ্বনিৰ পুনৰ্ব্যৱহাৰে ভাৱ-সুৰক স্পষ্টতা দান কৰিছে।

নাসিক্য ধ্বনিয়ে ভাৱক কোমল ৰূপত তুলি ধৰে। হাজৰিকায়ো /ম /, /ন /, /ঙ / ধ্বনি বাছনিৰে গীতসমূহক শ্ৰুতিমধুৰ কৰি তুলিবলৈ যত্ন কৰিছে। তলৰ গীত কেইফাকি মন কৰা হওক ঃ

(ক) ধম ধমা ধম ধম ধমা ধম জীৱন মাদল বাজে
আজি নতুন নতুন মনৰ মানুহ নতুন ভাবে সাজে।(৩৮২)

(খ) কি যে তোমাৰ সঙ্গ প্ৰিয়া
মিঠা তোমাৰ সঙ্গ
তোমাৰ অঙ্গ জ্বলন্ত জুই
মই যে পতঙ্গ। (১০২)

এই গীত কেইফাকি সুৰবিহীনভাৱে পঢ়ি গ'লেও এক প্ৰকাৰৰ rhythm অনুভৱ হয়। স্বাভাৱিকতে তাল-সুৰৰ সমাহাৰে গীত কেইফাকিক অধিক লালিত্যপূৰ্ণ কৰি তুলিছে। গীত কেইফাকিত অনুভূত হোৱা এই লয়ৰ মূলতে হৈছে /ন, ম. ঙ. / ধ্বনিৰ সঘন ব্যৱহাৰ।

অল্পপ্ৰাণ আৰু মহাপ্ৰাণ ধ্বনি প্ৰয়োগৰ ক্ষেত্ৰতো গীতিকাৰগৰাকী সচেতন। অল্পপ্ৰাণ ধ্বনিৰ ভিতৰত /ক,গ, ত,প / ধ্বনি আৰু উষ্ম ধ্বনি /চ,জ,স / ধ্বনি বেছিকৈ পোৱা যায়। অলংকাৰ-শাস্ত্ৰৰ দৃষ্টিকোণেৰে ধ্বনিৰ এনে পুনৰাবৃত্তিক 'অনুপ্ৰাস' অলংকাৰ বুলি কোৱা হয়। হাজৰিকাৰ বহু গীতত একেটা ধ্বনি ওচৰা-উচৰিকৈ বহুবাৰ বহিছে। যেনে ঃ

বগাকৈ বগলী এ বগা বগা পাখিৰে
বিচিছিল বগা বগা ছোঁৰৰ বুলাই।। (২১৭)

ইয়াত /ব /ধ্বনিৰ লগত 'বগা' শব্দৰ পুৰুক্তি ঘটিছে। তেনেদৰে আন এফাঁকি গীতলৈ মন কৰা হওক ঃ

চিত্ৰলেখা চিত্ৰলেখা
চিত্ৰ এখন আঁকা না
চিত্ৰপটত চিন্তাশীল এক
চিন্তা নায়ক আঁকা না। (১৪১)

ইয়াত /চ, ন, ত, ক / ধ্বনিৰ উপৰিও 'চিত্ৰ' শব্দৰ সঘন প্ৰয়োগ ঘটিছে। ফলত ভাৱ- অনুভূতিৰ প্ৰকাশ দৃঢ় হৈছে। হাজৰিকাৰ গীতত ধ্বনি-শব্দৰ পুনৰ্ব্যৱহাৰৰ এনে বহুত উদাহৰণ আছে।

ধ্বনিৰ পুনৰাবৃত্তিক ভূপেন হাজৰিকাৰ গীতৰ ভাষাৰ সাধাৰণ বৈশিষ্ট্য বুলিব পাৰি। ধ্বনিৰ পুনৰাবৃত্তিয়ে পাঠক-শ্ৰোতাক বাস্তৱিক ধ্বনিৰ অনুভৱেৰে আলোড়িত কৰি তোলে। লগতে চিত্ৰাত্মক পৰিস্থিতি এটিও শ্ৰোতাৰ মানসিক পটলৈ আনে। তলৰ উদাহৰণেই এই কথা স্পষ্ট কৰিব ঃ

(ক) ডুগ ডুগ ডুগ ডুগ ডম্বৰু
মেঘে বজায় ডম্বৰু
চিক্ মিক বিজুলী নাচে (৮৭)

(খ) অ' জীৱন ডিঙা বাই থাকা, বান্ধ হে
গুম গুম গুম গুম মেঘে গৰজিলে
হুম হুম হুম হুম ধুমুহা আহিলে (৩১২)

(গ) ৰুম ঝুম নেপুৰ বজাই
ঝুম ঝুম ঝুমুকা কঁপাই
ৰূপচী নৈৰ পাৰেদি
কোন চাওতালি গাভৰু যায়। (১৬৬) আদি।

ইয়াৰ প্ৰথম আৰু দ্বিতীয় উদ্ধৃতাংশত বিজুলী-ঢেৰেকণিৰে ভৰা বৰ্ষণমুখৰ পৰিবেশ এটিৰ সম্ভাব্য বিপদ সংকুল চিত্ৰ অনায়াসে পাঠক-শ্ৰোতাই মনচক্ষুত কল্পনা কৰিব পাৰে। তেনেদৰে ভৰিত নেপূৰ পিন্ধা চঞ্চলা গাভৰুৰ লয়লাস গতি চিত্ৰাত্মক হৈ উঠিছে তৃতীয়টো উদ্ধৃতাংশত। গীতিকাৰগৰাকীয়ে ডম্বৰুৰ ধ্বনি, বিজুলীৰ চমকনি, মেঘৰ গৰ্জন, নেপূৰৰ ধ্বনিৰ লগত মিলাই ধ্বনিৰ দ্বিৰুক্তি প্ৰয়োগ কৰা বাবে এই চিত্ৰাত্মক উপস্থাপন সম্ভৱ হৈছে। দৰাচলতে ভূপেন হাজৰিকাৰ বহু গীতৰ মাজত লুকাই থাকে একোটা কাহিনী। গীতৰ মাজেৰে সুৰ-তালৰ জৰিয়তে শ্ৰোতাক সেই কাহিনী শুনায়। ঘটনা-কাহিনীক সঁচা যেন কৰিবলৈ, পাঠক-শ্ৰোতাক তাৰ মাজত মগ্ন কৰিবলৈ গীতৰ মাজতে একোখন চিত্ৰ অঁকাৰ প্ৰয়োজন হয়। ধ্বনিৰ পুনৰাবৃত্তিয়ে তেনে চিত্ৰকল্প নিৰ্মাণত বিশেষ সহযোগ কৰে। যেনে ঃ

(ক) জোনাকৰে ৰাতি অসমীৰে মাটি
জিলিকি জিলিকি পৰে। (৩০৯)

(খ) মেঘে গিৰ্ গিৰ্ কৰে
(আ হা) হিৰ্ হিৰ্ মেঘে কৰে
বা লাগি আগলতী কলা পাত লৰে
এজাগ যেন বৰষুণ আহো আহো কৰে। (৫৬)

(গ) তুমি শকুন্তলাৰ হিয়াৰ মাণিক
জিলমিল জিলমিল কৰা। ( ৩২৫)

এই গীতকেইফাঁকি শুনিলে-পঢ়িলে পাঠক-শ্ৰোতাৰ মন আপোনা-আপুনি এক চিত্ৰাত্মক ভাৱত অৱগাহন কৰে। গীতৰ ভাষাত প্ৰয়োগ কৰা ধ্বনি বৃত্তিয়েই এনে বোধ জন্মাত সহায় কৰিছে।

কবিতা আৰু গীতৰ ভাষাৰ অন্ত্য-ধ্বনিৰ সাম্যতা থকাটো প্ৰয়োজনীয়। ভাষা লয়াত্মক হোৱাত এনে অন্ত্যমিলে সহায় কৰে। সেয়ে গীতৰ স্তৱকৰ প্ৰতিটো শাৰীৰ অন্ত্য-ধ্বনি সদৃশ হোৱাত গুৰুত্ব দিয়া হয়। হাজৰিকাৰ গীতসমূহতো ধ্বনিৰ অন্ত্যমিল লক্ষণীয়। যেনে ঃ

(ক) কাকনো সুঁৱৰি, কাকনো বিচাৰি
খাৰ তই হাবাথুৰি।
বৈ বৈ হেৰা হুমুনিয়াহ কাঢ়ি
বুকু উঠে গুমৰি গুমৰি (৩১৬)

(খ) আগলতি কলপাত লৰে চৰে
মনৰে পাখিটি মোৰ উৰে উৰে
কোন চিফুঙৰ সুৰে সুৰে। (৩০৯)

ইয়াত উদ্ধৃত কেউফাকি গীতলৈ মন কৰা হওক। ইয়াত প্ৰতিটো শাৰীৰ অন্ত্য ধ্বনি একে। প্ৰথমটো উদ্ধৃতিত / ই / -ৰে আৰু দ্বিতীয়টো উদ্ধৃতিত / এ / -ৰে শাৰীসমূহৰ অন্ত পৰিছে। পিছে কিছুমান পৰিস্থিতিত সাদৃশ্যতকৈ বৈসাদৃশ্যইহে প্ৰকাশিকা শক্তিক অধিক সৌষ্ঠৱপূৰ্ণ কৰি তোলে। ধ্বনিৰ মাজত সাদৃশ্যৰ পুনঃপৌনিকতাৰ মাজত যেতিয়া বৈসাদৃশ্যৰ বোধ হয়, তেতিয়া সেই সাদৃশ্য অধিক শ্ৰুতি-মধুৰ হয়। যেনে ঃ

বোলো অ' মিচিং ডেকাটি
বজালি যে পেম্পাটি
সুৰেৰে সজালি দেখোঁ
দিচাং মুখৰ নিশাটি। (১৮৬)

ইয়াত কেউটা শাৰীৰ ভিতৰত তৃতীয়টো শাৰীৰ অন্ত পৰিছে / ও / ধ্বনিৰে আৰু বাকী তিনিটা / ই / ধ্বনিৰে ন্ত পৰিছে। যদিহে তৃতীয়টো শাৰীও / ই / ধ্বনিৰে শেষ হ'লহেঁতেন তেন্তে স্তৱকটো শুনিবলৈ সিমান মধুৰ নহ'লহেঁতেন, যিমান শ্ৰুতি-মাধুৰ্য / ও / ধ্বনিৰে শেষ হোৱাত ৰক্ষিত হৈছে।

**সামৰণি ঃ**

সাহিত্যিকে কিমান সচেতন হৈ তেওঁৰ ভাষাৰ ধ্বনি, ৰূপ, বাক্য আদি নিৰ্বাচন কৰে, সেয়া পাঠক-শ্ৰোতাৰ পক্ষে অনুমান কৰা কঠিন। কিন্তু ৰচনা বা সাহিত্য অধ্যয়নৰ সময়ত পাঠক-শ্ৰোতাই সাহিত্যিকৰ নিৰ্বাচনক মূল্যায়ন কৰিব পাৰে। সাহিত্যিকৰ অভিপ্ৰায়ৰ সৈতে পাঠক-শ্ৰোতাৰ বোধগম্যতাৰ সহাৰস্থান ঘটিলে সাহিত্যিকৰ ভাষিক-নিৰ্বাচন সঠিক হোৱা বুলিব পাৰি। গীতিকাৰ হিচাপে ভূপেন হাজৰিকাৰ ব্যক্তিত্বক স্থান-কাল-পাত্ৰৰ দ্বাৰা বান্ধিব নোৱাৰি। তেওঁ বিশ্ব-শিল্পী, মানুহৰ সৈতে তেওঁৰ সম্পৰ্ক অতি ঘনিষ্ঠ। তেওঁৰ গীত শুনি শ্ৰোতা অভিভূত হয়। গীতৰ ভাৱ বুজি ভাবুক হয়। যাৰ ফলত গীতসমূহ হাজৰিকাৰ ব্যক্তিগত অনুভূতিৰ বহিঃপ্ৰকাশ হৈও সাৰ্বজনীন হয়। ভাৱনাৰ এনে সাৰ্বজনীনতা, যথাৰ্থ উপলব্ধি সম্ভৱ হৈছে ভাষাৰ সঠিক চয়নৰ বাবেহে। ভাৱৰ কোমলতা-কাঠিন্য- দৃঢ়তাৰ লগত মিলি পৰাকৈ স্বৰ-ব্যঞ্জন ধ্বনিৰ প্ৰয়োগ, ভাৱক প্ৰৱাহিত-আৰোহিত কৰা ধ্বনিৰ ব্যৱহাৰে তেওঁৰ গীতসমূহক শ্ৰোতা-পাঠকৰ বাবে আপোন কৰি তুলিছে। এই গৱেষণা পত্ৰত হাজৰিকাৰ গীতৰ ভাষাৰ ধ্বনিগত দিশটোহে শৈলীবিজ্ঞানৰ দৃষ্টিকোণেৰে বিচাৰ কৰা হৈছে। আমি ভাবো, ভাষাৰ আনবোৰ দিশ (যেনে- ৰূপ, শব্দ, বাক্য)ৰ শৈলী বিজ্ঞানভিত্তিক অধ্যয়নে তেখেতৰ গীতৰ ভাষা-শৈলী সম্বন্ধীয় ভালেমান তথ্য উদ্‌ঘাটনত সহায় কৰিব।

**উল্লিখিত গ্ৰন্থ ঃ**

দত্ত দিলীপ কুমাৰ। *ভূপেন হাজৰিকাৰ গীত আৰু জীৱন ৰথ*। গুৱাহাটী ঃ বনলতা ২০১১। প্ৰকাশিত।

Leech, Geoffrey N. : *A Linguistic guide to English Poetry*, London : Longman, 1969 Print.

Leech, Geoffrey N. and short, Mick : *Style in Fiction* : London : Pearsson, 2007, Print.

**সহায়ক গ্ৰন্থপঞ্জী ঃ**

শৰ্মা, অনুৰাধা। *শৈলী আৰু শৈলীবিজ্ঞান*। গুৱাহাটীঃ নিনাদ গোষ্ঠী, ২০১০। প্ৰকাশিত।

দত্ত দিলীপ কুমাৰ। *ভূপেন হাজৰিকাৰ গীত আৰু জীৱন ৰথ*। গুৱাহাটী ঃ বনলতা ২০১১। প্ৰকাশিত।

তিৱাৰী, ভোলানাথ। *ভাষাবিজ্ঞান*। দিল্লী ঃ কিতাব মহল, ১৯৯৬। প্ৰকাশিত।

Turner, G.W. *Stylistics*. Uk : Penguin. 1973. Print.

# আধুনিক জীৱনবোধ, আশা ভংগ আৰু অপূৰ্ব শৰ্মাৰ গল্প

**ড° সঞ্জীৱ বৰা**
*অতিথি প্ৰবক্তা, যোগাযোগ আৰু সাংবাদিকতা বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়*
*প্ৰাক্তন জ্যেষ্ঠ গৱেষক (ইউ জি চি- এছ আৰ এফ), অসমীয়া বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়*
(sanjibbora111@gmail.com)

**সংক্ষিপ্ত-সাৰ**

*আধুনিকতাবাদ আছিল এক সন্মিলিত আন্দোলনৰ সমষ্টি, যিবোৰৰ প্ৰকৃতি, স্বভাৱ এটা আনটোৰ পৰিপূৰক নাছিল। কোনোটো আনটোৰ ঘোৰ বিৰোধী বা সমৰ্থক আছিল; সেয়েহে ইয়াক 'বিৰোধীৰ সামঞ্জস্য' আন্দোলন আখ্যা দিয়া হয়। আধুনিকতাবাদ অভিব্যক্তিৰ গুৰুত্ব স্বীকাৰৰ কাব্য আৰু চিত্ৰশিল্পৰ ক্ষেত্ৰৰ আন্দোলনৰ এক সমূহ। ই এক 'অন্তৰ্জ্ঞানানুশাসনাত্মক' ইউৰোপীয় প্ৰত্যয়, যাৰ স্বৰূপ আৰু সংৰচনাৰ নিসৃত সংশ্লেষণে ইয়াক অধিক জটিল ৰূপ প্ৰদান কৰিছে। ই অন্য জ্ঞান শৃংখলাৰ দ্বাৰা প্ৰভাৱিত হৈ আৰু সিবোৰক প্ৰভাৱিত কৰি বিকাশ লাভ কৰিছে। ঊনবিংশ শতিকাৰ শেষভাগত আৰু বিংশ শতিকাৰ আগভাগত পশ্চিমীয়া সাহিত্যই এক বিশেষ সময়ৰ জীৱনবোধৰ ক্ৰিয়া-প্ৰতিক্ৰিয়াৰ আঁচোৰ আঘাত বহন কৰিহে কালোত্তীৰ্ণ হৈছে। এই জীৱনবোধত সচেতনভাৱে ঐতিহ্যৰ পুনৰ্বিচাৰ, প্ৰচলিত মূল্যবোধৰ প্ৰতি অনাস্থা, অতীতৰ প্ৰতি সমালোচনাত্মক দৃষ্টি লুকাই আছে। আধুনিক জীৱনবোধে আনি দিয়া হতাশা, আশা ভংগ, নিৰুদ্বেগৰ ছবিখন চিত্ৰকলা, সংগীত, নাটক, চিনেমাৰ লগতে সাহিত্যতো প্ৰকাশ পাই আহিছে। অসমীয়া সাহিত্যৰ বেলিকা বিশেষকৈ গল্পত এনে আধুনিক অনুষংগ বিশেষ ভাৱে ক্ৰিয়াশীল হৈ আছে। আধুনিক গল্পৰ অন্যতম সবল গল্পকাৰ অপূৰ্ব শৰ্মাৰ গল্পত আধুনিক জীৱনবোধৰ কেতবোৰ অনুষংগ কিদৰে উপস্থাপিত হৈছে- এই গৱেষণা পত্ৰত বিশ্লেষণ কৰাৰ প্ৰয়াস কৰা হৈছে।*

***সূচক শব্দ***

*আধুনিকতাবাদ, আধুনিক জীৱনবোধ, হতাশা, অসমীয়া গল্প সাহিত্য, অপূৰ্ব শৰ্মা*

আধুনিকতাৰ পৰা উত্তৰ আধুনিকতাৰ পৰিৱৰ্তন একমাত্ৰ তত্ত্ব-প্ৰণালীলব্ধ; মীমাংসাৰ দিশৰ পৰা এই দুই সময়ৰ বিশেষ পাৰ্থক্য চকুত নপৰে। মাইকেল বেলে এই সময়ৰ স্বৰূপক চিহ্নিত কৰাৰ ক্ষেত্ৰত বৃদ্ধিবৃত্তিৰ উন্নতিৰ বিশ্বকোষীয় সূত্ৰ প্ৰদানৰ পৰিৱৰ্তে চিন্তাধাৰাৰ কেন্দ্ৰীভূত এক ব্যাখ্যাত্মক বিশ্লেষণহে আগবঢ়াবলৈ যত্ন কৰিছে (Bell 9)। তেওঁ আধুনিকতাৰ স্বৰূপক বৈজ্ঞানিক মানৱজগত,ঐতিহ্য, পুৰা আৰু পৰম্পৰা; ভাষাতাত্ত্বিক পৰিৱৰ্তন, আদৰ্শবাদৰ পতন, নৃতত্ত্ব আৰু আদিমতা, ঔপনিৱেশিকতা; যৌনতা আৰু যুক্তি; নান্দনিকতা আৰু সত্তা, সাহিত্য আৰু সমালোচনা কেতবোৰ দিশত আলোচনা কৰিছে।

মাৰ্ক্স, ফ্ৰয়ড আৰু নীৎসে- এই তিনিগৰাকী সাংস্কৃতিক দিগজৰ বিশিষ্ট তত্ত্ব-সিদ্ধান্তই প্ৰজন্মক ক্ৰমবৰ্ধমান সমালোচনাৰ মুখে পৰিচালিত কৰিছে আৰু সাংস্কৃতিক- সময়ৰ গঠন অধিক স্পষ্ট হৈ উঠিছে; কিন্তু প্ৰমেয়ৰ ভিত্তিগত উত্তৰাধিকাৰ সন্দেহৰ আৱৰ্তত ৰৈ গৈছে। নিঃসন্দেহে নতুন সাংস্কৃতিক মুহূৰ্ত, শৈল্পিক অভিব্যক্তিৰ নতুন আংগিক, পোহৰলৈ আহিল; তথাপিও সেইবোৰে অনিবাৰ্য ৰূপত এতিয়াও পূৰ্বৰ আন্তৰিক সম্ভাৱনাৰেই কাম কৰিছে। একেই দাৰ্শনিক তত্ত্বত সাংস্কৃতিক আৰু ৰাজনৈতিক ব্যাখ্যাৰ পাৰ্থক্য চকুত পৰে ।

'আধুনিকতা'— এই শব্দটোৰ অভিধাই প্ৰতিটো নতুন সময়ৰ মুহূৰ্ত আৰু তাৰ লগত জড়িত কেতবোৰ অনুষংগক সূচায়। আধুনিকতাই আধুনিক জীৱনবোধে আনি দিয়া যান্ত্ৰিক, ৰাজনৈতিক, অৰ্থনৈতিক সাংস্কৃতিক জীৱনৰ পৰিৱৰ্তনৰ সমাজতান্ত্ৰিক ব্যাখ্যাক সূচায় আৰু আধুনিকতাবাদে সাহিত্য শিল্পত আধুনিক জীৱন-সংস্কৃতিৰ প্ৰতি নান্দনিক সঁহাৰি আৰু

প্ৰতিক্ৰিয়াৰ বিশেষ আন্দোলনক নিৰ্দেশ কৰে।

উনবিংশ শতিকাৰ দ্বিতীয়াৰ্দ্ধত ইউৰোপৰ সামাজিক-ৰাজনৈতিক আমূল পৰিৱৰ্তনৰ কাৰণ হ'ল- ঔদ্যোগীকৰণ আৰু সাম্ৰাজ্যবাদ। ঔদ্যোগীকৰণৰ ফলস্বৰূপে কৰ্মসূত্ৰে একত্ৰিত হোৱা শ্ৰমিক-মালিকসকলৰ মাজত ধৰ্মীয়-মানসিক চিন্তা-চেতনাৰ তাৰতম্য অধিক হৈ পৰিল। ব্যক্তিগত চিন্তাৰ ব্যৱধানে সামাজিক-ৰাজনৈতিক স্থিতিৰ ব্যৱধনা বঢ়াই আনিলে। উদ্যোগ, বেংক আৰু অন্যান্য বৃত্তিৰ সৈতে জড়িত ইউৰোপীয় পৰম্পৰাবাদী অভিজাত শ্ৰেণীসমূহৰ জীৱন আছিল খুবেই আড়ম্বৰপূৰ্ণ। আনহাতে সাধাৰণ মধ্যবিত্তীয় আৰু দুখীয়া সমাজখনৰ শ্ৰেণীসমূহৰ মাজত ভোগ-বিলাসৰ বস্তুগত তাৰতম্যই নাছিল, ই শৰীৰ আৰু মনৰ স্তৰলৈকে সংক্ৰমিত হৈছিল। উনবিংশ শতিকাৰ শেষৰ পৰা বিংশ শতিকালৈকে প্ৰৱাহিত হৈ থকা সাংস্কৃতিক, বৌদ্ধিক, মহানগৰ কেন্দ্ৰিক পৰিৱৰ্তনশীল কলাই পৰীক্ষামূলক ভাৱে আধুনিকতাবাদৰ আধাৰ স্বৰূপ।

উনবিংশ শতিকাৰ শেষৰ ফালে বাৰ্লিন, ভিয়েনা, মস্কো আৰু চেইন্ট পিটৰবুৰ্গ, বিংশ শতিকাৰ লণ্ডন, জুৰিখ, নিউয়ৰ্ক, ছিকাগো, পাৰীৰ বৌদ্ধিক আৰু সাংস্কৃতিক বিনিময়ৰ কেন্দ্ৰস্বৰূপ হৈ উঠিল আৰু এইবিলাকৰ মহানাগৰিক পৰিৱেশ, ভাৱনা, আদৰ্শ আৰু ৰাজনীতিক আওকান কৰি আধুনিকতাবাদৰ প্ৰসংগ আলোচনাই কৰিব নোৱাৰি (আহমেদ ২১)। পৰৱৰ্তী সময়ত এই মহানগৰেই সাহিত্যত ভৌতিক আধাৰৰ পৰা এক সাহিত্যিক ৰূপকলৈ উত্তীৰ্ণ হ'ল।

সমাজ-সাহিত্যৰ প্ৰসংগলৈ আহিলে দেখা পাওঁ, ইংৰাজী সাহিত্যৰ এলিজাবেথীয় যুগ (১৫৫০-১৬২৫)ৰ ব্যাপ্তিয়ে অষ্টাদশ শতিকাৰ শেহৰফালে ৰোমাণ্টিক যুগ (১৭৯৮-১৮৩২)ত নতুন মাত্ৰা লাভ কৰিলে। ক্লাছিক যুগৰ অন্তত মানুহৰ মাজত বস্তুনিষ্ঠতাৰ ঠাই পালে ব্যক্তিনিষ্ঠতাই। ৰুছো (১৭১২-৭৮)ৰ সামাজিক চুক্তিৰ সূত্ৰ (ৰজাৰ ঐশ্বৰিক উত্তৰাধিকাৰ আৰু ক্ষমতাৰ সামৰণি) জাৰ্মান দাৰ্শনিক ইমানুৱেল কাণ্ট(১৭২৪-১৮০৪)ৰ দৰ্শন (প্ৰত্যেক ব্যক্তিৰ ব্যক্তিসত্তাৰ স্বতন্ত্ৰতা) ভল্টেয়াৰ (১৬৯৪-১৭৭৮)ৰ সাহিত্যৰ বাস্তৱতা (অভিজাতসকলৰ জীৱনৰ অন্তঃসাৰশূন্যতা)— এনে কেতবোৰ কাৰকে ব্যক্তিমনৰ গুৰুত্ব প্ৰকাশ কৰিবলৈ ধৰিলে। এলিজাবেথীয় যুগৰ সাহিত্য কল্পনাৰ বিশালতা সামগ্ৰিক জীৱনৰ সৈতে যুক্ত আছিল। এই সময়তেই ৰোমান্স, কল্পনা আৰু বাস্তৱৰ সমন্বয় প্ৰকাশ কৰা সাহিত্য-শিল্প-কলাৰ প্ৰকাশে গা কৰি উঠিছিল পৰৱৰ্তী সময়ত এই জীৱনৰ বিশালতাৰ মানুহে বিচাৰি পালে ব্যক্তিমনৰ একান্ত নিজস্ব আশা-আকাংক্ষা, অনুভৱ-কল্পনা। এনে নতুন চিন্তা-ভাৱনাৰ ভিত্তিয়েই ফৰাচী বিপ্লৱক ভেঁটি প্ৰদান কৰিছিল।

পৰম্পৰাগত আৰু ৰোমাণ্টিকতাৰ পৰা ফালৰি কাটি আধুনিক মন গঢ় লৈ উঠাৰ অন্তৰালত কিছু কাৰকৰ উপস্থিতি মন কৰিবলগীয়া। এই কাৰকবোৰৰ ভিতৰত প্ৰচলিত জীৱন-দৃষ্টি, প্ৰচলিত মূল্যবোধ আৰু বিশ্বাস ভংগই প্ৰধান। ইউৰোপীয় জীৱনৰ সংস্কাৰ আৰু মূল্যবোধৰ ভিত্তি আছিল গীৰ্জাৰ ওপৰত থকা আস্থা। ৰোমাণ্টিক যুগলৈকে এই ভাব-শক্তি ক্ৰিয়াশীল আছিল। ঊনবিংশ শতিকাৰ মাজভাগত হোৱা ঔদ্যোগীকৰণ আৰু নগৰীকৰণৰ ফলস্বৰূপে ঊনবিংশ শতিকাৰ সত্তৰৰ দশকৰ ভিতৰত ইংলেণ্ড আৰু ইউৰোপীয় পৰিশীলিত উচ্চ বৰ্গৰ সংস্কৃতি চিন্তা-ভাৱনাত বিপুল পৰিৱৰ্তন সাধিত হ'ল। বিজ্ঞান-প্ৰযুক্তিবিদ্যাৰ অগ্ৰগতিয়ে কেৱল ব্যক্তিৰ চিন্তা-প্ৰতিভা আৰু দক্ষতাতেই যে পৰিৱৰ্তন সাধন কৰিলে তেনে নহয়; বৰঞ্চ ই মানুহৰ জীৱন দৃষ্টি বিশ্বাস মূল্যবোধৰো অভূতপূৰ্ব পৰিৱৰ্তন সাধন কৰিলে।

এলবাৰ্ট আইনষ্টাইন (১৮৭৯-১৯৫৫), মেক্স প্লেংক (১৮৫৮-১৯৪৭) আৰু ৰাডাৰ ফোৰ্ড (১৮৭১-১৯৩৭)ৰ ক্ৰমে আপেক্ষিকতাৰ সূত্ৰ, শক্তিৰ পৰিমাপণ আৰু পাৰমাণৱিক পদাৰ্থবিজ্ঞানৰ চিন্তা আৰু তথ্যই মানুহক জীৱন আৰু জগত সম্পৰ্কে নতুন তত্ত্ব আৰু যুক্তি আধাৰিত নতুন দৃষ্টি প্ৰদান কৰিলে। ই ঈশ্বৰৰ অস্তিত্ব সম্পৰ্কীয় হাজাৰ বছৰীয়া চিন্তা-চৰ্চাক সন্দেহত পৰিণত কৰায় আৰু সন্দিহান কৰি তোলে। মানুহৰ মনত বিজ্ঞান সাপেক্ষ ইন্দ্ৰিয়গ্ৰাহ্যতা স্বীকাৰ আৰু অপ্ৰমেয় বিষয়ক বৰ্জন কৰাৰ মানসিকতা গঢ় লৈ উঠিল। কাৰ্ল মাৰ্ক্সে (১৮১৮-১৮৮৩), পদাৰ্থ বিজ্ঞানৰ সূত্ৰ আৰু হেগেলীয় দৰ্শনৰ আধাৰত, কেৱল ইন্দ্ৰিয়গ্ৰাহ্য প্ৰমাণ সাপেক্ষ তথ্য-যুক্তিৰ আধাৰত সমাজ জীৱনক ব্যাখ্যা কৰাৰ বাবে নতুন বস্তুবাদী সমাজ দৰ্শন প্ৰতিষ্ঠা কৰিলে। মাৰ্ক্সবাদে কেৱল ভাৱবাদ আধ্যাত্মবাদৰ ভেঁটিটোকে জোকাৰি থমকি নৰৈ ই ৰোমাণ্টিক ভাৱাদৰ্শতো বিস্তৰ খহনীয়া সৃষ্টি কৰিলে। ফলস্বৰূপে ৰাছিয়াত প্ৰগতিশীল সাহিত্য ভাৱনা, ইউৰোপত বিভ্ৰান্তি আৰু স্বপ্নভংগৰ বেদনা সৃষ্টি হ'ল। জীৱ আৰু ভূ-বিজ্ঞানী চাৰ্লছ ডাৰউইন (১৮০৯-১৮৮২)ৰ জীৱৰ ক্ৰমবিকাশৰ চিন্তা-চৰ্চাই ঈশ্বৰ, গীৰ্জা আৰু আধ্যাত্মবাদৰ ওপৰত থকা বিশ্বাসক আঘাত কৰিলে। ছিগমাণ্ড ফ্ৰয়েড(১৮৫৬-১৯৩৯)ৰ মনোবৈজ্ঞানিক চিন্তা-চৰ্চাই

বাৎসল্য প্ৰীতিৰ লগতে সুকোমল অনুভূতিক অভিব্যক্তিসমূহক পাপ-পুণ্য, সতীত্ব-অসতীত্ব, ভাল-বেয়া, উচিত-অনুচিত সম্পৰ্কে গঢ়ি তোলা আদৰ্শ আৰু মূল্যবোধসমূহৰ বিষয়ে মানুহক সন্দিহান কৰি তুলিলে, প্ৰকৃতি, পৰিৱেশ আৰু মানসিক ক্ৰিয়া-প্ৰতিক্ৰিয়াৰ ওচৰত মানুহৰ অসহায়তাৰ উন্মোচন কৰিলে। মানুহৰ গভীৰ নৈৰাশ্যবোধ, পাৰ্থিৱ অৰ্থহীনতাৰ পৰিপ্ৰেক্ষিতত বিচ্ছিন্নতাবোধ, সৰ্বাত্মক শূন্যতাৰ আধুনিক মনটোক সচকিত কৰিলে। চেতন মনৰ লগতে মানুহৰ অৱচেতন মনৰ বিশ্লেষণে প্ৰাধান্য পালে।

ফ্ৰেডেৰিক নীৎসে (১৮৪৪-১৯)ৰ দাৰ্শনিক অভিমতে ঈশ্বৰৰ অস্তিত্ব সম্পৰ্কত যি প্ৰশ্ন তুলিলে, সি ঈশ্বৰৰ লগতে গীৰ্জা বিৰুদ্ধ চিন্তা-চেতনাও জগাই তুলিলে। ডাৰইউনৰ বিৱৰ্তনবাদ, আইনষ্টাইনৰ আপেক্ষিকতাবাদ, ফ্ৰয়ডৰ মনস্তত্ব; মাৰ্ক্সৰ দ্বান্দিক বস্তুবাদৰ বিচাৰ-বিশ্লেষণ প্ৰধান মূল্যবোধৰ ওপৰত আস্থা পাতলাই আনিলে, ফলত আধুনিক মানুহৰ মনত সৃষ্টি হ'ল গন্তব্যহীনতা, পৰিণতিহীনতা, উদ্দেশ্য নিৰপেক্ষতাৰ ধাৰণা। ক্ষণভংগুৰ জীৱনৰ অৰ্থহীন গতি, উদ্দেশ্যহীনতাৰে আধুনিক মনবোৰ হৈ পৰিল বৰ্তমানৰ অনিশ্চয়তাৰে ভৰা। আদৰ্শৰ পৰিৱৰ্তে স্বভাৱ ব্যক্তিৰ প্ৰবৃত্তি নিৰ্ভৰ, মনৰ দমন আৰু বাহ্যিক মিথ্যা স্বৰূপৰ দ্বন্দ সু স্পষ্ট হৈ পৰিল। নীৎসেই চক্ৰেটিছৰ পৰৱৰ্তী সময়ৰ পশ্চিমীয়া পৰম্পৰাক আভ্যন্তৰীণ দমন আৰু বাহ্যিক আধিপত্যৰ মিছা বিশ্লেষণ উন্মোচন কৰিলে। (Bell12)

আধুনিকতাবাদী সাহিত্য প্ৰায়েই চিন্তাৰ নতুন প্ৰেক্ষাপট বা নতুন বিশ্বৰ দৃষ্টিভংগীত কিদৰে বাস কৰিব লাগিব তাৰ প্ৰতি চেষ্টাশীল। সেইকাৰণেই প্ৰায়সংখ্যক সাহিত্যই প্ৰত্যেকেই নিজৰ শৈলীৰ(ফৰ্ম) প্ৰতি মুকলিভাৱে সচেতন, যি প্ৰায়েই তাৰ এক বিশিষ্ট, গভীৰ আত্মোপলব্ধিৰ অৰ্থ বহন কৰে। পাউণ্ডৰ ভাষাত "এটি ধাৰণাৰ গ্ৰহণৰ ক্ষেত্ৰত মনৰ কাৰ্যকাৰিতাক বাদ দিও ইয়াৰ এক অন্য মূল্য আছে" (Bell32ত উদ্ধৃত)। 'ধাৰণা' শব্দৰ এই বিৰোধিতা আৰু সংস্থাপনে এটা সাধাৰণ আধুনিকতাবাদী প্ৰতিৰোধ আৰু অন্তৰ্নিহিত মাত্ৰাধিক গুৰুত্বক বুজায়; উইটগেনষ্টেইনে যাক "জীৱনৰ গঠন" বুলিছে। যিটো পৰ্যায়ত সাহিত্যিক ফৰ্মে বিশেষ অৰ্থ বহন কৰিবলৈ সক্ষম হয়। প্ৰকৃতপক্ষে আধুনিকতাবাদী সাহিত্য ধাৰণালৈ অনুবাদ কৰাটো সচৰাচৰ মৌলিক দিশৰ ক্ষতিৰ পথ হ'ব পাৰে। এই শক্তিৰ প্ৰশংসাৰ বাবে আধুনিকতাবাদী লেখকে তাত্বিক আহ্বান কৰাৰ কাৰণে জ্ঞানৰ সৰ্বাধিক উদ্দেশ্যও মৰ্যাদাপূৰ্ণ পদ্ধতিৰ সৈতে আৰম্ভ কৰাৰ সুবিধা পায়।

আধুনিকতাৰ আন্দোলন আছিল যন্ত্ৰণাজৰ্জৰতাৰ বিৰুদ্ধে একপ্ৰকাৰৰ বিদ্ৰোহ। এই বিদ্ৰোহ ফ্ৰান্সত বুৰ্জোৱাৰ প্ৰতি, ইংলেণ্ডত ভিক্টোৰিয়াৰ প্ৰতি, আমেৰিকাত পিউৰিটানিজম আৰু বাস্তৱবাদৰ প্ৰতি। যুদ্ধ আৰু অৰ্থনৈতিক দুৰ্যোগ ৰাজনৈতিকভাৱে মূল্যবোধৰ প্ৰতি শ্ৰমিকৰ প্ৰত্যাহ্বান সামাজিকভাৱে আত্ম অধিকাৰ প্ৰতিষ্ঠাৰ সংগ্ৰামে পূৰ্বৰ ধৰ্মীয় আনুগত্য খৃষ্টীয় আদৰ্শৰ মহিমা ম্লান কৰি আনিছিল। নৃতত্ত্বই ধৰ্মক বৈজ্ঞানিক দৃষ্টিৰে চালি-জাৰি চাবলৈ শিকালে। জেমচ জৰ্জ ফ্ৰেজাৰৰ ১৮৯০-১৯৩৫ৰ ভিতৰত প্ৰকাশ পোৱা *দি গ'ল্ডেন বাও*-এ ধৰ্মীয় ধাৰণাবোৰ ওলট-পালট কৰিলে। আধুনিকতাবাদত নতুন উপাদান সংযোজিত হ'বলৈ ধৰিলে। ঊনৈশ শতিকাৰ শেষৰ ফালৰ ফ্ৰান্সৰ প্ৰতীকবাদী কাব্য আন্দোলনে কবিসকলক সামাজিক জীৱনৰ পৰা আঁতৰাই আনি নান্দনিক সৌন্দৰ্যৰ, ব্যক্তিমনৰ উপলব্ধিৰ প্ৰতি সচেতন কৰি তুলিলে।

ঔদ্যোগীকৰণ, নাগৰিক জীৱন, যুদ্ধ, প্ৰযুক্তিবিদ্যাৰ পৰিৱৰ্তন তথা নতুন দাৰ্শনিক মতাদৰ্শৰ দৰে বিভিন্ন দিশৰ প্ৰতি লেখক আৰু শিল্পীৰ প্ৰতিক্ৰিয়াকেই আধুনিকতাবাদ বুলি অভিহিত কৰিব পাৰি, কাৰণ ঊনৈশ শতিকাৰ ব্যক্তি আৰু সমাজৰ যি আদৰ্শ আছিল সেয়া ক্ৰমে নিৰাশাৰ দিশে গতি কৰিছিল, পশ্চিমীয়া বিশ্ব গঢ় লৈ উঠিছিল মাৰ্ক্স, ফ্ৰয়েড আৰু ডাৰইউনৰ চিন্তা-চেতনাৰ ৰূপান্তৰকৰণেৰে, যি সামাজিক ব্যক্তিত্ব আৰু প্ৰাকৃতিক পৰিৱৰ্তনৰ প্ৰতীতি দৃঢ় কৰিছিল। অৱশ্যে শ্বেৰউড এণ্ডাৰচন(১৮৭৬-১৯৪১)এ আধুনিকতাৰ ব্যাপক পৰিসীমাৰ বিস্তৃতি স্বীকাৰ কৰিছে ঃ আধুনিকতাৰ বৈপ্লৱিক পৰিৱৰ্তন, চহৰৰ কৃত্ৰিম নাগৰিকৰ বিশেষ অনুভৱ হৈ নাথাকিল। ই অনিয়মিত, কিন্তু অতি বাধাহীনভাৱে সমগ্ৰ দেশ আৰু সকলো দোকান-পোহাৰ আনকি কাঠৰ জুইৰ কাষত আলাপত মগ্ন থকা লোকৰ মগজুলৈকে বিয়পি পৰিল (Barnard 39 ত উদ্ধৃত)।

প্ৰথম বিশ্বযুদ্ধৰ সামৰণিৰ পাছত পশ্চিমৰ মানুহৰ জীৱনৰ অৰ্থ, উদ্দেশ্য, মূল্যবোধ ভাঙি পৰিল। ঊনবিংশ শতিকাৰ মানুহৰ মনত যি নতুন যৌক্তিক বিচাৰে খোপনি পুতিছিল সেয়া দ্বিতীয় বিশ্বযুদ্ধই গাঢ় ৰূপ দিলে। মানুহৰ হৈ পৰিল দিশগ্ৰস্ত লক্ষ্যহীন, অনিশ্চয়, অসহায় বিচ্ছিন্ন আৰু নিৰ্জন, মন ভৰি পৰিল নৈৰাশ্য আৰু অৰাজকতাৰে। ফলত

জীৱন আৰু জগত সম্পৰ্কে মানৱীয় ধাৰণাৰ অভূতপূৰ্ব পৰিৱৰ্তন সাধন হ'ল। এনে এক সামাজিক-মানসিক বৌদ্ধিকতাৰ পটভূমিতেই বিংশ শতিকাৰ আধুনিকতাবাদে মূৰ দাঙি উঠিলে আৰু শিল্পৰ পৰা সাহিত্যলৈকে বিয়পি পৰিল। নৈতিক, সাংস্কৃতিক, ধৰ্মীয় সকলো বান্ধোনৰ সীমা অতিক্ৰম কৰি ব্যক্তিমনৰ অন্তৰ্জগতৰ ছবি, চিন্তা আৰু চেতনাই সাহিত্যত ভুমুকি মাৰিলেহি। অষ্টাদশ শতিকাত যুক্তি-দৰ্শন প্ৰগতিৰ বিজ্ঞানসন্মত সাৰ্বজনীন প্ৰমূল্যই ইউৰোপত 'এ'জ অব এনলাইটেনমেণ্ট' (জ্ঞানোদয় যুগ) (Age of Enlightenment)ৰ সূচনা কৰিছিল। সকলো ধৰণৰ দুৰ্দশা অযুক্তিকৰ চিন্তা আৰু আচৰণ, অন্ধবিশ্বাসৰ পৰা মানৱ সমাজ মুক্ত হ'ব বুলি এই সন্ধিক্ষণত বিশ্বাস জন্মিছিল।

আধুনিকতাবাদ মানুহৰ জীৱনৰ দৃষ্টিভংগীযুক্ত কেৱল বাহ্যিক ৰূপৰ পৰিৱৰ্তনতেই সীমাবদ্ধ নহয়। এনে জীৱনবোধৰ অন্তৰালত আছে বিশেষ সামাজিক আৰু বৌদ্ধিক পটভূমি। এই বৌদ্ধিক আৰু সামাজিক পটভূমিৰ অন্তৰালতেই আধুনিকতাবাদে গা কৰি উঠিছে।

আধুনিকতাৰ বিকাশ প্ৰক্ৰিয়াৰ সমান্তৰালকৈ তাৰ ৰীতিবিৰুদ্ধ গতিও মন কৰিবলগীয়া। বিপৰীত আৰু সামঞ্জস্য অথচ পৰস্পৰ সহায়ক আন্দোলনেই আধুনিকতাৰ গতি নিৰ্দ্ধাৰণ কৰিছে। আধুনিকতাৰ এই নিৰন্তৰ বিকাশশীল চৰিত্ৰ বিচাৰ কৰিবৰ বাবে ইউৰোপীয় আধুনিকতাক বিভিন্ন স্তৰত ভাগ কৰিছে। সম্পূৰ্ণ ভৌতিক পৰিস্থিতি সত্বেও আধুনিকতা প্ৰাথমিক পৰ্য্যায়ত 'মুক্তিকামী চেতনা'ৰ এক নামান্তৰ (সিংহ ২৫)। এই চেতনা আধুনিকতাৰ প্ৰতিটো স্তৰতেই বিৰাজমান, মাত্ৰ সু-সংগঠিত ৰূপৰ কাৰণেই ইয়াৰ ভিন্নতা চকুত পৰে। ইউৰোপৰ আধুনিকতাৰ স্তৰৰ প্ৰথম স্তৰ- যোল্ল শতিকাৰ আৰম্ভণিৰ পৰা উনবিংশ শতিকাৰ আৰম্ভণিলৈ, দ্বিতীয় স্তৰ- বিংশ শতিকাৰ তৃতীয় দশকলৈ আৰু তৃতীয় স্তৰ- বিংশ শতিকাৰ মাজৰ পৰা শেষলৈকে বিস্তাৰিত।

যদি ৰেনেছাঁকালীন আধুনিকতা ধৰ্মকেন্দ্ৰিক (থিঅ'চেণ্ট্ৰিক) সমাজ, মানৱকেন্দ্ৰিক (এনথ্ৰ'প্ৰ'চেণ্ট্ৰিক) সমাজলৈ পৰ্যবেশিত হৈছিল, তেনেহ'লে জ্ঞানোদয় (এনলাইটেনমেণ্ট) আলোকপ্ৰাপ্তিৰ সময়ছোৱাত একেই সমাজ পৰিস্থিতি কেন্দ্ৰিক (ইক'ছেণ্ট্ৰিক) সমাজলৈ পৰিৱৰ্তিত হ'ল। এই পৰিস্থিতিয়ে দুটা সুকীয়া অৰ্থ পোষণ কৰিছে ঃ পুঁজিগত আৰু আনটো পৰিস্থিতিগত। ৰেনেছাঁকালীন আধুনিকতাত যদি 'মানৱ' কেন্দ্ৰীয় চৰিত্ৰ আছিল, জ্ঞানোদয়ৰ আধুনিকতাত 'মানৱ চৰিত্ৰ' অধ্যয়নৰ মূল বিষয়বস্তু হৈ পৰিল। আধুনিকতাৰ তৃতীয় স্তৰত বিশ্বযুদ্ধৰ পৰা সৃষ্টি হোৱা মানসিকতা আৰু পৰিৱেশৰ প্ৰসংগই আহে আৰু আধুনিকতাৰ এই স্বৰূপেই উত্তৰ আধুনিকতাৰ বিড়ম্বনা, সন্ত্ৰাস, অমানৱীকৰণ, একাকীত্ব, আত্ম-সমীক্ষা, আত্মবোধ, সংকটবোধ, মূল্যহীনতা, অমূৰ্ততাৰ ৰূপত ধৰা দিলে। পিটাৰ বাৰ্জাৰ (১৯২৯-২০১৭ )এও *ফেচিং আপ টু দি মডাৰ্ণিটি* গ্ৰন্থত আধুনিকতাৰ- অমূৰ্তকৰণ, ভৱিষ্যবাদ, প্ৰযোজ্যতা, মুক্তি আৰু ধৰ্মনিৰপেক্ষতাৰ কথা উল্লেখ কৰিছে ।

বিংশ শতিকাৰ আৰম্ভণিৰ লগে লগেই চুটিগল্পই তাৰ পৰম্পৰাগত সুঁতি সলাই পেলালে। পূৰ্বৰ ৰোমাণ্টিক ধাৰণাৰ, বাস্তৱবাদী চিন্তা চেতনাক গল্পকাৰে উলাই কৰিবলৈ আৰম্ভ কৰিলে। হেনৰি জেমচৰ (১৮৪৩-১৯১৬) আধুনিকতাবাদী উপন্যাস আৰু গল্পৰ নতুন উদ্ভাৱন কালৰ সাঁকো স্বৰূপ। জেমচৰ উপন্যাসৰ দৰেই গল্পবোৰো কলা আৰু ফৰ্মৰ লগে লগে সিবোৰ সমাজৰ সৈতেও সম্পৰ্কিত, 'ফিগাৰ ইন দ্যা কাৰ্পেট' গল্পটো সৰ্বোৎকৃষ্ট আধুনিক গল্প হিচাপে গণ্য কৰা হয়, গভীৰ পঠনৰ বাবে জটিল ৰচনা বুজাবলৈ ইয়াত এখন কাৰ্পেটৰ চৌৰ গুপ্ত সাঁচক ৰূপকেৰে ৰিজাইছে। 'ৰক্ষণশীল আধুনিকতাবাদী' (conservative modernist) গল্পকাৰ থমাছ মান (১৮৭৫-১৯৫৫)ৰ গল্পত মহাযুদ্ধৰ পাছত মুদ্ৰাস্ফীতিৰ তাড়নাৰ সমাজ বাস্তৱিক ছবি (দিচ্ অৰ্ডাৰ এণ্ড আৰ্লি ষ্টৰী), নৈতিক মূল্যবোধৰ ছবি, (মেৰিত এণ্ড দি মেজিচিয়ান গল্পত) মানৱ স্বাধীনতাৰ আদৰ্শৰ ফলস্বৰূপে পৰিৱেশ নিয়ন্ত্ৰিত চৰিত্ৰৰ বিপৰীতে সংগ্ৰামী ব্যক্তিৰ চৰিত্ৰ নিৰ্মাণৰ প্ৰচেষ্টা পোৱা যায়। ফেণ্টাছী, কাল্পনিক কাহিনীৰে প্ৰতীকী গল্প ৰচনাত জাৰ্মান গল্পকাৰ ফ্ৰানজ কাফ্কা (১৮৮৩-১৯২৪)ই অগতানুতিক ব্যাখ্যাৰে মানৱীয় মনক ৰোমাঞ্চিত কৰিলে। বিক্ষিপ্ত চিন্তা আৰু আদৰ্শৰে গল্পবোৰ ('দি গ্ৰেট ৱাল অব চাইনা', 'ইন দি পেনাল কলনি', 'মেটামৰফচিছ' ইত্যাদি) আধুনিকতাৰ উপলব্ধিযোগ্য হৈ উঠিল। জটিল ৰচনা ৰীতিৰে টমাছ মেনৰ দৰে জীৱনৰ অভিজ্ঞতাৰ সূক্ষ্মতাক পৰ্যবেক্ষণ কৰি গল্প ৰূপ দিয়া উইলিয়াম ফকনাৰ (১৮৯৭-৬২)গল্পত প্ৰতীকৰ ব্যৱহাৰো মন কৰিবলগীয়া (দ্য বিয়াৰ) । বাস্তৱ ঘটনাৰ সংযোগ কৰিবলৈ প্ৰতীকৰ সঘন প্ৰয়োগ আৰু আপেক্ষিক অসংলগ্ন ঘটনা প্ৰৱাহে গল্পৰ নিৰ্মাণক জটিল কৰি তুলিছে।

আনহাতে বাস্তৱমুখী দৃষ্টিভংগীৰে জীৱনৰ সৰু বৰ

ঘটনাকলৈ কৌশলেৰে গল্প ৰচনা কৰিছে হেমিংওৱে (১৮৯৮-১৯৬১)ই। কথ্য ভাষাৰ ব্যৱহাৰৰ ক্ষেত্ৰত হেমিংৱেৰ যথাৰ্থতা আন গল্পকাৰৰ তুলনাত অধিক। উৎকণ্ঠা তেওঁৰ গল্পত প্ৰৱাহিত হৈ থাকে। মানসিক দ্বন্দ্ব (দি গ্ৰোছ অৱ কিলিমাঞ্জাৰো)ৰে অন্তৰ্জগতৰ অসংযত নানা চিন্তা-চেতনাক গল্পৰ প্ৰকাশ কৰিছে। সংঘাতৰ আৰু মন আৰু মগজুৰ দ্বন্দ্ব; দৈৰৰ সৈতে মানুহৰ সংঘাত, জীৱনৰ নিৰৰ্থকতা যিদৰে আছে একেদৰেই সবল, ইতিবাচক আশাৰ সঞ্চাৰো গল্পত বাস্তৱমুখীকৈ বৰ্ণিত হৈছে। ফৰাচী গল্পকাৰ জ্যা পল ছাৰ্ট্ৰে (১৯০৫-৮০) ৰ গল্পত প্ৰতিভাত হৈছে আধুনিক জীৱনৰ জটিল সমস্যা। ছাৰ্ট্ৰৰ অস্তিত্ববাদী দৰ্শনে নাটক; উপন্যাস আৰু গল্প সকলোতে ধৰা দিছেহি। *নজিয়া, দ্যা ৱাইছ্, দ্যা এজ অব ৰিজন, দ্যা ডেভিল এণ্ড দ্যা গুড লৰ্ড*ত জীৱনৰ মুক্ততা, বাহ্যিক আচৰণ আৰু স্বকীয় ক্ৰিয়া-কৰ্মৰ পৰিণামৰ অন্তৰালৰ জীৱন, অস্তিত্ব পোহৰলৈ আহিছে। কাণ্টৰ মানসিক বিশ্লেষণ আৰু হেগেলৰ ক্ৰমবিকাশৰ ভাৱৰ সংমিশ্ৰণৰ ছাৰ্ট্ৰৰ ব্যক্তিত্ব আৰু অস্তিত্বৰ প্ৰশ্ন গঢ় লৈছে। ঈশ্বৰহীন পৃথিৱীত মানৱ প্ৰকৃতিৰ মুক্ততা, আদৰ্শহীনতাৰে সত্যকো মানসিক অৱস্থা বুলি প্ৰতিষ্ঠা কৰিছে। জটিল মানৱীয় মানসিক সংঘাত (দি চাইল্ডহুড অৱ এ লীডাৰ)ৰ মনোবৈজ্ঞানিক বিশ্লেষণ, ব্যক্তিৰ আপোন চেষ্টাৰে নিৰৰ্থক পাৰিপাৰ্শ্বিকতাৰ মাজত অৰ্থ নিৰ্ণয় কৰাৰ চেষ্টা গল্পত দেখা যায়। 'ইণ্টিমেছি', 'দি ৰূম' জটিল মানৱ মনৰ স্বাভাৱিক প্ৰকৃতিৰ কৌশলী প্ৰকাশ। আধুনিক জগতৰ চিন্তাধাৰা আৰু তাৰে উদ্ভৱ সমস্যাৰ প্ৰতি ছাৰ্ট্ৰৰ সচেতনতা গল্পত প্ৰকাশ পাইছে। বাস্তৱতাৰ লগতে ৰচনাৰ সম্মোহনীয়তাৰ সাংগীতিক লয়ত ছাৰ্ট্ৰৰ গল্পই জীৱনৰ খণ্ডগত বিশ্লেষণ কৰিছে। আধুনিক জগতৰ চিন্তাধাৰা আৰু তাৰ সমস্যাৰ প্ৰতি অনুৰাগ, ফৰাচী গল্পকাৰ আলবেয়াৰ ক্যেমুৰ (১৯১৩-১৯৫৯) ৰ গল্পৰ বৈশিষ্ট্য। দ্বিতীয় মহাযুদ্ধৰ পিছৰ সমস্যাৰ ওপৰত সাহস, বিশ্বাস আৰু দাৰ্শনিক চিন্তা প্ৰকাশ কৰিছে কেমুৱে। ব্যক্তি স্বাধীনতাৰ ওপৰত আস্থাই ক্যেমুক অস্তিত্ববাদীমূলৰ সৈতে সাঙুৰিছে। জাগতিক বিক্ষিপ্ত, অসংলগ্ন পদাৰ্থৰ সৈতে ব্যক্তিৰ ঐক্য বিচাৰ আৰু তাৰ ব্যৰ্থতাৰ বাস্তৱ স্বৰূপ গল্পত প্ৰমাণিত হৈছে। বৰ্ণনা আৰু মানসিক বিশ্লেষণ সৰলকৈ প্ৰকাশ কৰিছে কেমুৱে (দ্যা গেষ্ট, দ্যা ফল, দ্যাএডাল্ট্ৰাছ ওমেন) মানৱ মনৰ গভীৰতম অনুষংগ তেওঁৰ গল্পত পৰিস্ফুত। কিপলিঙ(১৮৬৫-১৯৩৬)ৰ গল্পবিলাক জেমচতকৈ ৰবাৰ্ট লুই ষ্টিভেনচন (১৮৫০-১৮৯৪) আৰু এইচ জি ৱেলচ (১৮৬৬-১৯৪৬)ৰ ওচৰ চপা। কিপলিঙৰ 'মেৰী পোষ্টগেট' বা 'দ্যা উইচ হাওচ'ৰ দৰে গল্প ৰহস্যময়; ইংগিতময়তা আৰু প্ৰতীকী দিশৰ পৰা ৰীতিগত আধুনিকতাবাদী আৰু আগৰ স্তৰৰ গল্প 'মিছেছ বাথুষ্ট' আদিক আধুনিকতাৰ কলা-কৌশলৰ আওতাত আনিব পাৰি।

আনহাতে ডি এইচ লৰেঞ্চৰ 'দি ভাৰ্জিন এণ্ড দি জিপচী' ,'লেডী চেটাৰলীজ লাভাৰ'; 'ৰকিং হৰ্চ উইনাৰ' প্ৰভৃতি গল্পত নিম্নবৰ্গৰ মানুহৰ চৰিত্ৰই সন্মানীয় শ্ৰেণীৰ জীৱনৰ প্ৰণালী পৰিৱৰ্তন আৰু আদিম যৌন প্ৰবৃত্তিৰ প্ৰতি আসক্তি অপূৰ্ব আগ্ৰহেৰে প্ৰকাশ কৰিছে। ক্লাছিক যথাৰ্থবাদী পৰম্পৰাৰ মানৱ স্বৰূপৰ অনিবাৰ্য স্থিৰতাক লৰেঞ্চে তাৰ বিপৰীতে অস্থিৰ আৰু বহুক্ষেত্ৰত তৰল হিচাপে গল্পত প্ৰকাশ কৰিছে। কেথৰিন মান্সফিল্ড (১৮৮৮-১৯২৩)ৰ *ব্লিছ আৰু অন্য গল্প* (ব্লিছ এণ্ড আডাৰ ষ্টৰিজ্)ৰ 'ব্লিছ' গল্পত মানৱীয় ইচ্ছা আৰু যৌন অৱদমন ক্ৰীড়াসুলভতাৰে ৰূপায়িত হৈছে।

গল্পৰ বিকাশ বিচাৰ কৰিলে দেখা যায়, ই কাহিনী কথনৰ শিল্পৰ বিকাশেই নুবুজায়, বৰঞ্চ মূৰ্ত কৰে শব্দৰ জ্ঞান আৰু তাক প্ৰয়োগৰ দক্ষতা। হাজাৰ বছৰ আগৰ কাহিনীকাৰৰ তুলনাত বৰ্তমান প্ৰায় গল্পকাৰেই দক্ষ কাহিনী নিৰ্মাতা এইকাৰণেই যে তেওঁলোকৰ ওচৰত প্ৰকাশৰ ক্ষমতাৰ উন্নততৰ সৰঞ্জাম মজুত আছে (Lawrence276)।

১৮৭০ ৰ পৰৱৰ্তী প্ৰজন্মৰ পাঁচগৰাকী গল্পকাৰৰ প্ৰভাৱ আছিল অতি প্ৰখৰ। অলফ'ন্স ডুডেট (১৮৪০-৯৭), ৰুডায়াৰ্ড কিপলিং (১৮৬৫-১৯৩৬), ৰবাৰ্ট লুই ষ্টিভেনচন (১৮৫০-৯৪), ফ্ৰাংক আৰ ষ্টকটন আৰু ছাৰ আৰ্থাৰ কুইলাৰ (১৮৬৩-১৯৪৪) - এওঁলোক প্ৰতিভা প্ৰণালীৰ মাজতেই আবদ্ধ নাছিল। যথাৰ্থ কাহিনী আৰু কল্পনাৰ গল্প আছিল সেইবোৰ। নাটকীয় বা কৌতূহলীভাৱে নিৰপেক্ষ আৰু আৰু অব্যৰ্থ ৰূপ গল্পবোৰত প্ৰকাশ পাইছে।

জৰ্জ লুকাচে আধুনিকতাৰ এটা নিৰ্দিষ্ট বিশেষত্ব হিচাপে অস্তিত্বৰ অৰ্থহীনতাক কলাত্মক ৰূপত উন্নীত কৰা, আত্মসচেতনতাৰ মাধ্যমেৰে বোধৰ আৱশ্যকতাক গল্পত প্ৰকাশ কৰিছে। চাৰ্লচ বডলেয়াৰে আধুনিকতাক ক্ষণিক, পলাতক, অনিশ্চিত, কলাৰ শাশ্বত আৰু নিত্যৰ আধা অংশ বুলি অভিহিত কৰিছে। যদি আধুনিকতা অবিশ্বস্ত, স্থায়ী বিষয়বস্তুহীন আৰু অৰ্থৰহিত; তেন্তে শিল্প সাহিত্যৰ অৰ্ধ বিচ্ছিন্নতাক কিদৰে পুনৰ সংযোগ কৰা যায়? বডলেয়াৰৰ মতে ইয়াৰ এটা সমাধান হৈছে— 'স্মাৰক শিল্প'ৰ এটা ধৰণ। দৃষ্টিত বিবৰ্ণ হৈ পৰা বস্তুৰ অপৰিহাৰ্য ৰূপৰেখা আয়ত্ত কৰাটো। এই পদ্ধতিত কেৱল

লেখাৰ কাৰণে এটা নতুন শৈলীৰ প্ৰয়োজনীয়তাই নহয়, বৰঞ্চ নতুন ফৰ্ম গ্ৰহণো সম্ভৱ, য'ত চুটিগল্পও অন্যতম আছিল (Back57)।।

১৮৫৭ চনত বডলেয়াৰ আৰু গুস্তাভ ফ্লৱেয়াৰে তেওঁলোকৰ ক্ৰমে *দি ফ্লাৱাৰ অব ইভিল* আৰু *মাডাম ব'ভেৰী* প্ৰকাশ কৰে। ফ্লৱেয়াৰৰ উপন্যাসখন 'এখন শূন্যতাৰ কিতাপ', 'বাহ্যিকতাৰ ভিত্তিৰহিত' এখন গ্ৰন্থৰ সফল সম্পৰীক্ষা আছিল। শৈলীৰ শক্তি একত্ৰিকৰণৰ মাধ্যমেৰে ই পাঠক সমাজত সৰ্বাত্মকভাৱে গৃহীত হৈছিল। ফ্লৱেয়াৰৰ *থ্ৰি টেলচ্*ৰ কাহিনীও সমানেই প্ৰভাৱশালী আছিল। আৰম্ভণিৰ 'এ চিম্পল হাৰ্ট' আছিল সংকলনটিৰ আটাইতকৈ প্ৰখ্যাত গল্প। গল্পটিত এগৰাকী গৃহ পৰিচাৰিকাৰ ভক্তি আৰু কামৰ প্ৰতি থকা নিষ্ঠা আৰু পবিত্ৰ আত্মাৰূপী ভাটৌৰ প্ৰতি মৰম বৰ্ণিত হৈছে।

ভিক্টোৰীয়ান পৰম্পৰাৰ সৰ্বজ্ঞ কথকৰ বিপৰীতে মাডক্স ফৰ্ডে, যুক্তিসাপেক্ষে বিষয়গত অভিজ্ঞতাৰ সত্যতাৰ ওচৰ চাপিছিল, তেওঁৰ প্ৰতীক চৰিত্ৰই যি জানে বা অনুভৱ কৰে তাক ধ্যান দি; ফৰ্ডৰ বিখ্যাত উপন্যাস *ডি গুড চ'লজাৰ*-ৰ অবিশ্বস্ত কথকৰ দৰেই। ষ্টিফেন ক্ৰেনৰ *দি অপেন ব'ট*ৰ বিভিন্ন দফাৰ প্ৰতীতিবাদী তত্ত্ব চুটিগল্পৰ বিশেষ সহায়ক হৈ পৰিছিল। ক্ৰেনে তেওঁৰ পাঠকক সান্ত্বনাৰ প্ৰতিলেপনৰ বিশেষ স্থিতিৰ পৰা আনি তেওঁৰ মুখ্য চৰিত্ৰৰ স্থানত ৰখাৰ দৰেই চৰিত্ৰৰ অভিজ্ঞতাবিলাকককহে কেৱল বৰ্ণনা কৰিছিল।

সাহিত্যিক পৰম্পৰা আৰু নতুন উদীয়মান পঠন সাংস্কৃতিক পৰম্পৰাৰ পুৰ্নৰ্নিৰ্মাণৰ সূচনাৰে প্ৰতীতিবাদ আধুনিকতাবাদৰ বিকাশৰ অন্যতম স্তৰ আছিল। *দি ইংলিচ ৰিভিউ*ৰ সম্পাদক হিচাপে ফৰ্ডে লিবীচ প্ৰভৃতি এদল নতুন সাহিত্যিকক প্ৰভাৱিত কৰিছিল, তেওঁলোকে প্ৰতীতিবাদী সিদ্ধান্তকো অতিক্ৰম কৰিবলৈ উদ্যত হৈছিল। চুটিগল্পত প্ৰতীতিবাদৰ প্ৰভাৱৰ স্থায়িত্ব মনকৰিবলগীয়া। দৃশ্যকলা আৰু সাহিত্যৰ মাজত বিশেষ যোগসূত্ৰ স্থাপনৰ সুযোগ দি প্ৰতীতিবাদে চুটি-গল্প সমালোচনাৰ ভাষালৈ দৃশ্যৰূপকাত্মক এক শৃংখলাৰ পৰিচয় কৰাই দিলে। ইলিন বালদেচউইলাৰ আৰু চুজান ফাৰ্গুচনৰ কাব্যিক সংবেদনশীলতাৰ চমক এই প্ৰসংগত উল্লেখ কৰিব পাৰি। ইয়াৰ বিপৰীতে ইউৰোপীয় বৌদ্ধিকতাত গঢ় লোৱা পাঠকৰ পৰিপ্ৰেক্ষিত দৃষ্টিক কণৰাডৰ 'দ্য টেল' ৰ দৰে গল্পই স্পষ্ট কৰি তুলিলে।

কণৰাড, ক্ৰেণ আৰু ফৰ্ডৰ সৃষ্টিশীলতাৰ সমান্তৰালকৈ ৰুডয়াৰ্ড কিপলিঙৰ হাতত আধুনিকতাই নতুন ৰূপত ধৰা দিলে। ই 'পপুলাৰ মৰ্ডাণিজম' বুলি খ্যাত। ক্ৰেন আৰু হেমিঙৱেৰ দৰেই কিপলিঙেও সাংবাদিকতাৰ প্ৰশিক্ষণ আৰু মোপাছাঁৰ পঠন-পাঠনৰ যোগেদি 'উচ্চ সম্পাদনা' আত্মস্থ কৰিছিল। ফৰ্ডৰ দৰেই কিপলিঙে গল্পত বৰ্ণনাৰ নিৰ্বাচন আৰু প্ৰত্যাখানত বিশ্বাস কৰিছিল। তেওঁৰ গল্পবোৰ আছিল অনাৱশ্যক শিল্পানুগত। পাছলৈ অৱশ্যে কিপলিঙে নিজৰ প্ৰত্যেক গল্প আৰু সামগ্ৰিক গল্পৰ গঠনকলৈ সচেতনহৈ পৰে। আৰম্ভণি কালৰ জনপ্ৰিয় আধুনিক মেজাজে তেওঁৰ গল্পবোৰক গভীৰতা প্ৰদান কৰে। এই প্ৰসংগত 'মেৰী পোষ্টেজ' আৰু 'দ্য উইশ হাউচ' আক্ৰমণাত্মক আৰু অতিপ্ৰাকৃত উপাদানৰ কথা মনলৈ আহে। 'দেস্প্ৰীং মিছাহুনদেলড'ৰ দৰে প্ৰতিশোধৰ গল্পই সুকীয়া মেজাজৰ পৰিচয় দিলে।

১৯১০ চনৰ আণ্টন চেখভৰ গল্পৰ প্ৰথম ইংৰাজী অনুবাদক আধুনিক চুটিগল্পৰ বিকাশৰ গুৰুত্বপূৰ্ণ স্তৰ হিচাপে বিবেচনা কৰা হয়। ইতিমধ্যে ১৯০৪ৰ পৰা ১৯০৭ৰ ভিতৰত জয়চৰ *ডাবলাইনাৰ্চ* ৰ গল্পসমূহ , কেথাৰিন মান্সফিল্ডৰ 'দ্য টায়াৰ্ডনেচ অব ৰ'জাবেল' ৰচিত হৈছে। মান্সফিল্ড আৰু ভাৰ্জিনিয়া উলফৰ চুটি কাহিনীবিলাকত চেখভৰ গল্পৰ আধুনিক সৃষ্টিশীলতাৰ বিশ্বাসৰ প্ৰভাৱ ক্ৰমে গভীৰহৈ আহিবলৈ ধৰিলে। ফ্লৱেয়াৰে গল্পত লেখকৰ বিচ্যুতি আৰু শৈলীগত স্পষ্টতাত জোৰ দিয়াৰ সময়তে, চেখভে চুটিগল্পৰ প্লটৰ পৰিমিত সংকোচনৰ যোগেদি বৈপ্লৱিক পৰিৱৰ্তন আনিলে। 'এ চিম্পল হাৰ্ট', 'দ্য লেদী উইথ দ্য লিটল দগ' ৰ দৰে গল্পৰ কথনশৈলীত নাটকীয়তা, পূৰ্ণতাবোধ উপলব্ধিৰ বিষয় হৈ উঠিছে।

মান্সফিল্ডৰ ঔপনিবেশিক বিষয় স্থিতি, সনাতন খ্ৰীষ্টিয়তা আৰু মধ্যবৃত্ত শ্ৰেণীৰ শৈশৱবোধ অস্বীকাৰ, উভয়কামিতা আৰু অসহজ বন্ধুত্বই এভা-গাৰ্ড সময়চোৱাত তেওঁৰ ব্যক্তিসত্তাক ঢাকি পেলালে। তেওঁৰ ভগ্নসত্তাবোধৰ অন্তৰালত ডৰথী ৰিচাৰ্ডচন আৰু ভাৰ্জিনিয়া উল্‌ফৰ চেতনাস্ৰোত শৈলীৰ প্ৰতি অবিশ্বাস প্ৰকাশ পাইছে (Russell96)। আনফালে মান্সফিল্ডে বিষয় আৰু বস্তুৰ সৈতে কেৱল ব্যক্তিসত্তাৰ চামিলকৰণৰ বাদেও সত্তা নিৰ্মাণৰ সামাজিক সম্বন্ধৰ পাৰস্পৰিক ভূমিকা গল্পত প্ৰকাশ কৰিছে। ৰিচাৰ্ডচন আৰু উলফৰ প্ৰসংগত কোনো অপূৰ্ণ কল্পনাৰ সৈতে ইয়াৰ সহাৱস্থান মন কৰিবলগীয়া। মান্সফিল্ডে 'দ্য মৰ্ডাৰ্ণ চউল' ৰ পৰা 'মিছ ব্ৰিল'লৈকে সমগ্ৰ ৰচনাৰাজিত ব্যক্তি সত্তাক এক ভ্ৰম হিচাপে ব্যংগ কৰিছে। সত্তাই

ব্যক্তিনিষ্ঠতাক বিভ্ৰান্ত আৰু কাৰাৰুদ্ধ কৰে বুলি মান্সফিল্ডৰ বিশ্বাস। সমালোচক ফুলব্ৰুকে সেয়ে মান্সফিল্ডক 'কঠিন আৰু গভীৰতম আধুনিকতাবাদীসকলৰ অন্যতম' বুলি অভিহিত কৰিছে (Russell 97 ত উদ্ধৃত)।

মান্সফিল্ড আৰু উইণ্ডহাম লিৰীচৰ ৰচনাৰ মাজত এক ধৰণৰ অদ্ভুত মিল আছে, সেয়া হৈছে- সত্তাৰ ভাস্কৰ্যসুলভ চেতনা আৰু সত্তাৰ মাজৰ দোদুল্যমানতা। আধুনিকতাৰ বিপৰীতে, ফৰ্ড আৰু ওল্‌ফৰ দৰে লিৰীচেও এক জটিল, বস্তুবাদী আৰু বাহ্যিক কলাৰূপৰ অন্বেষণ কৰিছিল, যাক বিচ্ছিন্নতাৰ সৈতে পৃথক বিষয় হিচাপে চাব পাৰি। লিৰীচে গল্পত হাস্যৰসৰ বিশেষ ভূমিকাৰে নান্দনিকতা নিৰ্মাণ কৰিছিল (Russell 97)।

লিৰীচক যদি আধুনিকতাবাদী চুটিগল্পৰ ইতিহাসৰ এক পৰিব্ৰাজক বুলি ধৰা হয়, তেন্তে গাৰ্ট্ৰুড ষ্টেইন আছিল ইউৰোপীয় আৰু আমেৰিকান আধুনিকতাৰ বিনিময়ৰ আটাইতকৈ প্ৰভাৱশালী ব্যক্তি। তেওঁৰ প্ৰথম সংকলন *থ্ৰী লাইভচ* উত্তৰ প্ৰতীতিবাদী শিল্পী পল চেজান আৰু মাটিছৰ শিল্পকৰ্মৰ দ্বাৰা অনুপ্ৰাণিত। আকৌ হেমিঙৱেৰ বাহ্যিক পদ্ধতি আছিল আন গল্পকাৰসকলৰ পৰা পৃথক। লিৰীচৰ শৈলীয়ে ব্যক্তিৰ ভণ্ডামিৰ উদ্ভটতা প্ৰকাশ কৰিছিল; হেমিঙৱেৰেই ব্যক্তিমনৰ অপ্ৰকাশিত দুদৰ্শাৰ আৱেগৰ মেটাফৰ প্ৰকাশত ব্যস্ত হৈ পৰিছিল।

ঊনবিংশ শতিকাৰ আশীৰ আৰু নব্বৈৰ দশকৰ আধুনিক চুটিগল্পৰ উত্থানে, আধুনিকতাবাদৰ সৈতে সম্পৰ্কিত নতুন কাহিনী বিকাশৰ মৌলিকতাৰ ইংগিত বহন কৰিছে। আধুনিকতাবাদী সাহিত্যত প্ৰকাশিত সাধাৰণ বিচাৰৰ জগত আৰু চুটিগল্পৰ অন্তৰ্ৱৰ্তী ক্ষমতা প্ৰকাশৰ নতুন ৰীতিৰ সম্পৰ্ক আছে। সাহিত্য, ইতিহাসৰ গুৰুত্বপূৰ্ণ বিচাৰ আৰু বিংশ শতিকাৰ কল্পকাহিনী নিৰ্মাণৰ ভূমিকা নিৰ্ণয়- এই অটাইবোৰৰ মাজৰ সম্পৰ্ক অনুসন্ধান. আধুনিকতাবাদী সমালোচকৰ দ্বাৰা প্ৰায়ে উপেক্ষিত হৈ আহিছে। বিংশ শতিকাৰ ঘটনা প্ৰবাহৰ অভিজ্ঞতাক ধৰি ৰখাৰ ক্ষমতা চুটিগল্পত আধুনিকতাবাদী সাহিত্যই উদ্‌ঘাটন কৰিছে।

ঊনবিংশ শতিকাৰ শেহৰ ফালে, আকৌ বিংশ শতিকাৰ চতুৰ্থ দশকৰপৰা চুটিগল্পই পূৰ্বৰ নিতোল ৰূপ পৰিহাৰ কৰি আধুনিক কবিতাৰ দৰেই 'কূট আৰু ৰহস্যময়' হৈ উঠিল (বৰা ০.১১)। চুটিগল্পই ছদ্মৱেশী প্ৰবন্ধৰ ৰূপ লৈছে। সৌন্দৰ্য্য কাহিনী, চৰিত্ৰ অথবা পৰিমণ্ডলহীনতাৰে গল্প পুষ্ট। চৰিত্ৰৰ প্ৰভাৱৰহিত সুতীক্ষ্ণ বৌদ্ধিক মেজাজ, কেতিয়াবা গাঁথনিৰহিত চৰিত্ৰৰ ৰূপায়ণ আৰু মনোবিশ্লেষণধৰ্মীহে আধুনিকতাক প্ৰকাশি তুলিলে ।

অসমীয়া চুটিগল্পক পৰম্পৰাৰ পৰা আঁতৰাই আনি নতুন আয়তন প্ৰদান কৰা গল্পকাৰসকলৰ অন্যতম অপূৰ্ব শৰ্মাৰ গল্পত আধুনিকতা ভাৰঘন ৰূপত প্ৰকাশ লাভ কৰিছে। সৌৰভ কুমাৰ চলিহাৰ পৰৱৰ্তী আধুনিক অসমীয়া গল্পকাৰৰ নিজস্ব শৈলী নিৰ্মাণৰ প্ৰচেষ্টা অপূৰ্ব শৰ্মাৰ গল্পত আমি পাওঁ। সৌৰভ চলিহাই বাট কাটি দিয়া আধুনিক চেতনাৰ নতুন অসমীয়া গল্পৰ ধাৰাটোক পৰৱৰ্তী কালৰ গল্পকাৰ দুই-এজনক বাদ দি প্ৰকৃত আশানুৰূপ বিস্তৃতি প্ৰায় গল্পকাৰৰ পক্ষতেই সম্ভৱ হৈ নুঠিল। মহিম বৰা আৰু হোমেন বৰগোহাঞিৰ নিৰ্দিষ্ট কিছু গল্প বাদ দি আন গল্পকালসকলৰ গল্প জাতীয় চৰিত্ৰ আৰু মধ্যবিত্ত সমাজৰ পৰিসীমাত খোদিত হৈ থাকিল। আধুনিক দৃষ্টিভংগীৰে জাতীয় চৰিত্ৰৰ সীমাবদ্ধতাক অতিক্ৰম কৰিবলৈ অসমীয়া গল্পই অপূৰ্ব শৰ্মাৰ আগমনলৈ বাট চাব লগা হ'ল (বৰকটকী০.২৩)। মন কৰিবলগীয়া কথা আছিল যে, অপূৰ্ব শৰ্মাৰ হাতত চলিহাৰ দ্বাৰা উন্মোচিত এই আধুনিকতাই নগৰকেন্দ্ৰিক পাৰিপাৰ্শ্বিক আলোড়নৰ সীমা চেৰাই গ্ৰাম্য মনৰ অন্তৰ্লীন চেতনাক জোকাৰি চাবলৈ উদ্যত হ'ল। উপেন্দ্ৰ নাথ শৰ্মাই কিন্তু অপূৰ্ব শৰ্মাৰ গল্পৰ পৰ্যবেক্ষণৰ সত্যতা আৰু প্ৰকাশভংগীৰ বলিষ্ঠতাই জনপ্ৰিয় কৰি তোলা বুলি মত পোষণ কৰিছে (শৰ্মা *চুটিগল্প* ৪৭৫)।

মহানাগৰিক জটিলতাৰ পৰা দূৰৈত অৱস্থিত গ্ৰাম্য জীৱনৰ অপৰূপ ভংগীমা, গ্ৰাম্য জীৱনচৰ্যাৰ বিচ্ছিন্নতাবোধ অপূৰ্ব শৰ্মাৰ গল্পত আধুনিক মননেৰে প্ৰকাশ পাইছে। ঘটনাৰ ৰহস্যঘন সন্মোহনৰ প্ৰতি শৰ্মাৰ আগ্ৰহ বেছি আৰু সেয়া গল্পত চলচ্চিত্ৰীয় ৰীতিৰে উপস্থাপিত হৈছে।। এইখন অসমক উপেক্ষা কৰি আধুনিক চেতনাৰে যে বহুমাত্ৰিক গল্প নিৰ্মাণ নহয়- সেয়া অপূৰ্ব শৰ্মাই ভালদৰেই বুজি উঠিছিল। নগৰমুখী চিন্তা-চেতনাতকৈ গ্ৰাম্য চেতনাৰ প্ৰতি আকৃষ্ট মনোভাৱ শৰ্মাৰ গল্পই বহন কৰে। ঐতিহ্য চেতনা আৰু বহুমাত্ৰিক মানুহৰ পটভূমি গ্ৰাম্য-চহৰৰ সমধৰ্মী উপস্থাপনে শৰ্মাৰ গল্পক আন এক আধুনিক আয়তন প্ৰদান কৰিছে।

বাঘে টাপুৰ ৰাতি' গল্পত প্ৰকৃতিজ্ঞান আৰু সত্তা সচেতনতাৰ সহচৰ্যত বিচিত্ৰ জীৱনবোধ আৰু সম্ভাৱনা প্ৰকট হৈছে। ৰহস্যময়, নাৰী অস্তিত্বৰ গতিময় প্ৰতীক, সংঘাত আৰু দ্বন্দ্বগত অৱস্থানৰ বৰ্ণনা অতি ইংগিতধৰ্মী হৈ উঠিছে। বাঘে টাপু শংকিত মানৰ অস্তিত্বৰ বাৰ্তাবাহী প্ৰতীক। এই শংকা গভীৰ আশাবাদেৰে প্ৰতীক। "গোটেই আৱৰি থকা কিবা এটা মোহ,

মোহৰ মাজতো যেন ক'ৰবাত অকণমান ভয়, ভয়ৰ মাজতে জীয়াই থকাৰ এৰাব নোৱৰা টান— এইবোৰৰ মাজত এটা দিন কটাই উঠি আৰু এটা দিনলৈ ৰৈ থকা, এয়ে বাঘে টাপুৰ জীৱন" (শৰ্মা *বাঘে* ১১১)।

'অন্ধকাৰৰ আলাপ' শৰ্মাৰ গভীৰ প্ৰত্যাশা আৰু আশা ভংগ বিশ্লেষণৰ গল্প। বিমান, অৱনী আৰু সুপ্ৰভাৰ কথা-বাৰ্তা আৰু যুক্তিয়ে দেশ-কাল-ব্যক্তিৰ বহুবোৰ দিশৰ প্ৰতি ইংগিত বহন কৰিছে। অৰ্থ, মানৱীয়তা, সমাজ আৰু ব্যক্তিৰ যুগপৎ সামঞ্জস্য আৰু সামঞ্জস্যহীনতাৰ চিন্তা-চেতনাই বিমান চৰিত্ৰৰ মনোজগতৰ যৌক্তিক বিশ্বাসক পুনৰ জগাই তুলিছে আৰু তাৰ বিপৰীত মেৰুত শুপ্ৰভা আৰু অৱনীৰ জীৱনবোধক থিয় কৰাইছে। গল্পটো দেশ-কালৰ বাস্তৱ চিন্তাধৰ্মী যদিও চৰিত্ৰৰ সত্তা আৰু অস্তিত্বৰ সৈতে আত্মবোধৰ গভীৰতাৰে স্পন্দিত হৈছে। বিমানৰ চিন্তা-চেতনাই গ্ৰাম্য জীৱনবোধৰ প্ৰতি এক নতুন আশা আনি দিছে ঃ

> মই য'ত আছোঁ, একেবাৰে ভিতৰুৱা গাঁও , দৰিদ্ৰ, জীৰ্ণ এজাক মানুহ। সিহঁতে নাজানিছিল যে সিহঁতৰ অভাৱ আছে। অভাৱবোধৰ অভাৱত সিহঁতে দাৰিদ্ৰক স্বাভাৱিকতা বুলি লৈছিল। অন্যায় বা অবিচাৰক সিহঁতে ভগৱানৰ কোনো দুৰ্বোধ্য বিচাৰৰ শাস্তি বুলি শিৰোধাৰ্য কৰিছিল। মই লাহে লাহে সিহঁতৰ বিশ্বাসবোৰ ভাঙি দিব খুজিছোঁ" (শৰ্মা *শুভবাৰ্তা* ৬৬)।

— তাৰ বিপৰীতে সুপ্ৰভা আৰু অৱনীৰ 'শুদ্ধকৈ ভুলবোৰ কৰাৰ' আগ্ৰহ আৰু বিমানৰ অনুপস্থিতিয়ে আনি দিয়া শূন্যতাবোধৰ অন্তৰালতেই গল্পটোৰ আভ্যন্তৰীণ অৰ্থ প্ৰতীক হৈছে ঃ "চাৰিওফালে ৰাতিপুৱাৰ নিৰ্জীৱতা, ল'নৰ দুইফালে গন্ধহীন নিষ্ঠুৰ বিদেশী ফুলৰ চমক। সমগ্ৰ পৰিৱেশ এক শ্বাসৰোধকাৰী শূন্যতাৰে বোবা। বাৰাণ্ডাৰ কঠিন মজিয়াত সিহঁত দুয়ো চিত্ৰাৰ্পিত মূৰ্তি হৈ থিয় দি ৰ'ল (শৰ্মা *শুভবাৰ্তা* ৬৬)।

শৰ্মাৰ গল্পবোৰত তীব্ৰ ব্যঞ্জনা আৰু প্ৰতীকেৰে অসাধাৰণ অৰ্থ নিৰূপণ কৰিছে। মানৱীয় মনোজগতৰ বৈচিত্ৰ্য চিত্ৰণো কৌশলী। 'অকাল বসন্ত' গল্পত অখিলৰ মানসিক অৱস্থা আৰু চৌপাশৰ পাৰিপাৰ্শ্বিকতাৰ পৰা নিসৃত অশান্তিময়তাক (শান্তিৰ ঠাই বিছনাৰ) মহৰ কামোৰৰ সৈতে ৰিজাইছে।

'বাহিৰলৈ যোৱাৰ বাট' শৰ্মাৰ আন এটি দীঘল গল্প; ইয়াৰ আয়তনৰ সৈতে দ্বীজেন নামৰ ব্যক্তিজনৰ প্ৰাত্যহিকতা আৰু মনোজগতৰ বিক্ষিপ্ত চিন্তা সংযুক্ত হৈছে। গোটেই গল্পটোত দ্বীজেনৰ মনোজগতৰ আৰহত বাজি ৰোৱা কিছুমান চিনাকি-অচিনাকি কণ্ঠস্বৰ, কোলাহল আৰু এক অভ্যাগত চৰিত্ৰৰ স্বপ্নময় অৱস্থিতি আৰু সেইবোৰৰ সৈতে ওপৰৰ চাদৰ দুৱাৰৰ চাবি বিশেষ প্ৰতীক হিচাপে প্ৰকাশ পাইছে । অন্তৰ্জগতৰ ক্ৰিয়া-প্ৰতিক্ৰিয়াত নিজৰ অস্তিত্ব আৰু অনামী ৰোগ এটাত দ্বীজেনৰ সত্তাৰ উপস্থিতি লক্ষ্যকৰা যায়। এই অন্বেষণৰ ধাৰাবাহিকতাত মানীয়ে বিশেষ চিন্তা প্ৰকাশ কৰিছে যদিও দ্বীজেন আশ্বস্ত হ'ব পৰা নাই । ঈশ্বৰৰ ফালৰ পৰাও কোনো ধৰণৰ সঁহাৰি বা প্ৰতিক্ৰিয়া দেখা নাপাই চেতনাৰ পৰাই সি ঈশ্বৰক সম্পূৰ্ণৰূপে নিৰ্বাসন দিছে ঃ

> ফ্ৰিজৰ ওপৰত এখন যীশুৰ ছবি ঃ দেৱদূত নহয়, ঈশ্বৰৰ পুত্ৰ নহয়, দীঘল চুলি জোঙা নাক, গভীৰ দৃষ্টি, ক্ষীণ, ক্লিষ্ট, কিন্তু ক্ষমাসুন্দৰ মুখেৰে বগা চোলাৰ ওপৰত ৰঙা এখন চাদৰেৰে এজন মানুহৰ মাজৰ নিঃসংগ মানুহ। অজাতি গাঁৰত জন্ম, নিৰীহ কাঠমিস্ত্ৰী। ঘৰ, পৰিয়াল, পদবী বা পৰিচয় একোৱেই নাই; কিন্তু তেত্ৰিছ বছৰ বয়সতে তেওঁ অৰ্জন কৰিব পাৰিলে মানুহৰ শত্ৰুতা। কাৰণ তেওঁ মানুহক প্ৰেমৰ কথা শিকাবলৈ আৰম্ভ কৰিছিল" (শৰ্মা *শুভবাৰ্তা* ৭৪)।

শৰ্মাৰ 'বাহিৰলৈ যোৱাৰ বাট' গল্পত দ্বীজেন চৰিত্ৰটোৰ মানসিক স্থিতিয়ে আধুনিক মনন-চিন্তনৰ গভীৰ দুৰ্বোধ্যতা, অনাহুত প্ৰত্যাশা, অনিশ্চিত অপেক্ষা আৰু অনিশ্চয়তাৰ এক অভেদ্য দুৱাৰ মুকলিৰ ইংগিত বহন কৰিছে। যি দুৱাৰৰ তলাৰ চাবি বিচাৰি দ্বীজেনে হাহাকাৰ কৰি ফুৰিছে। এই অনিশ্চয়তা প্ৰাত্যহিক জীৱনবোধৰ পৰা ওলোৱা ঃ

> এই যে দ্বীজেন কুমাৰ ভট্টাচাৰ্য, নাম ফলকত লেটাৰ হেডত, কিতাপৰ বেটুপাত বা মুখপৃষ্ঠাত যি ডি. কে. ভট্টাচাৰ্য, বন্ধু-বান্ধৱ, আত্মীয় স্বজনৰ মুখত ভট্ট, ভট্টাচাৰ্য, দ্বীজেন, দ্বীজু আদি বিভিন্ন ৰূপৰ বিভিন্ন ব্যক্তিত্ব; কোন এইজন? অৱশ্যেই তেওঁ এজন ভদ্ৰলোক, বিনীত আইন অনগত নাগৰিক; তেওঁ ৰাজপথত বাওঁফালে খোজ কাঢ়ে, ইন্‌কাম্ টেক্স ৰীটাৰ্ণ আৰু ৰেশ্যন কাৰ্ডত শুদ্ধ হিচাপ দিয়ে, ৰেডিঅ' লাইচেন্স নিয়মিত ৰিনিউ কৰে, ৰাজহুৱা ঠাইত থুই নেপেলায়, মানুহৰ ঘৰত

সোমাওতে-ওলাওতে গেট বন্ধ কৰি যায়,
কেতিয়াও ডাঙৰকৈ ৰেডিঅ’ বা ষ্টেৰিঅ’ নবজায়”
(শৰ্মা *শুভবাৰ্তা* ১১০)।

— ইমান নিয়মমাফিক জীৱনৰ গতি, ইমান স্বচ্ছলতাৰ ভিতৰতো মানুহৰ ‘নিজস্ব বুলি’ কিছু ৰৈ গৈছে, যাৰ সন্ধানত দ্বীজেন বাৰে বাৰে ওলাই যাব খুজিছে; মুক্ত হ’ব খুজিছে; ভিতৰৰ পৰা দ্বীজেনে উপলব্ধি কৰিছে বাহিৰৰ আচহুৱা এখন জগত ! (যাৰ প্ৰতি দ্বীজেনৰ ইমান আকৰ্ষণ)। “বহু মানুহৰ যন্ত্ৰণা, ক্ৰোধ, বিক্ষোভ আদি সমবেত কথোপকথন; তৰ্ক-বাদ-প্ৰতিবাদ, দাবী-ধমকিৰ মাজেদি যেন একেলগ হৈ বাগৰি আহিছিল। শব্দটো চাদৰ দুৱাৰখনেদি অহা যেন লাগিছিল। সি অস্থিৰ হৈ উঠিল, খোজকাঢ়ি কোঠাটোত ঘূৰি পুনৰ বহিল” (শৰ্মা *শুভবাৰ্তা*২২০)।

দ্বীজেনৰ চিন্তাৰ সীমাহীন বিস্তাৰ, অতীত আৰু নিজৰ অস্তিত্বৰ প্ৰতি থকা আকুলতাই এক বিমূৰ্ত পৰিৱেশ ৰচনা কৰিছে গল্পটোত। দ্বীজেনৰ মানসিক জগতৰ পৰাই শৰ্মাৰ গল্পৰ আধুনিক চিন্তা ইংগিত পাওঁ। তলাৰ চাবি, অভ্যাসগত চকুৰ আগত সঘনে ধৰা দি থকা এক ল’ৰাৰ ছায়ামূৰ্তি গল্পটোত বিশেষ প্ৰতীক হিচাবে ব্যৱহৃত হৈছে। মনোজগতৰ এনেবোৰ আচহুৱা চিন্তা প্ৰকাশৰ বাবে শৰ্মায়ো এক মনোদশা নিৰ্ভৰ ভাষা, গভীৰতাৰে আমদানি কৰিছে । আত্ম-মেজাজী ৰহস্যৰ ওৰ পৰিছে গল্পটোৰ শেষৰফালে যেতিয়া দ্বীজেনে চাদৰ ওপৰলৈ গৈ দেখা পাইছে জনসমুদ্ৰৰ মাজত সেই বিশেষ ল’ৰাটো; অপাৰ্থিৱ জন অৰণ্যত নীলা চাৰ্ট; মলিয়ন পেণ্ট, জীৰ্ণ চেণ্ডেল, জপৰা চুলি; কাষলতিৰ চেপত কাগজৰ নুৰা লৈ চলমান মূৰ্তিবোৰৰ হাতত গুজি দিছে ; যি প্ৰতিদিনে নিঃসংগতাৰ সুযোগ লৈ দ্বীজেনলৈ চাই ভ্ৰূকুটি কৰি অশান্ত কৰি তুলিছে। তাক লগ পোৱাৰ হাবিয়াস দ্বীজেনৰ বাবে সময় আৰু সত্তাৰ সৈতে মানসিকতাৰ এক অনকাংক্ষিত উল্লাস, এক আত্মবিস্মৃত ক্ষণ ঃ

সি আছিল সিহঁতৰ মাজত ঃ তৰ্কত, বক্তৃতাত প্ৰতিবাদ, অনশনত, উত্তপ্ত, অগ্নিবৰ্ষী, বিস্ফোৰণমুখী। সি তাৰ ওচৰলৈ যাব। সি তাক চিনি পাইছে, সি তাক ঘূৰাই পাইছে। তাৰ হৃদয় পাতল হৈ নাচি উঠিল। চাদত থিয় হৈ সি সমুখৰ সেই অলৌকিক বিস্ময় উপভোগ কৰিলে। তাৰ বুকুৰ দুৰ্বহ বোজাটো ক’ৰবাত নামি গ’ল। মত্ত আনন্দত তাৰ কণ্ঠ সৰৱ হৈ উঠিল আৰু উল্লাসত আত্মবিস্মৃত হৈ সি তললৈ জঁপিয়াই পৰিল (শৰ্মা *শুভবাৰ্তা* ১২৪)।

শৰ্মাৰ গল্পত পৰিস্থিতিৰ উপলব্ধি মনোদশা সূচক ভাষাৰ প্ৰয়োগে অনন্য ৰূপ পৰিগ্ৰহ কৰিছে। ‘অসামাজিক’ গল্পত চলচ্চিত্ৰীয় শৈলীৰে দুটা সুকীয়া দৃশ্যপট উপস্থাপনে কাহিনীক একমুখী কৰিছে। ধাৰাবাহিক দৃশ্যপট উপস্থাপনৰ বিপৰীতে ই শৰ্মাৰ আধুনিক কৌশল। গল্পটোত ‘লবো’ৰ মনোদ্বন্দ্ব আধুনিক ভাষাৰে উপস্থাপন কৰা হৈছে ঃ

বহু জ্বালাময় দিন, বহু অস্থিৰ বিনিদ্ৰ ৰাতি যন্ত্ৰণাত
ছট্‌ফটায়, বেদনাই কেঁকায়, অপমানত জ্বলি-পুৰি
বুকুৰ বিতৰত গোট মাৰি থকা গেলা তেজ-পুঁজ
এসোপা আজি ফাটি বাহিৰ হৈ যাব খুজিছে।
বন্ধ হৈ ওফন্দি গুমৰি থকা নদী দিক্‌বিদিক
ভ্ৰূক্ষেপ নকৰি প্ৰচণ্ড গতিত বাগৰি আহিছে।
নিৰ্বিকাৰ কঠিন আস্তৰণৰ তলত টগ্‌বগাই উথলি
থকা আহত হৃদয়ৰ আৱেগ উদ্‌গীৰিত হ’ব
খুজিছে (শৰ্মা *বাঘে* ৫৬)।

সময়ৰ সৈতে সলনি হৈ অহা মানৱীয় প্ৰমূল্য, মানসিক জগতৰ ছবিখন, শৰ্মাৰ ‘বাঘে টাপুৰ ৰাতি’ গল্পত ৰহস্য ভেদ কৰি ওলাই আহিছে। শৰ্মাই চৰম বিশ্বাসহীনতা আৰু হিংস্ৰতাই কোঙা কৰা মানৱীয় চেতনাক পৰ্যবেক্ষণ কৰিছে ঃ

আজিকালি সেই ধৰণৰ (গুলীয়াই পহু মৰা) ৰাতিৰ
চিকাৰত যোৱা নহয়, সময় বা সুবিধা নাই।
আগৰদৰে ভালো নালাগে। আজিকালি মাছ-পহুৰ
চিকাৰ কৰিবলৈ মানুহৰ কমেই যায়, যায়
লাখটকীয়া চিকাৰৰ বাবে গঁড় মৰা চিকাৰী।
এইবোৰ মাছ-পহুৰ চিকাৰতকৈ বেলেগ, মানুহে
মানুহে গুলীয়া-গুলী। ৰহস্যৰ চিকাৰ নহয়—
লোভৰ (শৰ্মা *বাঘে* ১১০)।

বিশালতাৰ মাজত ক’ৰবাত এধানৰ অস্তিত্বৰ উমান গল্পত আছে। ইমান উদাৰতাৰ মাজত কিবা এটাৰ প্ৰতি এধানৰ প্ৰতীক্ষা, এক অনুচ্চাৰিত প্ৰশ্নৰ উত্তৰৰ প্ৰতি, যি অনিশ্চয়তাৰ সমাপ্তিৰ বাবে তাৰ অপেক্ষা। অনিশ্চয়তাতেই, গল্পটোৰ শেষৰফালে ইয়াৰ অন্ত পৰিছে ঃ “দূৰৰ জাতিস্কাৰ আকাশ চাৰিওফালৰ অলৌকিক আন্ধাৰ পৃথিৱী আৰু সিহঁতক বুকুত লৈ বৈ যোৱা জীয়া নৈখনলৈ চকু ফুৰালে। যেন এটা সপোনৰ মাজেৰে সি জী উঠিছে। সি পুনৰ ডাঁৰত হাত দিলে আৰু এটা দীঘল উশাহ লৈ ক’লে— “নেপালেও (সিপাৰ) কোনো কথা

নাই !” (শৰ্মা *বাঘে* ১২৮)

শৰ্মাৰ গল্পৰ চৰিত্ৰবিলাকৰ বাস্তৱবোধ আৰু তিক্ত সময় উপলব্ধি চেতনা প্ৰখৰ। গল্পৰ ব্যাপ্তিৰ লগতে ওলাই অহা চৰিত্ৰবোৰৰ মনোজগতত বাস্তৱে গভীৰ সাঁচ বহুৱাইছে আৰু ইয়ে চৰিত্ৰবোৰক দ্বান্দ্বিক কৰি তুলিছে। ‘মজিয়াত তেজ’ত ডেকা অধ্যাপকে চৌপাশে দেখিছে ঃ “বাহিৰলৈ চকু ফুৰালেই চকুত পোৰণি উঠা বাস্তৱ, দুখোজ ওলালেই বমি আহিব খোজা বতাহৰ দুৰ্গন্ধ, অহৰ্নিশে কলিজা খুঁচি-কাটি যোৱা খবৰ আৰু তেনে অধিক খবৰৰ বাবে অহৰ্নিশে প্ৰতীক্ষা (শৰ্মা *নাগৰিক* ৯)। ৰাষ্ট্ৰ সন্ত্ৰাসৰ বিকট ৰূপ আৰু ব্যক্তি স্বতন্ত্ৰৰ ক্ৰমাৎ পতনৰ দুঃসংবাদ কঢ়িয়াই আনিছে এই গল্পই। ‘তেজ’ আৰু ‘মজিয়া’ এই ব্যঞ্জনা গল্পকাৰৰ সমাজ বাস্তৱ চেতনাৰ সৈতে সম্পৃক্ত। তেখেতৰ প্ৰকাশ এনেধৰণৰ ঃ

> এইটো মোৰ এজন সহকৰ্মীৰ পৰিয়ালৰ গল্প আছিল। প্ৰথম প্ৰপাগনিষ্টজন আছিল তেওঁৰ পৰিয়ালটোৰ। কথাবোৰে মোক অশান্তি দিছিল। কিন্তু দেখিলো ঘটনাটোত গোটেই বিশ্বৰ সাধাৰণ মানুহৰ বাবে সন্ত্ৰাস আৰু প্ৰতিসন্ত্ৰাসে সৃষ্টি কৰা সন্ত্ৰাসৰ বিকট ৰূপ আৰু আশ্ৰয়দাতা ৰাষ্ট্ৰৰ নিৰ্মম ভীষণাকৃতি চেহেৰা এটাও সোমাই আছে (গগৈ ৩৯১ত উদ্ধৃত)।

— মৃত্যু চেতনাৰে জীৱনৰ নিৰুদ্বেগ প্ৰকাশ; তড়ান্বিত হতাশা গল্পত প্ৰকাশ পাইছে। অস্থিৰতাৰ গ্ৰাসত ডেকা অধ্যাপকৰ মানসিক উপস্থিতিৰ বাস্তৱ দৰ্শন স্বপ্নৰ পৰা বহু দূৰ আঁতৰি আহিছে। “অধ্যাপকে নিৰুদ্দেশ হ’ব খুজিও গম পাইছে মনৰ ভিতৰত এটা অচিনাকি অস্থিৰতা লাহে লাহে পাক খাই উঠিছে। মানসিকভাৱে অৱশ, তথাপি টোপনি অহা নাই। কিহবাৰ অপেক্ষা কৰিছে। অশান্তি, অনিশ্চয়তা, ত্ৰাস-তাড়না জীৱনৰ প্ৰতিটো কথাই মৃত্যুৰে সাঙুৰে, মৃত্যুৰ হিচাপেৰে জোখা ক’লৈ নামি আহিছে জীৱন?” (শৰ্মা *নাগৰিক* ১৬)।

সময় আৰু কঠিন বাস্তৱৰ নিষ্ঠুৰতাই জুৰুলা কৰা হৃদয়, নিদাৰুণ যন্ত্ৰণাই থকা-সৰকা কৰা সত্তা, ভৱিষ্যতহীন ভৱিষ্যতৰ মুখামুখি অধ্যাপকৰ পৰিয়ালক বৰ্তমানে গ্ৰাস কৰিছে । অৱশেষত অনাকাংক্ষিত খবৰত অধ্যাপক নিশ্চিহ্ন হৈ পৰাৰ উপক্ৰম কৰিছে। এই মুহূৰ্তৰ ব্যঞ্জনা আৰু চলচ্চিত্ৰীয় উপস্থাপন আধুনিকতাৰ কৌশল ঃ

> চিগাৰেট পেকেটটোত হাত দি সি টেবুলৰ ঘড়ীটোলৈ চালে, এৰি দিয়া স্প্ৰিঙৰ দৰে জাঁপ মাৰি উঠিল, পুৱাৰ ক্লাছটোলৈ মাত্ৰ দহমিনিট। বিছনাতে চব এৰি মাটিলৈ নামিল; দুৱাৰৰ তলেদি অহা দৈনিক কাগজখন টেবুললৈ দলিয়ালে আৰু বাথৰুমলৈ দৌৰি দিলে।
>
> কাপোৰ পিন্ধি মুৰ আঁচোৰে মানে পাঁচ মিনিট দেৰি হৈ গ’লেই। ঘৰৰ মালিকে চিঞৰিছে “এই বৰ্মন। তোমাৰ ফোন।”
>
> আস্‌সা ! প্ৰিন্সিপাল ! সি দৌৰিলে। পাঁচ মিনিট দেৰি হ’লেই ফোন কৰিব। কিহে পাইছিল তাক বুঢ়াক ফোনৰ নম্বৰটো দিবলৈ? তাৰ দুদিনৰ ছুটী মাৰ গ’ল!
>
> ফোনটো তুলি অধৈৰ্য কণ্ঠে সি ক’লে—
>
> হে’লউ ! যুগীন !!..
>
> ...যুগীনৰ কণ্ঠ বন্ধ হৈছে। সংযোগ বিচ্ছিন্ন হৈছে। পৃথিৱী ছাৰখাৰ। ভস্মাচ্ছন্ন বালিময়, শূন্য। এই কাল শিল হৈছে।” (শৰ্মা *নাগৰিক* ২৮)

‘আজি একো কাম নাই’ গল্পত যুৱ মানসিকতাৰ জীৱনবোধ আৰু অপ্ৰাপ্তি, নিস্তৰংগ- নিৰুদ্বেগ, উপলব্ধিৰ চৰম পৰ্যায় বৰ্ণিত হৈছে। দেশ, কাল, সমাজ আৰু ভাগ্যৰ বিপৰীতে ডেকাই পদে পদে অনুভৱ কৰিছে অনিশ্চয়তা ঃ “সি পাহৰি যায় সময়, পাহৰে নিজকে। সি আগবাঢ়িবনে? সি কিবা এটা কৰি পেলাব। কৰিবনে? সি নিশ্চিত। কিন্তু নিশ্চিতনে? সংকল্প, সন্দেহ আৰু সংকল্প আৰু সন্দেহ” (শৰ্মা *নাগৰিক* ৭৫)। — নিদ্ৰিত শৰীৰৰ ওপৰত মনৰ অত্যাচাৰ। ডেকাৰ প্ৰতিটো দিনেই কষ্টকৰ অতীতৰ লগত সংযোজিত; অনিশ্চয় বৰ্তমানত দিক্‌ভ্ৰান্ত হোৱা এক সত্তা হিচাপে ইয়াত বৰ্ণিত হৈছে ! এক ভৱিষ্যত প্ৰজন্ম যাৰ বাবে জন্মই এক অনাকাংক্ষিত ৰহস্য।

জীৱনৰ প্ৰাত্যহিক যুঁজ, খাই-বৈ জীয়াই থকাৰ যুঁজ, জীয়াই থাকিবৰ বাবেহে যন্ত্ৰৰ দৰে বিৰক্তিকৰ কামবোৰ কৰা; তাৰ মাজতেই সাহিত্য কৰাও একপ্ৰকাৰৰ ‘বিলাস’ যেন উপলব্ধি হৈছে ডেকাজনৰ। সৃষ্টিৰ প্ৰয়োজন সাপেক্ষ ভিন্নতাই সকলোৰে মানসিকতাক ৰেখাপাত কৰিছেঃ “সম্পাদকৰ বাবে পৃষ্ঠা ভৰোৱাৰ প্ৰয়োজন, ডেকা-গাভৰুৰ উৰণীয়া কল্পনাৰ বাবে প্ৰয়োজন; মধ্যবিত্ত গৃহিণীৰ চেতনাত বিলাসী সুৰসুৰণিৰ বাবে প্ৰয়োজন, তাৰ বাবে ঘৰ ভাড়া, দোকানৰ বাকী মৰাৰ বাবে প্ৰয়োজন” (শৰ্মা *নাগৰিক* ৮৯)। শৰ্মাৰ গল্পৰ প্ৰায়বোৰ চৰিত্ৰ চৰম হতাশাবোধ আৰু প্ৰাত্যহিকতাৰ প্ৰতি বিতৃষ্ণাৰে দিক্‌হাৰা হৈছে বা কেতিয়াবা নিজকে নিঃশেষ কৰি দিছে। ‘আজি একো কাম নাই’ গল্পৰ চৰিত্ৰৰ বেলিকাও ইয়াৰ ব্যতিক্ৰম হোৱা নাই।[3]

শৰ্মাৰ 'কৃষ্ণগহ্বৰৰ পৰা উদ্ধাৰৰ বাট' গল্পৰ মূলত সুৰ যদিও প্ৰেম; মহানগৰত হেৰাই যাব ধৰা মানৱীয়তাৰ পুনৰুত্থানৰ প্ৰচেষ্টাক পোহৰলৈ আনিছে। ইয়াত কৃষ্ণৰ সৈতে বন্ধু ছমছেৰ আৰু বিবিৰ মাজত নতুনকৈ গঢ় লৈ উঠিব খোজা বিশ্বাসক প্ৰতিষ্ঠা কৰিছে। পৰাজয়ৰ চূড়ান্ত অপমানবোধ, আত্মগ্লানি বা পৰিস্থিতিৰ সৈতে সংঘাতৰ ফলস্বৰূপে শৰ্মাৰ গল্পৰ চৰিত্ৰবিলাকে প্ৰায়ে আত্মহননৰ পথ বাছি ল'বলৈ বাধ্য হোৱা দেখা যায়। 'শেষ দৌৰ'ত ভৱেনৰ আত্মবলিদান; মনৰ তুমুল সংঘৰ্ষ, অব্যক্ত প্ৰেমৰ সংবেদন; এইবিলাক গল্পটোত স্পষ্ট হৈছে।

মানুহৰ জীৱনৰ অনিৰ্ণিত দুখবোধ, অকাৰণ যন্ত্ৰণা-বিষাদে পাৰ্থিৱ-অপাৰ্থিৱ মনোজগতত যি আলোড়ন সৃষ্টি কৰে তাৰ প্ৰতিফলন শৰ্মাৰ গল্পত আছে(দাপোণ)। জীৱনৰ হেতুহীন দুখবোধ ইমৰাণ চৰিত্ৰৰ যোগেদি অৱস্থিতিবাদী চিন্তাধাৰাৰে উদ্ভাসিত হৈছে। বিষণ্ণ, অতৃপ্ত আৰু অপ্ৰাপ্তিৰ শূন্যতাই শৰ্মাৰ গল্পৰ চৰিত্ৰবোৰক খেদি ফুৰিছে (প্ৰায়ে মৃত্যুত বিলীন হৈ পৰিছেগৈ)। কবিসত্তাই নিজৰ মনত অনেক প্ৰশ্নৰ বাণ এৰিছে—কিন্তু কোনো উত্তৰ নাই । সত্তাৰ নিজৰ প্ৰশ্নৰ বাণে নিজকে থকা-সৰকা কৰিছে আৰু পৰম শূন্যবোধত ভাঁহি ৰৈছে ঃ

> তেওঁ এইটোও ধৰিব নোৱাৰে কি নাই তেওঁৰ; কিহৰ এই অতৃপ্তি? কেৱল শূন্যতাৰ উপলব্ধি, প্ৰাপ্তিৰ তৃষ্ণা আৰু লক্ষ্যৰ অনিশ্চয়তাত তেওঁ বিভ্ৰান্ত। তেওঁ দেখে নীল আকাশৰ বিশাল ব্যাপ্তি আৰু অনুভৱ কৰে তাতকৈও বিশালতাৰ এক শূন্যতা বিষাদ। তেওঁ নাজানে, বা জানিও হয়তো ভাবিব নোখোজে সেই বিশাল ব্যাপ্তিও এক প্ৰৱঞ্চনা মাত্ৰ এক অন্তহীন পৰম শূন্য।" (শৰ্মা *এজন কবি* ৮৩)

শৰ্মাৰ গল্পৰ চৰিত্ৰবিলাক নাগৰিক জীৱনৰ উদ্বিগ্নতা, যুৱপ্ৰজন্মৰ চৰম হতাশা আৰু দুৰ্দশাৰে জৰ্জৰিত। 'আজি একো কাম নাই', 'চিৰিয়াখানাৰ গৰালবোৰ', 'এটা ঘৰুৱা কাহিনী' গল্পৰ চৰিত্ৰবিলাক প্ৰাত্যহিক বিষাদ আৰু হতাশাৰে সিক্ত। মহানগৰ আৰু বস্তুবাদী আধুনিকতাই গঢ় দিয়া দ্বন্দ্ব শৰ্মাৰ গল্পৰ চৰিত্ৰই বহন কৰিছে। 'কৃষ্ণ গহ্বৰ'ৰ কৃষ্ণই হওক অথবা 'নাপাই সুখী অজলা ল'ৰাৰ সাধু'ৰ চন্দনৰ নগৰকেন্দ্ৰিক কৰ্মজীৱন আৰু পৰিস্থিতিয়ে আনি দিয়া গভীৰ বিষাদবোধ গল্পত স্পষ্ট ঃ

> কি কৰা যায়, সি নাজানে। কি হ'ব সি ধৰিব নোৱাৰে। তাৰ ভীষণ দুখ লাগিছে; সঁচাই দুখ লাগিছেনে? কাৰ কাৰণে দুখ লাগিছে? কিয় দুখ লাগিছে ! কি হ'ব এতিয়া; কি হ'ব ভৱিষ্যত? (শৰ্মা *এজন কবি* ১৫৭)।

—এনে অনিশ্চয়তাত চৰিত্ৰৰ অৱস্থানে গল্পক দ্বন্দ্বাত্মক কৰিছে।

আধুনিকতাবোধ মহানগৰ কেন্দ্ৰিকতাৰ সৈতে সম্পৰ্কিত। অপূৰ্ব শৰ্মাই এই বোধেৰে গ্ৰাম্য আৰু আঞ্চলিক গল্প ৰচনা কৰি আধুনিক মননৰ বিচাৰ কৰি দেখুৱালে। বিশেষকৈ *বাঘে টাপুৰ ৰাতি*ৰ গল্পবোৰত আঞ্চলিক আৰু গ্ৰাম্য চৰিত্ৰবিলাকক আধুনিক জটিলতাৰে চালি-জাৰি চাইছে। গ্ৰাম্য মনৰ দ্বন্দ্ব, অনাস্থা, অন্তগমন, অনিশ্চয়তা, সংশয় দ্বিধা, শূন্যতাবোধ যে কোনোগুণে আধুনিক নাগৰিক জীৱন-মননৰ পৰা পৃথক নহয়, তাক শৰ্মাই আৱিষ্কাৰ কৰিছে। আধুনিকতাৰ আনুষংগিক বিচিত্ৰ মনোজগত গ্ৰাম্য অৱচেতন-চেতন মনৰ সৈতে কৰা বিশ্লেষণে গল্পবোৰত আধুনিক পোতন দিছে। যান্ত্ৰিকতাৰ পৰা আহি অসমীয়া গল্পই শৰ্মাৰ হাততেই, গ্ৰাম্য মানসিকতাক আধুনিক মননেৰে বিশ্লেষণ কৰি দেখুৱালৈ সক্ষম হ'ল।

অপূৰ্ব শৰ্মাৰ গল্পৰ 'Mental Picturialism' কাহিনী বিন্যাসত অতীতমুখী অভিজ্ঞতাৰ পৰা আহৰণ হোৱা শিল্প ৰহস্যৰ বাবেহে সম্ভৱ হৈছে বুলি মন্তব্য কৰি অৰিন্দম বৰকটকীয়ে ইয়াক শৰ্মাৰ চলচ্চিত্ৰবোধৰ পৰা নিলগাই ৰাখিছে (বৰকটকী ০.১৩)। বৰ্হেছ কথিত সুৰ আৰু ব্যঞ্জনা সমৃদ্ধ সাংস্কৃতিক উত্তৰাধিকাৰৰ 'ভইচ' ৰ প্ৰসংগত অপূৰ্ব শৰ্মাৰ গল্পৰ ইতিহাস গৰকি নিৰ্মাণ হোৱা বিশেষ মানৱীয় অভিজ্ঞতা আৰু পৰিস্থিতিৰ নিজস্ব 'ভইচ'ৰ কথা প্ৰাণজিৎ বৰাই উল্লেখ কৰিছে । তেওঁৰ মতে আধুনিক জীৱনবোধৰ পৰা নিসৃত নিসংগতাবোধে গঢ় দিয়া শক্তিশালী মানৱীয় 'চলিডেৰিটী'ৰ নিৰ্মাণেই শৰ্মাৰ গল্পক আন আন গল্পকাৰৰ পৰা পৃথক কৰি ৰাখিছে (বৰা১৫)।

আংগিকৰ লগত জীণ নোযোৱা বক্তৃতাধৰ্মিতাৰ স্থান শৰ্মাৰ গল্পত কম। কাহিনী আৰু চৰিত্ৰ নিৰ্মাণৰ বিশেষ প্ৰচেষ্টা শৰ্মাৰ গল্পত নাথাকিলেও, পৰিস্থিতি আৰু সময়ে আনি দিয়া দোলনৰ মাজত কাহিনীৰ যোগসূত্ৰ পাঠকে নিজা ধৰণে বিচাৰি লোৱাত অলপো কষ্ট নহয় অথচ সেয়া শৰ্মাই কৌশলেৰে জলচিহ্নৰ দৰে শব্দৰ মাজে মাজে উদ্ভাসিত কৰিছে। বিষয়বস্তুৰ বিস্তাৰ, ভাষাৰ প্ৰয়োগ, আংগিকৰ স্বকীয় কৌশল, মনোজগত কেন্দ্ৰিক চৰিত্ৰ বৈচিত্ৰ্যই শৰ্মাৰ গল্পক আকৰ্ষণীয় কৰি তুলিছে। চেতনা প্ৰবাহৰ উপস্থাপন ৰীতি, ব্যতিক্ৰমী আধুনিক

জীৱনবোধ, আধুনিক হতাশা, আশাভংগৰ কাহিনী বিন্যাসৰ দক্ষতাই শৰ্মাৰ গল্পক আধুনিক কৰি ৰাখিছে।

**গ্ৰন্থপঞ্জী—**


আহমেদ, কামালুদ্দিন । *সাহিত্যৰ অভিব্যক্তি* । বান্ধৱ, ২০১৮।

ডেকা, হৰেকৃষ্ণ । *আধুনিকতাবাদ আৰু অন্যান্য প্ৰবন্ধ*। ২য় সংস্কৰণ, আঁক-বাক, ২০১১।

বৰকটকী, অৰিন্দম। পাতনি । *অসমীয়া গল্প সংকলন* , ৩য় খণ্ড সম্পা. হোমেন বৰগোহাঞি। অসম প্ৰকাশন পৰিষদ, ২০০৭।

বৰা, ধনী । *বিদায় আধুনিকতা*। ২য় সংস্কৰণ, আঁক-বাক, ২০১১।

বৰা, মহেন্দ্ৰ। *দেশে দেশে গল্প*, পাতনি। অসম প্ৰকাশন পৰিষদ, ২০০৪ ।

ভট্টাচাৰ্য, পৰাগ কুমাৰ । *আধুনিক সাহিত্য ঃ চিন্তা আৰু সৃষ্টি*। এঞ্জেলিকা ইমপ্ৰিণ্ট।

মজুমদাৰ, বিমল । *সাহিত্যৰ তত্ত্ব আৰু প্ৰয়োগ* । জ্যোতি প্ৰকাশন, ২০১১।

শইকীয়া, নগেন। *সাহিত্য-বাদবৈচিত্ৰ্য*। ৫ম সংস্কৰণ, কৌস্তুভ প্ৰকাশন, ২০১২।

ৰায়, সত্যেন্দ্ৰনাথ। *বাংলা উপন্যাস ও তার অধুনিকতা*। ২য় সংস্করণ, দে'জ পাব্লিছিং, ২০১৫।

গুপ্তা, দুৰ্গা প্ৰসাদ। "আধুনিকতাবাদী অৱধাৰণা কে অন্তবিৰোধ"। সম্ভুনাথ, সম্পা. *সমকালীন সৃজন* ২১ সংখ্যা ।

শৰ্মা, অপূৰ্ব । "আজি একো কাম নাই"। *নাগৰিক* । আঁক-বাক, ২০১২।

——। "কৃষ্ণ গহ্বৰৰ পৰা উদ্ধাৰৰ বাট"। *এজন কবিৰ মৃত্যু আৰু এজোপা বাৰমহীয়া আম*। আঁক-বাক, ২০১৪।

——। "চিৰিয়াখানাৰ গঁৰালবোৰ"। *নাগৰিক* । আঁক-বাক, ২০১২।

——। "দাপোণ"। *বন্ধুৰ পথত কেইজনমান ডেকামানুহ* । প্ৰকাশিকা ,১৯৭৭।

——। "ধোন্দা"। *এজন কবিৰ মৃত্যু আৰু এজোপা বাৰমহীয়া আম*। আঁক-বাক, ২০১৪।

——। "পুৰা-কাহিনী"। *বিপুলৰ যুদ্ধ-সজ্জা আৰু কিছুমান কাহিনীৰ কাহিনী* । জ্যোতি প্ৰকাশন, ২০০২।

——। "প্ৰেতলোক"। *বিপুলৰ যুদ্ধ-সজ্জা আৰু কিছুমান কাহিনীৰ কাহিনী* । জ্যোতি প্ৰকাশন, ২০০২।

——। "বন্ধুৰ পথত কেইজনমান ডেকামানুহ"। *বন্ধুৰ পথত কেইজনমান ডেকামানুহ* । প্ৰকাশিকা,১৯৭৭।

——। "বাঘে টাপুৰ ৰাতি"। *বাঘে টাপুৰ ৰাতি*। ষ্টুডেন্টচ্ ষ্ট'ৰচ,২০০২।

——। "বাহিৰলৈ যোৱা বাট"। *শুভবাৰ্তা* । ষ্টুডেন্টচ্ ষ্ট'ৰচ, ২০০২ ।

——। "বিপুলৰ যুদ্ধ-সজ্জা"। *বিপুলৰ যুদ্ধ-সজ্জা আৰু কিছুমান কাহিনীৰ কাহিনী* । জ্যোতি প্ৰকাশন, ২০০২।

——। "মজিয়াত তেজ"। *নাগৰিক* । আঁক-বাক, ২০১২।

——। "মুক্তিৰ স্বপ্ন"। *বিপুলৰ যুদ্ধ-সজ্জা আৰু কিছুমান কাহিনীৰ কাহিনী* । জ্যোতি প্ৰকাশন, ২০০২ ।

——। "ৰোগ"। *বন্ধুৰ পথত কেইজনমান ডেকামানুহ* । প্ৰকাশিকা,১৯৭৭।

——। "শুভ বাৰ্তা"। *শুভবাৰ্তা* । ষ্টুডেন্টচ্ ষ্ট'ৰচ, ২০০২।

——। "শূন্য হ'লে"। *বন্ধুৰ পথত কেইজনমান ডেকামানুহ* । প্ৰকাশিকা,১৯৭৭, নিপৃ.৫৮-৬৬।

——। "হঠাৎ নদীৰ ঢল"। *বাঘে টাপুৰ ৰাতি*। ষ্টুডেন্টচ্ষ্ট'ৰচ, ২০০২, নিপ,৬০-৮৬।

——। "হলধৰ"। *বাঘে টাপুৰ ৰাতি*। ষ্টুডেন্টচ্ষ্ট'ৰচ, ২০০২, নিপৃ.১-৯।

শৰ্মা, উপেন্দ্ৰনাথ। "চুটিগল্প ঃ ১৯৫০-৯০"। *অসমীয়া সাহিত্যৰ বুৰঞ্জী ষষ্ঠ খণ্ড*, সম্পা. হোমেন বৰগোহাঞি, এবিলাক, ২০১২।

Ayers, David. *Modernism: A Short Introduction*.Introduction. Blackwell, 2004.

Back, Warren. "Art and Formula in the Short Story" *College English,* Vol. 5, No. 2 (Nov., 1943), pp. 55-62 . jstor.org/stable/370961 Accessed: 20-05-

2015 08:56 UTC.

Bell, Michael. “Metaphysics of Modernism”. *The Cambridge Companion toModernism*, Michael Levenson, Ed. 2nd Ed. Cambridge University Press, 2011.

Bradbury, Malcolm and James McFarlane. “The Name and Nature of Modernism”. *Modernism: A guide to European Literature.* Ed by Malcolm Bradbury and James McFarlane. Penguin, 1976.

Childs, Peter. *Modernism.* 2nd Ed. Routledge 2008, pp.116.

Childs, Peter and Roger Fowler. *The Routledge Dictionary of Literary Terms.* Routledge 2006.

Cuddon, J A. *The Panguin Dictionary of Literary Terms and Literary Theory.* Penguin, 2014.

Cudyy-Kean, Melba, et all. *Modernism: Keywords.* Wiley Blackwell, 2014.

Duggal, K S. “Contemporary Indian Short Story”. *Indian Literature,* .Sahitya Akademi. Vol. 18, No. 3 (July-September 1975), pp. 12-19 jstor.org/stable/23330815 Accessed: 27-11-2015 08:44 UTC

Eysteinsson, Astradud and Vivian Liska, Introduction. *Modernism*. John Benjamin Pub Co.,2007.

Harrison, Charles and Paul Wood, *Art in Theory 1900-1990 An Anthology of Changing Ideas.* Blackwell, 1992.

Head, Dominic. *The Modernist Short Story: A study in theory and practice*. Cambridge University Press, 1994,

Kalaidijian, Walter. *The Cambridge Companion to American Modernism.* Cambridge University Press, 2006.

Lawrence , James Cooper. “A Theory of the Short Story”. *The North American Review*, Vol. 205, No. 735 (Feb., 1917), pp. 274-286 jstor.org/stable/25121469 Accessed: 26-09-2017 18:22 UTC

Levenson , Michael, Introduction.*The Cambridge Companion to Modernism*, by Michael Levenson. 2nd Ed. Cambridge University Press, 2011.

Nicholls, Peter. *Modernisms.* Palgrave, 2009. Introduction

Russell, Paul March. “Modernism and the Short Story”. *The Short Story: An Introduction.* Edinburgh University Press, 2009.

Wallace, Jeff. “Modernsist on the art of fiction” , Edited by Morag Shiach.*The Modernist Novel.*Cambridge University Press, 2007.

Whitworth, Michael H. Ed. *Modernism.* Blackwell, 2007. Introduction.

# ড° সূৰ্যকুমাৰ ভূঞাৰ জাতীয়  চেতনা আৰু সৃষ্টিশীল সাহিত্য ঃ এটি আলোচনা

**ড° মহেশ্বৰ কলিতা**
*সহযোগী অধ্যাপক, কটন বিশ্ববিদ্যালয়*
(drmaheswar@yahoo.com)

**সংক্ষিপ্ত-সাৰ ঃ**

*আৱাহন যুগৰ প্ৰখ্যাত লেখক ড°  সৰ্যকুমাৰ ভূএঞা সাধাৰণ পাঠকৰ দৃষ্টিত অসমৰ এগৰাকী আগশাৰীৰ বুৰঞ্জীবিদ। অসম চৰকাৰৰ  বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগৰ সঞ্চালক হিচাপে তেওঁ কেবাখনো সাঁচিপতীয়া বুৰঞ্জী পুথি উদ্ধাৰ কৰি সংৰক্ষণৰ ব্যৱস্থা কৰিছিল। সেই পুথিবোৰ তেওঁ সম্পাদনা কৰি ছপা ৰূপত প্ৰকাশো কৰিছিল। ইয়াৰ উপৰিও অসম বুৰঞ্জীৰ কেতবোৰ কাহিনীৰ আধাৰত তেওঁ একাধিক গ্ৰন্থ ৰচনা কৰিছিল। ড°  ভূএঞা আছিল অধ্যয়নশীল লোক। অসমীয়া, ইংৰাজী আৰু বাংলা ৰোমান্টিক কবিতা আৰু গল্প-উপন্যাস তেওঁ মনোযোগেৰে অধ্যয়ন কৰিছিল। ইংৰাজী সাহিত্যৰ মেধাৱী ছাত্ৰ ড°  ভূএঞা সৃষ্টিশীল প্ৰতিভাৰো অধিকাৰী আছিল। এই প্ৰতিভাৰ প্ৰকাশ ঘটিছিল তেওঁৰ দ্বাৰা ৰচিত কবিতা আৰু গল্পৰাজিৰ মাজেৰে। এই অধ্যয়নটিত ড° সূৰ্যকুমাৰ ভূএঞাৰ দ্বাৰা ৰচিত সৃষ্টিশীল সাহিত্য সম্পৰ্কে আলোচনা কৰিব বিচৰা হৈছে। ইয়াত বিশ্লেষণাত্মক  আৰু তুলনামূলক সমালোচনা পদ্ধতি প্ৰয়োগ কৰিব বিচৰা হৈছে।*

***সূচক শব্দাৱলী*** *ঃপুৰাতত্ত্ব, বৌদ্ধিক ক্ষেত্ৰ, বিদ্যোৎসাহী, ইতিহাস চেতনা, জাতীয় প্ৰেম, ৰোমান্টিক কবিতা, কাব্যশৈলী, যুদ্ধবিধ্বস্ত, জীৱনবোধ, মানৱতাবাদ।)*

কুৰি শতিকাৰ প্ৰথমাৰ্ধত যিসকল বহুমুখী প্ৰতিভাৰ উচ্চ শিক্ষিত অসমীয়াই জাতিৰ বৌদ্ধিক ক্ষেত্ৰলৈ বিশেষ বৰঙণি আগবঢ়াইছিল, সেই সকলৰ ভিতৰত ড°  সূৰ্যকুমাৰ ভূঞা (১৮৯৪-১৯৬৪)  অন্যতম। কটন কলেজত সুদীৰ্ঘ কাল ইংৰাজী বিষয়ত অধ্যাপনা কৰা, বিলাত ফেৰৎ ড°  ভূঞা আছিল একাধাৰে কবি, ইতিহাসবিদ , উচ্চমানৰ প্ৰবন্ধ আৰু জীৱনী লেখক। প্ৰায় দুকুৰি গ্ৰন্থ [১] ৰচনা আৰু সম্পাদনা কৰি অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰা ড°  সূৰ্যকুমাৰ ভূঞাই অসম সাহিত্য সভাৰ সভাপতি পদ অলংকৃত কৰিছিল।[২] উল্লেখযোগ্য যে তেওঁ ইংৰাজীতো কেবাখনো গ্ৰন্থ ৰচনা কৰিছিল।

সূৰ্যকুমাৰ ভূঞাৰ পিতৃ, নগাঁৱৰ অধিবাসী ৰবিলাল ভূঞা আছিল বিদ্যোৎসাহী লোক। জনাকীগোষ্ঠীৰ  ছাত্ৰ-লেখকসলৰ দৰে ৰবিলাল ভূঞাই কলিকতাত উচ্চ শিক্ষা লাভ কৰিছিল। তেওঁৰ পুত্ৰ সূৰ্যকুমাৰ ভূঞাই ১৯০৯ চনত শ্বিলং চৰকাৰী স্কুলৰ পৰা অসম উপত্যকাৰ ভিতৰত প্ৰথম স্থান অধিকাৰ কৰি স্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হৈ ভিক্ট'ৰিয়া মেম'ৰিয়েল স্বৰ্ণ পদক লাভ কৰে। তাৰ পাছত তেওঁ কটন কলেজৰ পৰা আই.এ. পৰীক্ষাত উত্তীৰ্ণ হয় (১৯১১) আৰু পিতৃৰ উপদেশ পালন কৰি উচ্চ শিক্ষা গ্ৰহণৰ বাবে সেই সময়ৰ শিক্ষাৰ উৰ্বৰ ক্ষেত্ৰ কলকাতালৈ যায়। কলকাতাৰ প্ৰেচিডেন্সী কলেজৰ পৰা তেওঁ ইংৰাজী বিষয়ত সন্মান সহকাৰে বি.এ. (১৯১৩  চন) আৰু কলিকতা বিশ্ববিদ্যালয়ৰ পৰা ইংৰাজী বিষয়ত এম. এ. (১৯১৬  চন) পাছ কৰে।

সূৰ্যকুমাৰৰ অন্তৰত জাতিপ্ৰেম আৰু ভাষাপ্ৰীতিৰ ফল্গুধাৰা প্ৰৱাহিত হৈ আছিল। সেইবাবে শিক্ষা সাং কৰি তেওঁ নিজৰ জন্ম ঠাইলৈ ১৯১৬  চনত ওভতি আহে আৰু সেই বছৰতে শিক্ষক হিচাপে যোৰহাটৰ বেজবৰুৱা স্কুলত যোগদান কৰি কৰ্মজীৱনৰ পাতনি মেলে। তাৰ দুবছৰ পাছত অৰ্থাৎ ১৯১৮  চনত তেওঁ কটন কলেজৰ ইংৰাজীৰ অধ্যাপক ৰূপে নিযুক্ত হয়। অধ্যয়ন আৰু গৱেষণাক ব্ৰত হিচাপে লোৱা ড°  ভূঞাই সফলতাৰে ২৮  বছৰ শিক্ষকতা কৰাৰ পাছত কলেজখনৰ অধক্ষ্য নিযুক্ত হয় (১৯৪৬)। উল্লেখযোগ্য যে

প্ৰসৰ মেধাৰ অধিকাৰী ড° ভূএগ্রা আছিল ১৯০১ চনত স্থাপন হোৱা কটন কলেজৰ অধ্যাপক হিচাপে বাচনি লাভ কৰি নিযুক্তি লাভ কৰা প্ৰথম গৰাকী অসমীয়া।[৩] ভূএগ্রাই ১৯৩৬ চনত গৱেষণাৰ উদ্দেশ্যে ইংলেণ্ডলৈ যায় আৰু দুবছৰ পাছত অৰ্থাৎ ১৯৩৮ চনত লণ্ডন বিশ্ববিদ্যালয়ৰ পৰা ডক্টৰেট ডিগ্ৰী লাভ কৰে। সেই বিশ্ববিদ্যালয়ৰ পৰা সন্মানীয় ডি. লিট. ডিগ্ৰীও লাভ কৰে (১৯৫২)। এই বছৰটোতে তেওঁ গোৱালিয়ত অনুষ্ঠিত ইণ্ডিয়ান হিষ্ট্ৰি কংগ্ৰেছৰ আধুনিক ইতিহাস শাখাৰ সভাপতি আৰু ৰাজ্যসভাৰ সদস্য ৰূপে মনোনীত হয়। ভাৰত চৰকাৰে ১৯৫৬ চনত ড° ভূএগ্রাক সমসাময়িক সমাজলৈ আগবঢ়োৱা গুৰুত্বপূৰ্ণ বৰঙণিৰ স্বীকৃতি স্বৰূপে 'পদ্মশ্ৰী' সন্মানেৰে বিভূষিত কৰে। তেওঁ ১৯৫৭ চনৰ পৰা ১৯৬০ চনলৈ গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য হিচাপেও সেৱা আগবঢ়ায়। অসম সাহিত্য সভাৰ শ্বিলং অধিৱেশনৰ (১৯৫৩) সভাপতিৰ আসনো ড° ভূএগ্রাই অলংকৃত কৰে।

বহুমুখী প্ৰতিভাধৰ ড° সূৰ্যকুমাৰ ভূএগ্রাৰ ইতিহাস চেতনাৰ লগত জাতীয় প্ৰেম সংপৃক্ত আছিল। ব্ৰহ্মপুত্ৰৰ ওপৰৰ শৰাইঘাট দলঙৰ নামকৰণৰ নেপথ্যৰ ব্যক্তি গৰাকী আছিল ড° সূৰ্যকুমাৰ ভূএগ্রা। অসমৰ তদানিন্তন মুখ্যমন্ত্ৰী বিমলা প্ৰসাদ চলিহালৈ ২৭-১২-১৯৫৯ ইংৰাজী তাৰিখে, সেই সময়ত নিৰ্মিয়মান দলঙখনৰ নাম 'শৰাইঘাট দলং' ৰাখিব লাগে বুলি পৰামৰ্শ দি তেওঁ এখন গুৰুত্বপূৰ্ণ চিঠি প্ৰেৰণ কৰিছিল। দীঘলীয়া চিঠিখনত তেওঁ শৰাইঘাটৰ সপক্ষে যুক্তি দাঙি ধৰি লিখিছিল ঃ

....The new bridge on the Brahmaputra river which is under construction and which is within rhe Saraighat area should be very appropriately called Saraighat Bridge. The name will evoke sentiments of patriotism and self confidence. It will link the glory of the present set-up with that of the golden days of Assam's independance in the seventeenth century.[8]

ছাত্ৰ-ছাত্ৰী আৰু তৰুণ গৱেষকসকলক অধ্যয়ন আৰু গৱেষণাৰ বাবে ড° ভূএগ্রাই উৎসাহ যোগাইছিল। তেওঁৰ ওচৰ চপা উৎসাহী ছাত্ৰ-ছাত্ৰীসকলক তেওঁ বিভিন্ন ধৰণে সহায়ো কৰিছিল। ১৯৫১ চনত গৱেষণাৰ উদ্দেশ্যে কলম্বিয়া বিশ্ববিদ্যালয়লৈ যাবলৈ ওলোৱা ভূপেন হাজৰিকাক ড° ভূএগ্রাই উৎসাহিত কৰিছিল। ড° ভূএগ্রাই স্থানীয় গৱেষক-পণ্ডিত হিচাপে বিশ্ববিদ্যালয়খনৰ গৱেষণা-তত্ত্বাৱধায়ক অধ্যাপক হলফ্ বি. স্পেনচাৰলৈ প্ৰয়োজনীয় গোপন চিঠি প্ৰেৰণ কৰি ভূপেন হাজৰিকাৰ দক্ষতা সম্পৰ্কে জনাইছিল। চিঠিখনত তৰুণ শিল্পী ভূপেন হাজৰিকাৰ পৰিচয় দাঙি ধৰাৰ উপৰিও তেওঁৰ সু-সংস্কৃতিবান পিতৃ নীলকান্ত হাজৰিকা আৰু ভনীয়েক শিল্পী কুইনী হাজৰিকাৰ প্ৰতিভাৰ আভাস দাঙি ধৰি কেনে সাংস্কৃতিক পৰিৱেশ গৱেষণা-প্ৰাৰ্থীগৰাকীয়ে লাভ কৰিছিল, সেই খবৰো দিছিল। আলোচ্য চিঠিখনত ভূপেন হাজৰিকাৰ পৰিয়ালৰ পৰিচয় দাঙি ধৰি তেওঁ লিখিছিল ঃ

I have known Mr. Bhupendra Kumar Hazarika for nearly fifteen years. His father Mr. Nila kanta Hazarika, B.A., B.T. was a student of mine at Cotton College Gauhati. The son Bhupendra has also been my student at the same College. Bhupendra was also a Research Scholar for some time in the Assam Government Department of Historical and Antiquarian Studies of which I was Director. ...The father is struggling on to give his children a liberal education not only in letters but also in fine arts, Music and painting. Bhupendra's younger sister Miss Queenie Hazarika has attained a reputation as an exquisite songstrees, and is generally known as 'The Nightingle of Gauhati. ..... It must be clearly understood that I do not oppose Mr. Hazarika's Matriculation for the Doctorate, but I throw some confidential hints to his supervisor in order that the student may achieve his cherished object, and come back home to his poor and loving parents, brothers, sisters and friends with the laurel of Columbia University."[৫]

ড° সূৰ্যকুমাৰ ভূএগ্রা আছিল সমাজ সচেতন লোক। প্ৰধানতঃ বুৰঞ্জী আৰু অতীত ঐতিহ্য তেওঁৰ অধ্যয়ন আৰু গৱেষণাৰ বিষয় যদিও সমসাময়িক সমাজ-জীৱন চেতনায়ো তেওঁক সমল আৰু প্ৰেৰণা যোগাইছিল। তেওঁ আছিল আশাবাদী লেখক। ১৯৫৩ চনৰ নৱেম্বৰ মাহত অনুষ্ঠিত অসম সাহিত্য সভাৰ শ্বিলং অধিৱেশনৰ সভাপতি হিচাপে প্ৰদান কৰা ভাষণটোত ড° ভূএগ্রাৰ ঐতিহ্য চেতনাৰ লগতে সমসাময়িক সমাজকলৈ কৰা চিন্তাও প্ৰকাশ পাইছে। সাহিত্য-সংস্কৃতি আৰু সভ্যতা সামৰি লোৱা দীঘলীয়া, গুৰু-গম্ভীৰ

ভাষাণটোত তেওঁৰ জাতিৰ বৰ্তমান আৰু ভৱিষ্যত সম্পৰ্কত আশাবাদী মনৰ প্ৰকাশ ঘটিছে। আশাবাদী মনৰ অধিকাৰী ড° ভূঞাই লক্ষ্য কৰিছিল যে বিশ্বৰ উন্নত জাতিবোৰৰ দৰে অসমীয়া জাতিৰো অফুৰন্ত শক্তি আছে। ভক্তি, জ্ঞান আৰু কৰ্ম-এই তিনি মাৰ্গৰ সুমধুৰ সংমিশ্ৰণ ঘটিছে অসমীয়া সভ্যতাত। এই সংমিশ্ৰণেই হৈছে জগতৰ সভ্যতালৈ অসমীয়াৰ অভিনৱ অৱদান।

"বিশ্বৰ সভ্যতালৈ ভাৰতৰ অৱদান হৈছে সত্যৰ সন্ধান আৰু পাৰমাৰ্থিক চিন্তাৰ উৎকৰ্ষতা, মৈত্ৰী ভাৱ আৰু অহিংসা; গ্ৰীচৰ অৱদান হৈছে ন্যায়ৰ প্ৰভুত্ব, আৰু শিৱ আৰু সুন্দৰৰ অনুশীলন; ৰোমৰ অৱদান হৈছে সাম্ৰাজ্য সংগঠনৰ পদ্ধতি; .... ফ্ৰান্সৰ অৱদান হৈছে গণতন্ত্ৰ; ইংলেণ্ডৰ অৱদান হৈছে উচ্চ আদৰ্শ আৰু পাৰ্থিৱতাৰ সামঞ্জস্য আৰু আমেৰিকাৰ অৱদান হৈছে যান্ত্ৰিক উদ্যোগৰ সহায়েৰে দ্ৰব্য-সামগ্ৰীৰ বৃদ্ধি কৰি দেশৰ সৰ্বাংগীন উন্নতি সাধন। অসমীয়াই জগতৰ সভ্যতালৈ কি অৰিহণা আগবঢ়াব? অসমীয়াৰ জীৱন নিৰৰ্থক আৰু উদ্দেশ্যবিহীন নে?

আমি অসমীয়াই বিভিন্ন জাতিক বুকুত সুমুৱাই ল'ব পাৰিছোঁ, কাৰণ আমাৰ সমাজনীতি উদাৰ আৰু আমাৰ হৃদয় প্ৰশস্ত। প্ৰেম অমৃতৰ নদীয়ে অসমীয়াৰ অন্তৰ প্লাৱিত কৰিছে। অসমীয়াই ঘোষণা কৰিছে যে ভক্তিমন্ত পুৰুষহে প্ৰকৃত গুণৱন্ত, জন্ম আৰু ঐহিক ঐশ্বৰ্যৰ তাৰতম্য হৈছে আকস্মিক আৰু খন্তেকীয়া।

অসমীয়াৰ পাণ্ডিত্যই দেশ-বিদেশৰ পণ্ডিতক মুগ্ধ কৰিছে, আৰু অসমীয়াৰ জ্ঞানস্পৃহা দেখি বিদেশীসকলো বিস্ময়ান্বিত হৈছে। কৰ্মক্ষেত্ৰতো অসমীয়া আগৰণুৱা। অসমীয়া গৃহস্থালি আৰু গাওঁ-ভূঁইৰ দৰে চকু ৰোৱা দৃশ্য, মুনিহ-তিৰোতাৰ বহুমুখী কাৰ্য-কুশলতা আৰু অসমীয়াৰ দৰে গাঁৱলীয়া সমাজ পৃথিৱীত ক'তো পাবলৈ নাই।...

ভক্তি, জ্ঞান আৰু ধৰ্ম-এই তিনি মাৰ্গৰ এনে সুমধুৰ সংমিশ্ৰণ পৃথিৱীত বিৰল। এই সংমিশ্ৰণেই হৈছে জগতৰ সভ্যতালৈ অসমীয়া অভিনৱ অৱদান।"[৬]

জাতীয়তাবাদী সূৰ্যকুমাৰ ভূঞাই অসমীয়া জাতিৰ উন্নতি মনে-প্ৰাণে কামনা কৰিছিল। অসমৰ বুৰঞ্জী তথা অতীত ঐতিহ্য অধ্যয়নে তেওঁক আশাবাদী কৰি তুলিছিল ঃ বিশ্বৰ উন্নত জাতিবোৰৰ লগত খোজ মিলাই চলাৰ শক্তি অসমীয়া জাতিয়ে এদিন লাভ কৰিব। অসমৰ গ্ৰাম্য জীৱনশৈলীত তেওঁ বিচাৰি পাইছিল বিশ্বক চমক লগাব পৰা শক্তিৰ উপস্থিতি। সূৰ্যকুমাৰ ভূঞাৰ জাতি সম্পৰ্কীয় এই আশাবাদী চিন্তাত লক্ষ্মীনাথ বেজবৰুৱাৰ প্ৰভাৱ স্পষ্ট।

**সূৰ্যকুমাৰ ভূঞাৰ সৃষ্টিশীল ৰচনা ঃ**

আন দহজন সাহিত্যিকৰ দৰে সূৰ্যকুমাৰ ভূঞায়ো সাহিত্যিক হিচাপে আত্ম প্ৰকাশ কৰিছিল আলোচনীৰ পাতত কবিতাৰ জৰিয়তে। পাছত তেওঁ চুটিগল্পও ৰচনা কৰিছিল। তেওঁৰ সৃষ্টিশীল সাহিত্য পুথিসমূহ হ'ল ঃ

(ক) নিৰ্মালি (১৯১৮, কবিতা সংকলন) ঃ ৰচনা কাল - ১৯০৭-১৯১৭, প্ৰথম সংস্কৰণ, ১৯১৮, যোৰহাট, পৃ. xii + ১৭৬, দ্বিতীয় সংস্কৰণ - ১৯৫১, পৃ. vii + ১৭০, মূল্য ২/৮/- গুৱাহাটী বিশ্ববিদ্যালয়ৰ আই.এ শ্ৰেণীৰ বিকল্প অসমীয়াৰ পাঠ্যপুথি, ১৯৫৩

(খ) জয়মতী উপাখ্যান (১৯২০, গুৱাহাটী, অসমীয়া ধ্ৰুপদী শৈলীত ৰচিত এটি দীঘলীয়া বৰ্ণনামূলক কবিতা, পৃ. xii + ৬০)

(গ) পঞ্চমী (১৯২৪, চুটিগল্প সংকলন)

অসমীয়া ৰোমান্টিক কাব্য-আন্দোলন আৰম্ভ হয় জোনাকী আলোচনীৰ জৰিয়তে ১৮৮৯ চনত। কলকাতাত অধ্যয়নৰত অসমীয়া ছাত্ৰসকলে ১৮৮৮ চনত গঠন কৰা অসমীয়া ভাষা উন্নতি সাধিনী সভাৰ মাহেকীয়া মুখপত্ৰ জোনাকী কলকাতাৰ পৰা প্ৰকাশ পায় ১৮৮৯ চনৰ পৰা ১৮৯৮ চনলৈ। সেই সময়ছোৱাত আলোচনীখন সম্পাদনা কৰে চন্দ্ৰকুমাৰ আগৰৱালা, লক্ষ্মীনাথ বেজবৰুৱা আৰু হেমচন্দ্ৰ গোস্বামীয়ে। তাৰ পাছৰ দুবছৰ আলোচনীখনৰ প্ৰকাশ বন্ধ হয়। ১৯০১ চনত জোনাকীৰ পুনৰ প্ৰকাশ আৰম্ভ হয় গুৱাহাটীৰ পৰা। ১৯০৩ চনলৈ আলোচনীখন প্ৰকাশ পায়। গুৱাহাটীয়া জোনাকী সম্পাদনা কৰে সত্যনাথ বৰা আৰু কনকলাল বৰুৱাই। এই আলোচনীৰ জৰিয়তে অসমীয়া ৰোমান্টিক কাব্যযুগৰ উদ্ভাৱন আৰু বিকাশ হয়। অৱশ্যে জোনাকীৰ পৰৱৰ্তী কালতো, দ্বিতীয় মহাযুদ্ধৰ আৰম্ভনিলৈকে (১৯৩৯) উক্ত সাহিত্য আন্দোলন চলে। জোনাকীৰ পৰৱৰ্তী কালত প্ৰকাশ পোৱা বাঁহী (প্ৰথম প্ৰকাশ ১৯১০) আৰু আৱাহন (প্ৰথম প্ৰকাশ ১৯২৯) আলোচনীয়ে অসমীয়া ৰোমান্টিক কবিতাৰ বিকাশত গুৰুত্বপূৰ্ণ অৱদান আগবঢ়ায়। অসমীয়া ৰোমান্টিক কবিতাৰ বিকাশৰ ধাৰা বিচাৰ-বিশ্লেষণ কৰি এই কাব্য পৰিক্ৰমাক তিনিটা স্তৰত এইদৰে ভাগ কৰিব পাৰি ঃ

(ক) প্ৰথম স্তৰ - ১৮৮৯ চনৰ পৰা ১৯০৯ চনলৈ।
(খ) দ্বিতীয় স্তৰ - ১৯১০ চনৰ পৰা ১৯২৮ চনলৈ।
(গ) তৃতীয় স্তৰ - ১৯২৯ চনৰ পৰা ১৯৩৯ চনলৈ।

**সূৰ্যকুমাৰ ভূঞাৰ কবিতা**

সূৰ্যকুমাৰ ভূঞা অসমীয়া ৰোমান্টিক কবিতা প্ৰবাহৰ দ্বিতীয় স্তৰৰ কবি। তেওঁৰ একমাত্ৰ কাব্য-সংকলন নিৰ্মালিত সংকলিত কবিতাবোৰ ৰচিত হয় ১৯০৭ চনৰ পৰা ১৯১৭ চনৰ ভিতৰত। অৱশ্যে দ্বিতীয়টো স্তৰৰ অন্য কবিসকল যেনে —ৰঘুনাথ চৌধুৰী, যতীন্দ্ৰনাথ দুৱৰা, অম্বিকাগিৰী ৰায়চৌধুৰী আদিৰ কবিতাত প্ৰকাশ পোৱা শ্যেলী, কীটচ্ আদি ইংৰাজী কবিৰ দৰে গভীৰ ৰোমান্টিক ভাৱাবেগ সূৰ্যকুমাৰ ভূঞাৰ কবিতাত পোৱা নাযায়। ইয়াৰ বিপৰীতে তেওঁৰ কবিতাত প্ৰকাশ পাইছে প্ৰাক্ ৰোমান্টিক কবিতাৰ সংযম। প্ৰকৃতি আৰু প্ৰেম সম্পৰ্কীয় ধল ভঙা আৱেগ তেওঁৰ কবিতাত দেখা নাযায়। তলৰ উদ্ধৃতিলৈ চালে এই কথা বুজা যাব।

(ক) সেই প্ৰলয়ৰ দিনা
তুমি প্ৰভু হাতত ল'লা
তোমাৰ ৰুদ্ৰ-বীণা।
আনন্দময় নাছিল কোনো,
আছিল নিমাত অৰুণ জোনো,
দিগন্তেদি উঠিল জ্বলি
ভীষণ উদ্দীপনা
যিদিনা তুমি হাতত ল'লা
তোমাৰ ৰুদ্ৰ-বীণা। (সৃষ্টি-পাতনি)

(খ) কবিৰ অন্তৰখনি আলসুৱা অতি,
তুমি তাত নিদিবা যাতনা,
কবিৰ প্ৰাণৰ কথা বুজিবা কি তুমি
তোমাৰ যে উপৰুৱা মন। (কবি-প্ৰাণ)

(গ) এইযে ৰচিলো গান সকলো মিছাই,
বীণাত আপোন সুৰ বাজি উঠা নাই
ৰচিলো কতনা শোক পুলকৰ কথা,
ঢালিলো চৰণে মোৰ প্ৰাণৰ দেৱতা। (আপোন সুৰ)

সূৰ্যকুমাৰ ভূঞাৰ কবিতাৰ ভাৱ-ভাষা সৰল-সহজ। অসমীয়া বৈষ্ণৱ সমাজৰ গুৰু-গম্ভীৰ ভকতীয়া মাত-বোলৰ উপৰিও ৰবীন্দ্ৰনাথ ঠাকুৰৰ ৰোমান্টিক কাব্যশৈলীৰ প্ৰভাৱ তেওঁৰ কবিতাত দেখা যায়। তেওঁৰ অগ্ৰজ কবিসকল যেনে— লক্ষ্মীনাথ বেজবৰুৱা, চন্দ্ৰকুমাৰ আগৰৱালা আৰু যতীন্দ্ৰনাথ দুৱৰাৰ প্ৰভাৱো স্পষ্ট। অৱশ্যে গৱেষণামূলক গদ্য ৰচনাৰ প্ৰতি অধিকতৰ আগ্ৰহী হৈ পৰা কাৰণে তেওঁৰ কাব্য চৰ্চাই পূৰ্ণতা লাভ নকৰিলে। গৱেষণাৰ যুক্তি-তৰ্কই ৰোমান্টিক কবি-মনৰ কোমল অনুভূতি সাৱলীল ৰূপত প্ৰকাশ কৰাত ভেটা সৃষ্টি কৰিলে। তথাপি, অসমীয়া কবিতাৰ ইতিহাসত সূৰ্যকুমাৰ ভূঞাৰ কবি হিচাপে স্থান আছে; কাৰণ তেওঁৰ কবিতাই পাঠকৰ মনত আনন্দ সঞ্চাৰ কৰে। কাব্যিক সৌন্দৰ্যৰ বিচাৰত তেওঁৰ কবিতাৰ কিছু সংখ্যক পংক্তি উৎকৃষ্ট বুলি ক'ব পৰা যায়। যেনে—

(ক) কোন তুমি আইদেউ মুকলি চুলিৰে
ৰইছা আউজি থিৰ আকাশত গাত? (সন্ধিয়া)

(খ) কবিৰ ধাউতি, ...ধৰা সৌন্দৰ্যৰ থল,
তাত যেন ফুলি উঠে প্ৰেম শতদল। (আপোন সুৰ)

কবিয়ে আবেগ নিয়ন্ত্ৰণ কৰি সংযমেৰে প্ৰকৃতি আৰু প্ৰেমৰ জয়গান গাইছে। তেওঁৰ মতে প্ৰেমৰ প্ৰকাশ সৌন্দৰ্যৰ আকৰ প্ৰকৃতিৰ মাজতো দেখিবলৈ পোৱা যায়। 'ফুলি উঠে শতদল' - এই পদাংশই লক্ষ্মীনাথ বেজবৰুৱাৰ 'প্ৰেমত ঘুৰিছে ভূমণ্ডল/ প্ৰেমত ফুলিছে শতদল' - এই অপূৰ্ব পংক্তিটোৰ স্মৃতি জাগ্ৰত কৰে।

'নিৰ্মালি' প্ৰকাশ পোৱাৰ পাছত তাৰ এটা কপি কবিয়ে কবিগুৰু ৰবীন্দ্ৰনাথ ঠাকুৰলৈ প্ৰেৰণ কৰে। কিছুদিন পাছত কবি ভূঞালৈ ৰবীন্দ্ৰনাথ ঠাকুৰে কৃতজ্ঞতা প্ৰকাশ কৰি লিখে ঃ

It is difficult to express an opinion on poems written in a language over which one has no command. As far as I have understood. You have brought through the medium of Assamese language the stream of unfetered poetical effusion of the present age, it is through this means that there will be in your literature the pulsation of the new age.[৭]

**সূৰ্যকুমাৰ ভূঞাৰ চুটিগল্প**

বহুমুখী প্ৰতিভাৰ অধিকাৰী সূৰ্যকুমাৰ ভূঞাই চুটিগল্পও ৰচনা কৰিছিল। তেওঁৰ ১৯২৪ চনত প্ৰকাশ পোৱা পঞ্চমী শীৰ্ষক সংকলনখনত মুঠ পাঁচটা গল্প সংকলিত হৈছে - মাণিক বৰা, শিলা নহয় ফুল, আমিনা, তেতিয়া আৰু এতিয়া আৰু বিজুলী। এই গল্প কেইটিত অতীত আৰু সমসাময়িক সমাজ জীৱনৰ চিত্ৰ অংকিত হৈছে। সংকলনখনৰ প্ৰথম গল্প 'মাণিক বৰা'ৰ পটভূমি অষ্টদশ শতিকাৰ অসম। মানৰ

আক্ৰমণৰ সময় ১৭৪০ শক। অত্যাচাৰী মান সেনাৰ আক্ৰমণত দেশ জুৰুলা হৈ পৰিছে। পলাশ গোঁহাই নামৰ আহোম বিষয়াজনে কলিয়াবৰত মানৰ বিৰুদ্ধে যুঁজিবলৈ মন বান্ধিলে। তেওঁৰ তলতীয়া প্ৰধান বিষয়া মাণিক বৰাক যুদ্ধৰ খৰছৰ বাবে ধন সংগ্ৰহৰ দায়িত্ব দিলে। সেইমতে মাণিক বৰাই ধন সংগ্ৰহ কৰিলে। কিন্তু তেওঁৰ তলতীয়া কৰ্মচাৰী হৰিগতি নেওগে মাণিক বৰাৰ বিৰুদ্ধে ষড়যন্ত্ৰ কৰে। তেওঁ মাণিক বৰা অত্যাচাৰী বুলি প্ৰচাৰ কৰি প্ৰজাসকলক উত্তেজিত কৰে। উত্তেজিত প্ৰজাই বাঘ চিকাৰৰ চেলু উলিয়াই বৰাক হত্যা কৰে। এই খবৰ লাভ কৰি পলাশ গোহাই খঙত অগ্নিশৰ্মা হৈ পৰে আৰু মাণিক বৰাৰ হত্যাকাৰীসকলক শাস্তি প্ৰদান কৰে। চমু ৰূপত এয়া গল্পটিৰ কাহিনী।

ইতিহাসৰ মনোযোগী ডেকা গৱেষক সূৰ্যকুমাৰ ভূঞাৰ কাপত যুদ্ধবিধ্বস্ত মধ্যযুগৰ অসমীয়া সমাজৰ পটভূমিত অংকিত মাণিক বৰা আৰু পলাশ গোঁহাই চৰিত্ৰ দুটা উজলি উঠিছে। চৰিত্ৰ চিত্ৰণ কৰোঁতে লেখকে বুৰঞ্জীৰ উপৰিও কিংবদন্তিৰ পৰাও তথ্য যোগ কৰিছে। অৱশ্যে কাহিনী সৰস আৰু উৎকণ্ঠাযুক্ত নোহোৱাৰ কাৰণে ইয়াক সফল সৃষ্টি হিচাপে চিহ্নিত কৰিব পৰা নাযায়।

'শিলা নহয় ফুল' ভূঞাৰ দ্বাৰা ৰচিত এটা ৰোমান্টিক গল্প। এহাল নৱ দম্পতিৰ প্ৰেম আৰু অভিমানৰ চিত্ৰ তুলি ধৰি গল্পটি ৰচনা কৰা হৈছে। গল্পৰ নায়ক পুষ্পধৰ বৰুৱা কলকাতা বিশ্ববিদ্যালয়ৰ এম.এ. মহলাৰ অসমীয়া ছাত্ৰ। তেওঁ আদৰৰ আইতাকৰ কথা এৰাব নোৱাৰি বৰুণা নামৰ কম বয়সীয়া ছোৱালী এজনীক বিয়া কৰালে। বিয়াৰ পাছতো বৰুণাই সঘনে নিজৰ মাক-বাপেকৰ কথা মনত পেলাই 'ঘৰলৈ যাওঁ, ঘৰলৈ যাওঁ' বুলি এক প্ৰকাৰ অশান্তি কৰিবলৈ ধৰিলে। এই কথাত বিৰক্ত হৈ বৰুণাই চিঠি দি নমতালৈকে ওভতি নাহে বুলি কৈ পুষ্পধৰ কলকাতালৈ গুচি গ'ল। তেতিয়াহে বৰুণাৰ স্বামীৰ প্ৰতি প্ৰেম জাগি উঠিল। তেওঁ উচ পিচ কৰিব ধৰিলে —যেন পুষ্পধৰক বাটৰ পৰা ওভতাই আনিব— কিন্তু তাইৰ লাজে বিধি-পথালি দিলে। এই দৃশ্যটো লেখকে সৰল ভাষাত সুন্দৰ ৰূপত তুলি ধৰিছে ।

"পুষ্প যেতিয়া ঘৰৰ পৰা ওলাই যায়, তেতিয়া বৰুণাৰ বুকুখন চিৰিং কৰি গ'ল। তেওঁৰ গোটেই শৰীৰত যেন তড়িত প্ৰবাহ ব'বলৈ ধৰিলে। তেওঁৰ ইচ্ছা আছিল পুষ্পক যেন বাটৰ পৰা ওভতাই আনে, কিন্তু লাজে বিধি-পথালি দিলে"।

পুষ্প কলকাতালৈ যোৱাৰ পাছত বৰুণাৰ মন-প্ৰাণ অস্থিৰ হৈ পৰিল। এতিয়াহে তেওঁ স্বামীৰ ওচৰ সান্নিধ্যৰ প্ৰয়োজনীয়তা অনুভৱ কৰিলে। মনৰ ভাবনা প্ৰকাশ কৰি তেওঁ পুষ্পলৈ একাধিক চিঠি লিখিলে। চিঠিৰ উত্তৰ নাহিল, পুষ্পও বৰুণাৰ ওচৰলৈ উভতি নাহিল। কিয়নো 'পুষ্পধৰ বৰুৱা, বি. এ. কলিকতা' ঠিকনাত পঠোৱা চিঠি পুষ্পৰ হাতত নপৰিল— পাছত বৰুণাই ককায়েকৰ পৰা শুদ্ধ ঠিকনা লৈ পুনৰ চিঠি পঠিয়াই পুষ্পক ঘৰলৈ ওভতি আহিবলৈ অনুৰোধ কৰিলে। এইবাৰ পুষ্পই পত্নীৰ চিঠি পালে। তেওঁ ওভতি আহিল। এইদৰে নৱ বিবাহিত দম্পতিৰ পুনৰ মিলনৰ ছবিৰে গল্পটি সামৰণি মৰা হৈছে।

বিশিষ্ট সমালোচক উপেন্দ্ৰনাথ শৰ্মাই 'শিলা নহয় ফুল' গল্পত লেখক সূৰ্যকুমাৰ ভূঞাই নিজৰ জীৱনৰ অভিজ্ঞতা প্ৰতিফলিত কৰিছে বুলি অনুমান কৰিছে। ইয়াৰ উপৰিও কাহিনীৰ পশ্চাৎপটত হেমচন্দ্ৰ গোস্বামীৰ দ্বাৰা ৰচিত, সমসাময়িক কালৰ জনপ্ৰিয় কবিতা 'প্ৰিয়তমাৰ চিঠি'ৰ উপস্থিতিৰ কথাও তেখেতে দোহাৰিছে।

"গল্পটোত দুই-এটা আত্মজীৱনীমূলক অভিজ্ঞতা প্ৰতিফলিত হ'লেও হ'ব পাৰে। কিন্তু গল্পটোৰ পশ্চাৎপট হিচাপে হেমচন্দ্ৰ গোস্বামীৰ বিখ্যাত চনেট 'প্ৰিয়তমাৰ চিঠি'ও থকা যেন লাগে। গল্পটোত কবিতাটো উল্লেখ কৰা হৈছে।"[৮]

কাহিনীত আৰোপিত দ্বন্দ্ব তীব্ৰ নহ'লেও গল্পটোত সৰল ৰূপত প্ৰকাশিত ৰোমান্টিক আবেদনে পাঠকক আনন্দিত কৰে। ১৯১১ চনৰ ৰচিত এই গল্পটোত ডেকা লেখকৰ হাতত কিশোৰী বৰুণা চৰিত্ৰটি সুন্দৰ ৰূপত বিকাশিত হৈছে।

সৰল কাহিনীযুক্ত 'আমিনা' গল্পত লেখকৰ মানৱতাবাদী দৃষ্টিভংগীৰ প্ৰকাশ ঘটিছে। এই গল্পৰ কাহিনীত বিশেষ গভীৰতা নাই। আমিনা নামৰ ১১ বছৰীয়া কন্যা শিশুটিয়ে সৰু ভায়েক গফুৰৰ সৈতে লেখকৰ বাগানত ফুৰি আছিল। লেখকে আমিনাৰ লগত কথা পাতি গম পালে যে তাইৰ ককায়েকৰ বেমাৰ। দুখীয়াৰ প্ৰতি দয়ালু লেখকে বেমাৰীৰ চিকিৎসাৰ ব্যৱস্থা কৰিলে। লাহে লাহে তেওঁৰ আমিনাৰ প্ৰতি স্নেহ উপজিল আৰু তাইৰ ঘৰৰ মানুহবোৰৰ লগতো আন্তৰিক সম্পৰ্ক গঢ়ি উঠিল। এই সম্পৰ্কৰ কথা প্ৰকাশ কৰি গল্পকাৰে "সেই স্নেহ তৰুৰ গজালি মেলি একেদিনাখনেই যেন তাৰ পৰা কুঁহিপাত ওলাল আৰু সেইদিনাৰ ভিতৰতে সি জকমককৈ ফুলিবলৈ ধৰিলে।" এই সাধাৰণ কাহিনীটোৰ জৰিয়তে লেখকে যেন তেওঁৰ জীৱন-দৰ্শনৰ মানৱতাবাদী স্বৰূপটো প্ৰকাশ কৰিছে।

সূৰ্যকুমাৰ ভূঞাৰ দ্বাৰা ৰচিত ‘তেতিয়া আৰু এতিয়া’ শীৰ্ষক গল্পটিত ১৪ বছৰ বয়সতে পিতৃহাৰা হোৱা ল’ৰা এটিৰ জীৱন-সংগ্ৰামৰ ছবি সহজ-সৰল ভাষাত উপস্থাপন কৰা হৈছে। চৈধ্য বছৰীয়া কিশোৰ নীলাম্বৰে হঠাতে তেওঁৰ পিতৃ, জনদৰদী উকীল পীতাম্বৰ হাজৰিকাক হেৰুৱাই প্ৰচণ্ড অসহায় অৱস্থাত পৰে। মুঞ্চিপ ৰত্নধৰকে আদি কৰি যিসকল লোক তেওঁৰ পিতৃৰ দ্বাৰা উপকৃত হৈছিল, তেওঁলোকৰ পৰাও নীলাম্বৰে কোনো ধৰণৰ সহায় নাপালে। বৰং তিৰস্কাৰহে লাভ কৰিলে। অৱশ্যে এগৰাকী কৃতজ্ঞ লোক আছিল। পীতাম্বৰ হাজৰিকাৰ পৰা পোৱা সহায়ৰ কথা সুঁৱৰি নীলাম্বৰলৈ সহায়ৰ হাত আগবঢ়ালে শুকুলা গাঁওবুঢ়াই। ধান-চাউলৰ উপৰিও টকা-পইচাৰেও তেওঁ নীলাম্বৰক সহায় কৰিলে। গাঁওবুঢ়াৰ সহায়-সমৰ্থনত নীলাম্বৰে পঢ়া-শুনা কৰি হাকিম হ’ল। তেতিয়া মুঞ্চিপ ৰত্নধৰে তেওঁৰ জীয়েকক নীলাম্বৰলৈ বিয়া দিয়াৰ প্ৰস্তাৱ আগবঢ়ালে। নীলাম্বৰে সেই প্ৰস্তাৱ পোনচাতেই নাকচ কৰিলে। ইতিমধ্যে শুকুলা গাঁওবুঢ়াৰ মৃত্যু হৈছে। নীলাম্বৰ অকৃতজ্ঞ লোক নহয়। গাঁওবুঢ়াই কৰা সহায়ৰ কথা তেওঁ পাহৰিব নোৱাৰে। সেইবাবেই তেওঁ গাঁওবুঢ়াৰ জীয়েক শীতলাক বিয়া কৰালে। এই গল্পত নীলাম্বৰ আৰু গাঁওবুঢ়া দুয়োটাই গাঁৱলীয়া আদৰ্শ চৰিত্ৰ। সময়ৰ পৰিৱৰ্তনে গাঁৱলীয়া সমাজলৈ পৰিৱৰ্তন আনিছে। দুখীয়া-দৰিদ্ৰ, অভাৱি-অসহায়জনৰ প্ৰতি গাঁৱৰ প্ৰায়বোৰ লোকৰে সহানুভূতি নোহোৱা হৈছে। অৱশ্যে মুষ্টিমেয় দুই এজন লোক এতিয়াও গাঁৱত পোৱা যায়, যিসকলে হেলাৰঙে বিপদত পৰা জনলৈ সহায়ৰ হাত আগবঢ়ায়। নীলাম্বৰ আৰু গাঁওবুঢ়া তেনে সৎ লোকক প্ৰতিনিধিত্ব কৰা দুটা আদৰ্শ চৰিত্ৰ।

সূৰ্যকুমাৰ ভূঞাই ১৯১৩ চনত ৰচনা কৰা ‘বিজুলী’ গল্পত ৰোমান্টিক লেখকৰ ৰোমাঞ্চ সৃষ্টিৰ প্ৰচেষ্টা পৰিলক্ষিত হয়। নায়কে বিজুলীক প্ৰাণ ভৰি ভাল পাইছিল। দুয়োৰে প্ৰেম গভীৰ। দুয়ো দুয়োকে এৰি থাকিব নোৱাৰে। কিন্তু বাস্তৱ বৰ নিষ্ঠুৰ। বিয়াৰ কিছুদিন পাছতে বিজুলীৰ মৃত্যু হ’ল। মৃত্যুৰ আগে আগে শয্যাশায়ী বিজুলীয়ে নায়কক কয় যে, মৃত্যুৰ পাছতো তেওঁৰ উপস্থিতি নায়কে সদায় অনুভৱ কৰিব। নায়কে বিজুলীক প্ৰতিশ্ৰুতি দিলে যে দুয়োৰে বিচ্ছেদ ঘটিলেও তেওঁ কেতিয়াও দ্বিতীয় বিবাহ নকৰায়। নায়কৰ প্ৰতিশ্ৰুতিয়ে বিজুলীক আশ্বস্ত কৰিলে। তেওঁ শান্তিৰে শেষ নিশ্বাস ত্যাগ কৰিলে। কিন্তু বাস্তৱত তাৰ বিপৰীতটো হ’ল। চাকৰিয়াল নায়কৰ বদলি হ’ল চহৰলৈ। চহৰীয়া কৃত্ৰিমতাৰ প্ৰভাৱত পৰা নায়কে বিজুলীক দিয়া প্ৰতিশ্ৰুতিৰ কথা পাহৰি গ’ল। তেওঁ দ্বিতীয় বিবাহ কৰালে। কিন্তু গভীৰ নিশা তেওঁ যেন বিজুলীৰো উপস্থিতি অনুভৱ কৰিলে। বিজুলীৰ আত্মাই যেন প্ৰেমিকৰ দ্বিতীয় বিবাহত সমৰ্থন জনাইছে।

‘বিজুলী’ গল্পত লেখকৰ ৰোমান্টিক কল্পনাৰ প্ৰকাশ মন কৰিবলগীয়া, পৰিৱেশ সৃষ্টিও আকৰ্ষণীয়। বিশিষ্ট সমালোচক ত্ৰৈলোক্যনাথ গোস্বামীয়ে উল্লেখ কৰিছে, “গল্পটো এলেন পোৰ এটা ইংৰাজী গল্পৰ মুকলি অনুবাদ। মূল কাহিনীৰ লগত শেষৰ অংশৰ সামান্য অমিল আছে। ছপা কিতাপত এই স্বীকৃতি হয়তো ভুলতে কৰা হোৱা নাই।’ [৯]

ত্ৰৈলোক্যনাথ গোস্বামীয়ে উল্লেখ কৰা এডগাৰ এলেন পো (১৮০৯-৪৯) ৰ গল্পটো হ’ল ১৮৩৮ চনত প্ৰকাশ পোৱা ‘লিজেইয়া’ (Ligeia)। পোৰ গল্পটোৰ নায়িকা লেডি লিজেইয়াৰ আখ্যায়কৰ সৈতে গভীৰ প্ৰেম। তেওঁৰ প্ৰেম ইমানেই গভীৰ যে মৃত্যুৰ পাছতো তেওঁ আখ্যায়কৰ সংগ নেৰে, তেওঁৰ আত্মাই দ্বিতীয় পত্নী ৰয়েনাৰ আশ্ৰয় লয়। বিয়াৰ কিছুদিন পাছতে ৰয়েনাৰো মৃত্যু হয়। নিশা ৰয়েনাৰ মৃতদেহত নায়কে তেওঁৰ প্ৰথম পত্নী লিজেইয়াক যেন দেখিবলৈ পায়।[১০] এলেন পোয়ে অলৌকিক বৰ্ণনাৰ মাজেৰে ৰোমাঞ্চ সৃষ্টি কৰি কাহিনী সজাইছিল। সূৰ্যকুমাৰ ভূঞাই অসমীয়া গল্পলৈ সেই কৌশল আমদানি কৰিবলৈ বিচাৰিয়ে যেন ‘বিজুলী’ গল্পটো ৰচনা কৰিছিল।

সূৰ্যকুমাৰ ভূঞাৰ গল্পৰ কাহিনী সহজ-সৰল। সিবোৰত মধ্যবিত্ত আৰু নিম্নবিত্ত শ্ৰেণীৰ আশা-আকাংক্ষা, হৰ্ষ-বিষাদ, প্ৰেম-বিৰহৰ চিত্ৰ অংকিত হৈছে। কাহিনীৰ দ্বন্দ্বৰ তীব্ৰতা আৰু গভীৰ জীৱনবোধৰ প্ৰকাশ সিবোৰত ফুটি উঠা নাই। অৱশ্যে কাহিনী বৰ্ণনাৰ সজীৱতাই পাঠকৰ মন আকৰ্ষণ কৰে। সেই আকৰ্ষণ গল্পৰ আৰম্ভণিৰ পৰা শেষলৈ অব্যাহত থাকে। গল্প লেখক হিচাপে তেওঁৰ সাৰ্থকতা তাতেই।

**আনুসংগিক টোকা ঃ**

১) সূৰ্যকুমাৰ ভূঞাৰ দ্বাৰা ৰচিত অসমীয়া গ্ৰন্থসমূহ —

(ক) কবিতা আৰু চুটিগল্প সংকলন ঃ

(১) নিৰ্মালী (১৯১৮, কবিতা পুথি) (২) পঞ্চমী (১৯২৭,গল্প সংকলন) (৩) বৰফুকনৰ গীত (সম্পাদিত, ১৯২৪)

(খ) বুৰঞ্জীৰ আধাৰত ৰচিত গদ্য ৰচনা ঃ

(১) আহোমৰ দিন (১৯১৮) (২) জয়মতীৰ

উপাখ্যান (১৯২০) (৩) কোঁৱৰ বিদ্ৰোহ (১৯৪৮) (৪) ৰমণী গাভৰু (১৯৫১) (৫)
বুৰঞ্জীৰ বাণী (১৯৫১) (৬) লাচিত বৰফুকন (১৯৬২) (৭) শৰাইঘাটৰ সুবচনী (সম্পাদিত, ১৯৬৩) (৮) ৰোজেশ্বৰ সিংহ (১৯৭৫, মৰণোত্তৰ প্ৰকাশ)

(গ) জীৱনী আৰু জীৱন ভিত্তিক ৰচনা ঃ

(১) গোপালকৃষ্ণ গোখলে (১৯১৬)

(২) আনন্দৰাম বৰুৱা (১৯২০) (৩) ৰবীন্দ্ৰ ঠাকুৰ (১৯২০) (৪) হৰিহৰ আতা (১৯৬০)

(ঘ) সম্পাদিত বুৰঞ্জী পুথি ঃ

(১) কামৰূপৰ বুৰঞ্জী (১৯৩০) (২) টুংখুঙীয়া অসম বুৰঞ্জী (১৯৩২) (৩) দেউধাই অসম বুৰঞ্জী (১৯৩৩) (৪) কছাৰী বুৰঞ্জীৰ (১৯৩৬) (৫) জয়ন্তীয়া বুৰঞ্জী (১৯৩৭), (৬) ত্ৰিপুৰা বুৰঞ্জী (১৯৩৮) (৭) অসম বুৰঞ্জী (১৯৪৫) (৮) সাতসৰী অসম বুৰঞ্জী (১৯৬০)

২. (i) Lachit Borphukan and His Times, (ii) Atan Buragohain and his Times (iii) An Assamese Nurzahan (1926) (iv) Early British Relations with Assam (1928) (v) Assamese Literature - Ancient and Modern (1936)

৩। ১৯০১ চনৰ পৰা ১৯১৮ চনলৈ কটন কলেজত নিযুক্ত আৰু সেৰা আগবঢ়োৱা অধ্যাপকসকলৰ কেইগৰাকীমান হ'ল ঃ

(ক) এফ. ডব্লিও. চুদমাৰ্চন, বি.এ. (লণ্ডন) অধ্যক্ষ, বিষয় - ইংৰাজী

(খ) বাবু চুন্নিলাল দে, পদাৰ্থ বিজ্ঞান আৰু ৰসায়ন বিজ্ঞান

(গ) বাবু পৰেশ নাথ লাহিৰি, সংস্কৃত আৰু বুৰঞ্জী

(ঘ) বাবু ইন্দু ভূষণ ব্ৰহ্মচাৰী, এম.এ. গণিত আৰু তৰ্ক শাস্ত্ৰ

(ঙ) মৌলবী আবু নাচাৰ মহম্মদ ৱাহিদ, আৰবী, পাৰ্ছী আৰু হিন্দুস্থানী

(চ) বাবু নৰেন্দ্ৰ নাথ ৰয়, এম.এ. (চুদমাৰ্চনৰ দীঘলীয়া মেডিকেল চুটীৰ বিপৰীতে)

(ছ) বাবু ৰজনী কান্ত বৰত, এম.এ, গণিত আৰু তৰ্ক শাস্ত্ৰ

(জ) বাবু পদ্মনাথ ভট্টাচাৰ্য বিদ্যাবিনোদ, সংস্কৃত আৰু বুৰঞ্জী

(ঝ) মৌলৱী মহম্মদ ইৰফান, আৰবী, পাৰ্ছী আৰু হিন্দুস্থানী,

(ঞ) আব্দুল্লা আবু চয়ীদ, আৰবী, পাৰ্ছী আৰু হিন্দুস্থানী

৪। 'সূৰ্যকুমাৰ ভূঞা', লেখক প্ৰবীণ গগৈ, ২০১০, পৃ. ৭৫-৭৬.

৫। প্ৰাগুক্ত গ্ৰন্থ, পৃ. ৭৭

৬। প্ৰাগুক্ত গ্ৰন্থ, পৃ. ১৫৬-৫৭

৭। Dr. S.K Bhuyan ঃ a birth - centenary tribute by Dr. Yamini Phukan, A Centenary Volume 1894-1994 Part -1, Edited by Sri Surendramohan Thakuria

৮। ড° সূৰ্যকুমাৰ ভূঞাৰ সাহিত্যকৃতি, সাহিত্য ঃ ৰোমাণ্টিক আৰু আধুনিক, নটসূৰ্য ফণী শৰ্মা সোঁৱৰণী সমিতি, অসম, ২০০২

৯। আধুনিক গল্প সাহিতজ্য, ১৯৭২, পৃ. ১৫৩.

১০. It is a story of a love so strong that it overcomes the realms of death. The unnamed narrator is so in love with the Lady Ligeia, as she is with him, that her untimely death soon after their marriage was unable to separate them. Ligeia rejoins the narrator in life through the body of another, Lady Rowena Trevanion of Tremaine. Rowena is the second wife and she too dies shortly after her marriage to the narrator. Though he marries another, he still thought only of Ligeia. With Rowena's death, Ligeia saw the change for a reunion with her beloved.
[www.bartleby.com/essay/Resurrected-Love-an-Analysis-of-Edgar-Allen].
26/05/2019.

# অসমীয়া আলোচনীৰ ভাষাত ভাষা-সংক্ৰমণ (Code switching)

**পুষ্পাঞ্জলি হাজৰিকা**
*গৱেষক ছাত্ৰী, ডিব্ৰুগড় বিশ্ববিদ্যালয়*
(puspanjali.hazarika30@gmail.com]

**সংক্ষিপ্ত-সাৰ ঃ**

*সমাজভাষাবিজ্ঞানৰ এটা গুৰুত্বপূৰ্ণ দিশ হ'ল ভাষা সংক্ৰমণ। দ্বিভাষিক আৰু বহুভাষিক পৰিৱেশত ভাষা-সংক্ৰমণ সহজে দেখিবলৈ পোৱা যায়। যেতিয়া এজন বক্তাই প্ৰথম ভাষাৰ উপৰিও অন্য এটা ভাষা বা এটাতকৈ অধিক ভাষা আয়ত্ত কৰে তেতিয়া তেওঁ কথোপকথনৰ সময়ত স্বাভাৱিকভাৱ এটাতকৈ অধিক ভাষা ব্যৱহাৰ কৰে। এনেদৰে কোনো এটা ভাষা ব্যৱহাৰৰ সময়ত যেতিয়া এজন বক্তাই অন্য এটা ভাষাও শুদ্ধ ৰূপত ব্যৱহাৰ কৰে তাকে ভাষা-সংক্ৰমণ বোলা হয়। ভাষা-সংক্ৰমণ দ্বিভাষী বা বহুভাষীলোকৰ মাজত হোৱা দেখা যায়। সাম্প্ৰতিক অসমৰ সমাজ-জীৱনলৈও বিভিন্ন পৰিৱৰ্তন আহিছে। ভাষা সামাজিক পৰিৱেশৰ দ্বাৰা নিয়ন্ত্ৰিত। পৰিৱৰ্তিত সামাজিক পৰিস্থিতিত ভাষাৰ পৰিৱৰ্তনো নিশ্চিত। সমাজ-জীৱনৰ পৰিৱৰ্তনৰ লগে লগে সাহিত্যৰ ভাষাৰো পৰিৱৰ্তন হয়। সাহিত্যত সমাজ-জীৱনৰ বাস্তৱ ৰূপ প্ৰকাশ পায়। সেই কাৰণে সাহিত্যিকেও যুগধৰ্মী ভাষা প্ৰয়োগ কৰে। সাম্প্ৰতিক সময়ত অসমীয়া সাহিত্যিকেও নিজস্ব সৃষ্টিকৰ্মত বাস্তৱ জীৱনৰ প্ৰকাশৰ বাবে দৈনন্দিন বাক্-ব্যৱহাৰৰ ভাষা প্ৰয়োগ কৰা দেখা গৈছে। ফলত লিখিত সাহিত্যত ভাষা-সংক্ৰমণ স্বাভাৱিক। আধুনিক যুগত সাহিত্যৰ বিকাশ সাধনত আলোচনীয়ে বিশেষ বৰঙণি আগবঢ়াই আহিছে। আলোচনীসমূহৰ লেখাত সাম্প্ৰতিক সময়ৰ ভাষা ৰূপৰ প্ৰতিফলন হয়। এই প্ৰবন্ধত অসমীয়া আলোচনীৰ লেখাত হোৱা ভাষা-সংক্ৰমণৰ বিষয়ে আলোচনা কৰা হ'ব।*

***সূচক শব্দাৱলী ঃ*** *ভাষা-সংক্ৰমণ, ভাষা-সংযোগ, সমাজভাষাবিজ্ঞান, দ্বিভাষী, বহুভাষী ।*

## ০.০০ অৱতৰণিকা

### ০.১ বিষয়ৰ পৰিচয়

অসমীয়া ভাষাই প্ৰাচীন অসমীয়া ভাষাৰ স্তৰৰ পৰা পৰিৱৰ্তনৰ মাজেৰে নতুন নতুন ভাষিক উপাদান গ্ৰহণ কৰি বিৱৰ্তনৰ মাজেৰে বৰ্তমানৰ অৱস্থাত উপনীত হৈছে। অসমৰ নৃগোষ্ঠীসকলে অষ্ট্ৰিক, আৰ্যমূলীয় অসমীয়া, চীন-তিব্বতীয় ভাষা পৰিয়ালৰ বড়ো, মিচিং, কাৰ্বি, তিৱা, দেউৰী, ৰাভা, ফাকে, খামতি, আইতন, টুৰুং আদি ভাষা-উপভাষাসমূহ ব্যৱহাৰ কৰি বসবাস কৰি আছে। সাধাৰণতে দুটাভাষিক জনগোষ্ঠীৰ মাজত ঘটা পাৰস্পৰিক ভাৱ বিনিময়, সহ-অৱস্থান, সামাজিক সম্পৰ্ক, বেপাৰ-বাণিজ্য, প্ৰব্ৰজন, যাতায়ত আদি বিভিন্ন কাৰণত দুটা ভাষাৰ সংযোগ হ'ব পাৰে। এনেদৰে দুটা ভাষাগোষ্ঠীৰ মাজত হোৱা সংযোগৰ ফলত ভাষিক উপাদানৰ আদান-প্ৰদানৰ জৰিয়তে ভাষা-সংক্ৰমণ হয়। ইংৰাজী 'code-switching' শব্দৰ অসমীয়া পৰিভাষা হিচাপে 'ভাষা-সংক্ৰমণ' শব্দ ব্যৱহাৰ কৰা হৈছে। অসমত বাস কৰা বড়ো, মিছিং, দেউৰী আদি ভাষিক জনগোষ্ঠীসকলৰ সৰহ সংখ্যক লোকেই নিজৰ মাজত ভাৱৰ আদান-প্ৰদান কৰোঁতে নিজা কথিত ভাষা প্ৰয়োগ কৰে। আনহাতে এই জনগোষ্ঠীসমূহে অন্য ভাষা-ভাষী লোকৰ লগত ভাৱৰ আদান-প্ৰদানৰ বাবে অসমীয়া ভাষা ব্যৱহাৰ কৰে। এনে কাৰণত অসমীয়া ভাষাই থলুৱা আৰ্যভিন্ন ভাষাসমূহৰ পৰা বিভিন্ন উপাদান গ্ৰহণ কৰিছে। বিংশ শতিকাৰ শেষৰ দুটা দশকৰ পৰা তথ্য-প্ৰযুক্তিৰ দ্ৰুত বিকাশ আৰু বিশ্বায়নৰ ফলত বৰ্তমানলৈকে অসমীয়া ভাষাত ইংৰাজী আৰু হিন্দী ভাষাৰ শব্দ, বাক্য আদিৰ প্ৰয়োগ বেছি হ'বলৈ ধৰিছে। বহুভাষিক পৰিৱেশত

ভাৰ-বিনিময়ৰ বাবে কোনটো ভাষাই অংশগ্ৰহণকাৰীসকলৰ প্ৰয়োজন পূৰণ কৰিব সেয়া এক গুৰুত্বপূৰ্ণ প্ৰশ্ন। ভাষাৰ ব্যৱহাৰৰ লগত বক্তা আৰু শ্ৰোতা এই দুয়োটা শ্ৰেণী জড়িত হৈ থাকে। গতিকে ভাষা নিৰ্বাচনৰ ক্ষেত্ৰতো কেতবোৰ দিশ যেনে - বিষয়, পৰিৱেশ, শ্ৰোতা আৰু বক্তাৰ দক্ষতা এইসমূহ জড়িত হৈ থাকে। পৰিৱৰ্তিত সামাজিক পৰিস্থিতিত ভাষাৰ পৰিৱৰ্তনো নিশ্চিত। পাশ্চাত্য সভ্যতা-সংস্কৃতিৰ প্ৰতি অসমীয়া মানুহৰ ক্ৰমান্বয়ে বাঢ়ি যোৱা আকৰ্ষণ, তথ্য-প্ৰযুক্তিৰ দ্ৰুত বিকাশ, বিশ্বায়ন ইত্যাদি কাৰণত নিত্য নতুন সামগ্ৰী আমাৰ মাজলৈ আহিছে। সমাজ-জীৱনৰ পৰিৱৰ্তনৰ লগে লগে সাহিত্যৰ ভাষাৰো পৰিৱৰ্তন হৈছে। লিখিত ৰূপতো ভাষা-সংক্ৰমণ এক সহজ প্ৰক্ৰিয়া। কোনো এছোৱা সময়ৰ লিখিত ভাষা ৰূপৰ নিদৰ্শন সেই সময়ছোৱাত প্ৰকাশিত আলোচনীসমূহৰ লেখাত প্ৰতিফলিত হয়। আমাৰ গৱেষণা-পত্ৰৰ বাবে নিৰ্বাচিত আলোচনীসমূহলৈ মন কৰিলে দেখিবলৈ পোৱা যায় যে, আলোচনীত প্ৰকাশিত বিভিন্ন লেখাত ইংৰাজী, হিন্দী অথবা জনগোষ্ঠীয় ভাষাৰ সংক্ৰমণ হৈছে। গৱেষণা পত্ৰখনত নিৰ্বাচিত আলোচনীত প্ৰকাশিত বিভিন্ন লেখাৰ আধাৰত অসমীয়া ভাষাত হোৱা ভাষা-সংক্ৰমণ সম্পৰ্কে আলোচনা কৰা হৈছে।

**০.২ অধ্যয়নৰ গুৰুত্ব**

অসমীয়া ভাষাত বহু পূৰ্বৰে পৰা ভাষা-সংক্ৰমণ হৈ আহিছে যদিও এই সম্পৰ্কে তাত্ত্বিক দৃষ্টিভংগীৰে এতিয়াও গৱেষণা হোৱা নাই। সাম্প্ৰতিক সময়ত অসমীয়া ভাষাত ইংৰাজী, হিন্দী ভাষাৰ শব্দ, বাক্যৰ বহুল প্ৰয়োগে ভাষাটোক অন্য ৰূপ প্ৰদান কৰিছে। গতিকে, সাম্প্ৰতিক প্ৰেক্ষাপটত অসমীয়া ভাষাই কেনে ৰূপ পৰিগ্ৰহণ কৰিছে সেয়া অধ্যয়ন কৰাটো অতি গুৰুত্বপূৰ্ণ। অসমীয়া ভাষাৰ লিখিত ৰূপতো ভাষা-সংক্ৰমণ হোৱাটো স্বাভাৱিক। আলোচনীসমূহত বিভিন্ন বিষয়ৰ লেখা প্ৰকাশ হয়। গতিকে বিভিন্ন বিষয়ত কেনেদৰে ভাষা-সংক্ৰমণ হৈছে সেই বিষয়ে আলোচনীসমূহৰ ভাষাৰ আধাৰত অধ্যয়ন কৰাটো গুৰুত্বপূৰ্ণ।

**০.৩ অধ্যয়নৰ উদ্দেশ্য**

অসমীয়া ভাষাত বৰ্তমানলৈকে ভাষা-সংক্ৰমণ সম্পৰ্কীয় তাত্ত্বিক অথবা প্ৰায়োগিক অধ্যয়ন হোৱা নাই। কিন্তু ভাষা অধ্যয়নৰ এটা গুৰুত্বপূৰ্ণ দিশ হ'ল ভাষা-সংক্ৰমণ। ভাষা-সংক্ৰমণৰ বিষয়ে আলোচনা কৰিবলৈ যাওঁতে বিস্তৃত পৰিসৰ সামৰি লয়। আলোচ্য গৱেষণা-পত্ৰখনত একবিংশ শতিকাৰ অসমীয়া আলোচনীৰ ভাষাত হোৱা ভাষা-সংক্ৰমণ সম্পৰ্কে আলোচনা কৰা হৈছে।

**০.৪ অধ্যয়নৰ পৰিসৰ**

গৱেষণা পত্ৰখন প্ৰস্তুত কৰোঁতে একবিংশ শতিকাৰ দ্বিতীয় দশকৰ প্ৰথম বছৰত প্ৰকাশ পোৱা নিৰ্বাচিত দুখন আলোচনীৰ আধাৰত প্ৰস্তুত কৰা হৈছে। সেয়া হৈছে প্ৰান্তিক আৰু গৰীয়সী। অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিৰ লগত জড়িত বিভিন্ন লেখাৰ গুৰুত্বৰ দিশৰ পৰা এই দুখন আলোচনী গ্ৰহণ কৰা হৈছে। আলোচনাৰ পৰিসৰত অসমীয়া আলোচনীৰ বিভিন্ন লেখাত যেনে, বিজ্ঞান, চলচ্চিত্ৰ, সমালোচনা ইত্যাদি বিভিন্ন লেখাত কনেদৰে ভাষা-সংক্ৰমণ হৈছে এই দিশসমূহ সামৰি লোৱা হৈছে। গৱেষণা পত্ৰখনত অসমীয়া ভাষাত হোৱা ইংৰাজী আৰু হিন্দী ভাষাৰ সংক্ৰমণৰ বিষয়ে আলোচনা কৰা হ'ব।

**০.৫. তথ্য বিশ্লেষণৰ পদ্ধতি**

'অসমীয়া আলোচনীৰ ভাষাত ভাষা-সংক্ৰমণ' শীৰ্ষক গৱেষণা পত্ৰখন প্ৰস্তুত কৰোতে বৰ্ণনাত্মক আৰু সমাজভাষাবৈজ্ঞানিক পদ্ধতি গ্ৰহণ কৰা হৈছে।

**১.০ মূল আলোচনা**

সমাজভাষাবিজ্ঞানৰ এটা গুৰুত্বপূৰ্ণ দিশ হ'ল ভাষা সংক্ৰমণ। দ্বিভাষিক আৰু বহুভাষিক পৰিৱেশত ভাষা-সংক্ৰমণ সহজে দেখিবলৈ পোৱা যায়। যেতিয়া এজন বক্তাই প্ৰথম ভাষাৰ উপৰিও অন্য এটা ভাষা বা এটাতকৈ অধিক ভাষা আয়ত্ত কৰে তেতিয়া তেওঁ কথোপকথনৰ সময়ত স্বাভাৱিকভাৱ এটাতকৈ অধিক ভাষা ব্যৱহাৰ কৰে। এনেদৰে কোনো এটা ভাষা ব্যৱহাৰৰ সময়ত যেতিয়া এজন বক্তাই অন্য এটা ভাষাও শুদ্ধ ৰূপত ব্যৱহাৰ কৰে তাকে ভাষা-সংক্ৰমণ বোলা হয়। ভাষা-সংক্ৰমণ সম্পৰ্কে বিভিন্ন ভাষাবৈজ্ঞানিকে সংজ্ঞা আগবঢ়াইছে। সেই সম্পৰ্কে তলত আলোচনা কৰা হ'ল -

আৰ. এ. হাডচনে (R.A. Hudson) *Sociolinguistics* (2007) গ্ৰন্থত ভাষা-সংক্ৰমণৰ বিষয়ে কৈছে যে, বহুভাষিক ভাষা-গোষ্ঠীৰ মাজত বিভিন্ন পৰিৱেশ-পৰিস্থিতিত বেলেগ বেলেগ ধৰণে ভাষা প্ৰয়োগ কৰা দেখা যায় আৰু সামাজিক নিয়মে ইয়াক নিয়ন্ত্ৰণ কৰে। হাডচনে এনেধৰণেও কৈছে যে এজন বক্তাই বিভিন্ন পৰিৱেশত বিভিন্ন ধৰণে প্ৰয়োগ কৰা ভাষাই হৈছে ভাষা-সংক্ৰমণ।[1] হেলিডেৰ মতে ভাষা-সংক্ৰমণ হৈছে, ভাষা সঞ্চালনৰ এক প্ৰক্ৰিয়া। বক্তাই এটা ভাষাৰ পৰা অন্য এটা ভাষালৈ গতি কৰে আৰু প্ৰায়ে এই

প্ৰক্ৰিয়াটোৰপুনৰাবৃত্তি কৰে।[৪] কাচাৰোৰ মতে - বহুভাষী ব্যক্তিয়ে দুটা বা তাতকৈ অধিক ভাষা বিকল্প হিচাপে প্ৰয়োগ কৰা প্ৰক্ৰিয়াই ভাষা-সংক্ৰমণ। হাইমচে ভাষা-সংক্ৰমণৰ বিষয়ে আলোচনা কৰোঁতে এনেদৰে কৈছে যে, দুটা বা ততোধিক ভাষা-ব্যৱহাৰৰ ক্ষেত্ৰত ভাষা-সংক্ৰমণ এক সহজ (common) প্ৰক্ৰিয়া। ভাষা-সংক্ৰমণৰ বিষয়ে অধ্যয়ন কৰাটো এইবাবেও গুৰুত্বপূৰ্ণ যে দ্বিভাষিকতা আৰু দ্বি-উপভাষিকতাৰ অধ্যয়নো অতি গুৰুত্বপূৰ্ণ।[৫] দি পেট্ৰ'(Dipetro) এ ভাষা-সংক্ৰমণৰ বিষয়ে কৈছে যে -যোগাযোগকাৰীয়ে যেতিয়া কথোপকথনৰ সময়ত এটাতকৈ অধিক ভাষা প্ৰয়োগ কৰে তাকেই ভাষা-সংক্ৰমণ বোলে।[৬] পিটাৰ ট্ৰাড্‌গিল (Peter Trudgil) - এ *A Glossary of Sociolingusitics* (2004) গ্ৰন্থত ভাষা-সংক্ৰমণৰ বিষয়ে সংজ্ঞা আগবঢ়াবলৈ গৈ কৈছে যে, দ্বিভাষী আৰু দ্বি উপভাষী বক্তাই কোনো কথোপকথনত যেতিয়া এটা ভাষাত কথা কৈ থাকোঁতে অন্য ভাষা ব্যৱহাৰ কৰে তেনে প্ৰক্ৰিয়াক ভাষা-সংক্ৰমণ বোলে। বহুভাষিক পৰিৱেশত এনে ব্যৱহাৰ প্ৰায়ে দেখা যায় বুলি তেখেতে উল্লেখ কৰিছে।[৭] ডেভিদ ক্ৰিষ্টল (Devid Crystal) এ *A Dictionary of linguistic and phonectics* (2004) গ্ৰন্থত ভাষা-সংক্ৰমণৰ বিষয়ে কৈছে যে দ্বিভাষী ব্যক্তি এজনে অন্য এজন দ্বিভাষী ব্যক্তিৰ লগত কথা পাতোঁতে দুটা ভাষাৰ সংক্ৰমণ হয়।[৮] ষ্টিফেন গ্ৰেমলিয়ে (Stephen Gramely) ভাষা-সংক্ৰমণৰ বিষয়ে এনেদৰে কৈছে যে যেতিয়া এজন বক্তাই কোনো এটা বাক্য এটা ভাষাত আৰম্ভ কৰে আৰু আন এটা ভাষাৰে শেষ কৰে তেতিয়া তাক ভাষা-সংক্ৰমণ বোলে।[৯]

বিশ্বজিৎ দাসে *সমাজভাষাবিজ্ঞান* (২০১৫) গ্ৰন্থত 'Code-Switching' শব্দৰ অসমীয়া পৰিভাষা হিচাপে 'ভাষা-সঞ্চৰণ' শব্দটো ব্যৱহাৰ কৰিছে। তেখেতে ভাষা-সঞ্চৰণ আৰু ভাষা-মিশ্ৰণ সম্পৰ্কে দুটা প্ৰবন্ধত আলোচনা কৰিছে। ফণীন্দ্ৰ নাৰায়ণ দত্তবৰুৱাই *আধুনিক ভাষাবিজ্ঞান পৰিচয়* (২০০৬) গ্ৰন্থত ভাষা-সংক্ৰমণ আৰু ভাষা-মিশ্ৰণৰ বিষয়ে উল্লেখ কৰিছে। তেখেতে ভাষা-সংক্ৰমণ সম্পৰ্কে কৈছে যে- অদক্ষ দোভাষীয়ে কৈ থকা ভাষাত কথা বিচাৰি নাপাই আন এটা ভাষাৰ আশ্ৰয় লয়, কথাৰ মাজতে আকৌ ঘূৰি ঘূৰি মূল ভাষালৈ আহে, ইয়াকে ভাষা-সংক্ৰমণ বোলে।

আলোচনাৰ পৰা ভাষা-সংক্ৰমণ সম্পৰ্কে এনেদৰে ক'ব পাৰি যে, ভাষাবিজ্ঞানীসকলে উল্লেখ কৰিছে যে, ভাষা-সংক্ৰমণ দ্বিভাষিক পৰিৱেশত হোৱা ভাষিক উপাদান আদান-প্ৰদানৰ প্ৰক্ৰিয়া। যেতিয়া দ্বিভাষিক বা বহুভাষিক পৰিৱেশত বক্তাই এটা ভাষা ব্যৱহাৰৰ সময়ত অন্য কোনো ভাষালৈ গতি কৰে আৰু পুনৰ মূল ভাষালৈ ঘূৰি আহে তেনে প্ৰক্ৰিয়াকে ভাষা-সংক্ৰমণ বোলে। গুমপাৰ্জে ভাষা-সংক্ৰমণক চাৰিটা ভাগত ভাগ কৰি আলোচনা কৰিছে। সেয়া হ'ল- পৰিস্থিতিগত (situational), ৰূপকাত্মক (metaphorical), আন্তঃবাক্যিক (Intersentential), আৰু অৰ্ন্তবাক্যিক (Intrasentential) ভাষা-সংক্ৰমণ। যেতিয়া পৰিস্থিতি পৰিৱৰ্তনৰ লগে লগে ভাষা-সংক্ৰমণ হয় তেনে ভাষা-সংক্ৰমণক পৰিস্থিতিগত ভাষা-সংক্ৰমণ বোলে। যেতিয়া ভাষা-সংক্ৰমণ পৰিস্থিতি পৰিৱৰ্তনৰ বাবে নহয়, বিষয় পৰিৱৰ্তনৰ বাবে হয় তেনে ভাষা-সংক্ৰমণক ৰূপকাত্মক ভাষা-সংক্ৰমণ বোলে। অন্তৰ্বাক্যিক ভাষা-সংক্ৰমণ হৈছে একেটা বাক্যৰ ভিতৰতে হোৱা ভাষা-সংক্ৰমণ আৰু কোনো এক কথোপকথনত একে লগে দুটা ভাষাৰ বেলেগ বেলেগ বাক্য ব্যৱহাৰ হোৱা প্ৰক্ৰিয়া।

### ১.১ অসমীয়া আলোচনীৰ ভাষাত ভাষা-সংক্ৰমণ ঃ

### ১.১.১ পৰিস্থিতিগত ভাষা-সংক্ৰমণ ঃ

পৰিস্থিতিগত ভাষা-সংক্ৰমণত পৰিৱেশ বা পৰিস্থিতি পৰিৱৰ্তনৰ লগে লগে ভাষা-সংক্ৰমণ হোৱা দেখা যায়। একেজন বক্তাই এটা পৰিৱেশত যেনেদৰে কথা কয় অন্য এটা পৰিৱেশত অন্য ধৰণে কথা কোৱা দেখা যায়। অৰ্থাৎ পৰিৱেশ অনুসৰি বক্তাই কোনো ভাষাৰ যেতিয়া সংক্ৰমণ কৰে তেনে সংক্ৰমণক পৰিস্থিতিগত ভাষা-সংক্ৰমণ বোলা হয়। আলোচনীসমূহত গল্প , উপন্যাস, ব্যংগ ৰচনা আদিত পৰিস্থিতিৰ বাস্তৱ প্ৰকাশৰ বাবে , চৰিত্ৰৰ কথোপকথনৰ চিত্ৰণৰ বাবে ভাষা-সংক্ৰমণ হোৱা দেখা যায়। চৰিত্ৰৰ কথোপকথনৰ সময়ত দেখা যায় যে , অনানুষ্ঠানিক পৰিৱেশত বন্ধু-বান্ধৱৰ লগত হোৱা কথোপকথনৰ সময়ত ভাষা-সংক্ৰমণ সঘনে দেখা যায়।

উদাহৰণস্বৰূপে -

পাষ্ট ইজ অলৰেজ পাষ্ট। বিকজ পাষ্ট নেভাৰ ৰিটাৰ্নছ। বাট ফিউছাৰ মে' ৰিটাৰ্ণ দ্য পাষ্ট। কেৱল অতীতক লৈ মানুহ জীয়াই থাকিব নোৱাৰে।
(প্ৰান্তিক.২০১১.ফেব্ৰুৱাৰি.পৃ.৫৬)

মৰ্দ কে লিয়ে ফেয়াৰনেচ হেণ্ডচাম ক্রিম হাই হেণ্ডচাম।ব্রায়ানে এড্ভার্টাইজ মাৰিবলৈ নাপালে। ৰখাই দিলে হৰ্ষজিতে। চান্নিৰ কথাৰে ৰসৰ নিজৰা বোৱাই জালি দিয়াৰ আগেয়ে সিহঁতকেইটাক গা-পা ধুই খাই-বৈ লবলৈ চিনিয়ৰ মষ্ট হৰ্ষজিতে আদেশ দিলে-ঐ, ইটচ্ টাইম টু ব্রেক নাও। (গৰীয়সী, ২০১১, জুলাই, পৃ.৪৮ )

যিকোনো কাম কৰাৰ আগেয়ে তাৰ পৰিণাম কি হ'ব পাৰে ভাবিবলৈ ধৈৰ্য ধৰিবা। ক্ষমা কৰিবা। দুখবোৰ পাহৰিবলৈ চেষ্টা কৰিবা । ফৰগিভ্ এণ্ড ফৰগেট। লাভ ওৱান এণ্ড অল। সকলোকে আপোনজনৰ দৰে মৰম- চেনেহ বিলাবা। (গৰীয়সী,জুলাই, ২০১১,পৃ.৩৭ )

বৰ্তমান সময়ত দৈনন্দিন কথোপকথনত বিভিন্ন ব্যক্তিয়ে ইংৰাজী ভাষা প্রয়োগ কৰে। গতিকে এনে পৰিৱেশ প্রকাশৰ বাবে লেখকেও সেইধৰণৰ বাক্য লেখাসমূহত প্রয়োগ কৰিছে।

সমাজ জীৱনৰ পৰিৱৰ্তনৰ লগে লগে বিভিন্ন নতুন নতুন অনুষ্ঠান অসমীয়া সমাজ জীৱনত দেখা গৈছে। গতিকে তেনেধৰণৰ পৰিৱেশ চিত্রণৰ সময়ত লেখকসকলেও তেনেধৰণৰ ভাষা প্রয়োগ কৰিছে।

উদাহৰণস্বৰূপে—

কাইলৈ আমাৰ মেৰেইজ এনিভাৰচেৰি বুলি পাহৰিলা? মাছ-মাংস ৰান্ধি সেইদিনাও আমি অকলে খাই থ'মনে। বহু নতুনকৈ আহিছে। তুমিনো কেনেকৈ চিনি পাবা। এ পাৰফেক্ত জেইলমেন, বুজিছা? ফ্রেংক এণ্ড ৰেল বিহেভড। তুমিও লগ পালে ভাল পাবা।

(প্রান্তিক,২০১১,মাৰ্চ,পৃ.৫১)

বৰ্তমান সময়ত অসমীয়া ভাষাৰ কথোপকথনত কিছুমান ইংৰাজী বাক্য প্রায়ে ব্যৱহাৰ কৰা দেখা যায়।

উদাহৰণ স্বৰূপে—

অ' মাই গড। কণীওনো বেয়া পাব পাৰিনে? দিনটোও কমেও তিনিটা। প্রথমটো ব্রেকফাষ্টত।

(প্রকাশ,২০১১,ফেব্রুৱাৰি,পৃ.৪৫ ]

দৈনন্দিন জীৱন যাত্রাত বিভিন্ন অৰ্থনৈতিক, বাণিজ্যিক, শৈক্ষিক আদি পৰিৱেশত ভাষা- সংক্রমণ হোৱা দেখা যায়।উদাহৰণস্বৰূপে-

আপুনি ইয়াত গাড়ী ৰাখিব নোৱাৰিব। এজন ট্রেফিক অফিচাৰে খিৰিকিৰে অনাদিক ক'লে- এই ন' পাৰ্কিং এৰিয়া। (গৰীয়সী,জুন,২০১১,পৃ.৬৩ )

গল্পসমূহত দেখা যায় যে কোনো এটা চৰিত্রক ফুটাই তুলিবলৈ সেই চৰিত্রটোৰ লগত খাপ খোৱা ভাষা প্রয়োগৰ বাবে ভাষা-সংক্রমণ হয়।উদাহৰণস্বৰূপে কঞ্জলোচন পাঠকৰ 'অমাবশ্যাৰ আন্ধাৰত তৰাৰ পোহৰ' নামৰ গল্পটো ৰাজনৈতিক পটভূমিত ৰচিত এটা গল্প। গল্পটোত এজন দূৰ্নীতিপৰায়ণ ৰাজনৈতিক নেতাৰ জীৱনৰ কিছু দিশ চিত্রিত কৰিছে। গল্পটোত দেখা গৈছে যে ৰাজনৈতিক নেতা হৰি দত্তই স্বভাৱগতভাৱে ইংৰাজী ভাষা প্রয়োগ কৰিছে। যেনে -

মোৰ হাতত একো নাই। এভ্রিথিং ইয়ৰ ট্রেন্সপাৰেণ্ট, অল ডিপেণ্ডচ আপন পাৰ্ফমেন্স।

(গৰীয়সী,জুলাই,২০১১,পৃ.৫৩ )

ৰাজনৈতিক ব্যক্তিৰ কথোপকথনৰ সময়ত ইংৰাজী ভাষাৰ সংক্রমণ প্রায়ে হোৱা দেখা যায় ।

উদাহৰণস্বৰূপে-

'ডাঃ খান্নাৰ ফোন। ভয়ে ভয়ে কঁপা কঁপা হাতেৰে মন্ত্রীয়ে তুলি লয় ফোনটো- হেল্লো।.

- গুড ইভিনিং ছাৰ।.

গুড ইভিনিং।. নিস্তেজ কণ্ঠেৰে তেওঁ দোহাৰে।

-ছাৰ ভেৰী ভেৰী গুড নিউজ- মুম্বাইৰ পৰা ফাইনেল ৰিপৰ্ট আহিছে। আগৰ ৰিপৰ্টত এটা মাৰাত্মক এৰ'ৰ আছিল। ৰিজাল্ট নিগেটিভ। কোনো চিন্তা নাই ছাৰ। এনজয় ইয়ৰ টাইম ছাৰ।' (প্রকাশ, অক্টোবৰ, ২০১২,পৃ. ৬৮ )

### ১.১.২ ৰূপকাত্মক ভাষা-সংক্রমণঃ

আলোচনীৰ বিজ্ঞান, ৰাজনীতি, আইন ইত্যাদি বিভিন্ন বিষয়ৰ প্রবন্ধসমূহলৈ মন কৰিলে দেখা যায় যে, বিষয়ক শক্তিশালী ৰূপত উপস্থাপন কৰিবলৈ অথবা বিষয়ৰ স্পষ্টতাৰ বাবে ভাষা-সংক্রমণ হয়। উদাহৰণ স্বৰূপে -

### ১.১.২.১ সাহিত্য সমালোচনামূলক প্রবন্ধঃ

কথনক শক্তিশালী কৰিবলৈ, জোৰ দিবলৈ বিভিন্ন প্রবন্ধত ইংৰাজী বাক্য প্রয়োগ কৰা দেখা যায়। উদাহৰণস্বৰূপে—

জন্মৰ অন্ধকাৰ আৰু মৃত্যুৰ অন্ধকাৰৰ দুটা বিন্দুৰ মাজৰ মুহূৰ্তবোৰৰ মাজত আমি জীয়াই থাকোঁ- we live on moments. আমি জীৱন যাপন কৰোঁ মৃত্যুশীতল তেজ-মঙহৰ শৰীৰৰ মাজত অবিৰত সক্রিয় হৈ থকা আশা-নিৰাশা, সুখ-দুখ, ৰাগ -অনুৰাগ, মান- অভিমানৰ মাজত। ( গৰীয়সী, ২০১১, আগষ্ট, পৃ.- ৩৬)

১.১.২.২ **বিজ্ঞান ঃ**

বিজ্ঞান বিষয়ৰ লেখাত তাৰ লগত জড়িত বাক্যৰ সংক্ৰমণ বিভিন্ন প্ৰবন্ধত হোৱা দেখা যায়। যেনে -

ইণ্টাৰনেটত ছাৰ্চইঞ্জিনত will the star betelgeuse become a supernova ? এই বাক্যাংশ টাইপ কৰি দিলে এই বিষয়ে কেইবা হাজাৰ প্ৰবন্ধ পাব। (প্ৰকাশ,২০১১,মাৰ্চ,পৃ . ২১)

১.১.২.৩ **আইন বিষয়কঃ**

আইন বিষয়ক প্ৰবন্ধত আইনৰ লগত জড়িত বাক্যৰ প্ৰয়োগ দেখিবলৈ পোৱা যায়।

উদাহৰণস্বৰূপে-

'ইংৰাজীত এষাৰ কথা আছে Justice delayed is justice denied, অৰ্থাৎ ন্যায় প্ৰদান প্ৰক্ৰিয়া খৰতকীয়া নহ'লে ন্যায় প্ৰাপ্তিত বাধা উপজে।' (প্ৰান্তিক, ২০১১, ১৬ফেব্ৰুৱাৰি, পৃ. ১০)

১.১.৩ **আন্তঃবাক্যিক ভাষা-সংক্ৰমণঃ**

আন্তঃবাক্যিক ভাষা-সংক্ৰমণত দুটা ভাষা একে কথোপকথনতে কিন্তু বেলেগ বেলগে বাক্যত ব্যৱহাৰ হয়। আলোচনীত প্ৰকাশিত গল্প, উপন্যাসত এনেধৰণৰ সংক্ৰমণ প্ৰায়ে হোৱা দেখা যায়। গল্পৰ ভাষাত হোৱা এনে সংক্ৰমণৰ উদাহৰণ হৈছে —

life is an endless process of self discovery...। দিন প্ৰতিদিন । খৰ খোজেৰে চিৰি বগাই উঠিআহিল শ্বাশ্বতী। (গৰীয়সী,জুন,২০১১,পৃ.৬৩ )

১.১.৪ **অৰ্ন্তবাক্যিক ভাষা-সংক্ৰমণঃ**

অৰ্ন্তবাক্যিক ভাষা-সংক্ৰমণ হৈছে একোটা বাক্যৰ ভিতৰতে হোৱা ভাষা-সংক্ৰমণ।

উদাহৰণস্বৰূপে—

চিকাৰীৰ চিকাৰৰ নিচা মাংসৰ লোভৰ বাবে নহয়, ই আছিল তেতিয়া a kind of sport এবিধ আমোদ-আদৰ ৰীতি। (গৰীয়সী,জানুৱাৰি,২০১১,পৃ.৬৩ )

বেঞ্জামিন ফ্ৰেংকলিনে কৈছিল a small leak can sink a great ship, সুদূৰ ভৱিষ্যতৰ কোনো এটা সময়ত আমাৰ পৃথিৱীয়েও পানীভাগ হেৰুৱাই শুক্ৰৰ দৰে নিষ্প্ৰাণ মৰুময় গ্ৰহত পৰিণত হ'ব।

(প্ৰান্তিক,জুন,২০১১,পৃ.৬৩ )

চিকাৰীৰ তাতেই চাঞ্চ পাই , তেওঁক প্ৰব্লেমটোৰ কথা ক'লো। তেওঁ তাৰে পৰাই নুনমাটিৰ চাম ভূঞালৈ ফোন কৰিলে, তেওঁৰ পৰাই নাম্বাৰ এটা লৈ সোণাপুৰৰ কোনোবা জনক ক'লে...বাট হাউ ষ্ট্ৰেঞ্জ, যিটো বস্তুৰ তালাচ কৰি আমি ইমানদিন টেনচনত আছিলো আজি তেটনচন ফ্ৰী..। (প্ৰান্তিক,জুন,২০১১,পৃ.৫৪)

**উপসংহাৰ ঃ**

সময়ৰ গতিশীলতাৰ লগে লগে ভাষা এটাই নতুন নতুন শব্দ আহৰণ কৰে। অসমীয়া ভাষাইও সাম্প্ৰতিক সময়ত নতুন নতুন ধাৰণাবাহক অন্য ভাষাৰ শব্দ গ্ৰহণ কৰিছে। 'অসমীয়া আলোচনীৰ ভাষাত ভাষা-সংক্ৰমণ' শীৰ্ষক অধ্যয়নৰ পৰা দেখা গ'ল যে আলোচনীৰ বিভিন্ন লেখাত পৰিস্থিতিগত, ৰূপকাত্মক, আন্তঃশাব্দিক আৰু আন্তঃবাক্যিক ভাষা-সংক্ৰমণ হয়। বৰ্তমান সময়ত অসমীয়াভাষীৰ মাজত ইংৰাজী, হিন্দী ভাষা ব্যৱহাৰৰ আগ্ৰহ ক্ৰমান্বয়ে বৃদ্ধি পোৱা দেখিবলৈ পোৱা গৈছে। অসমীয়া আলোচনীৰ লেখাসমূহত সমাজ-জীৱনৰ বাস্তৱ ছবি অংকন কৰিবলৈ সময়সাপেক্ষ ভাষা প্ৰয়োগ কৰিছে। 'অসমীয়া আলোচনীৰ ভাষাত ভাষা-সংক্ৰমণ' শীৰ্ষক অধ্যয়নৰ পৰা তলৰ সিদ্ধান্তকেইটাত উপনীত হ'ব পাৰি—

**সামগ্ৰিক সিদ্ধান্ত ঃ**

(ক) আলোচনীসমূহত প্ৰকাশিত গল্প, উপন্যাসৰ চৰিত্ৰসমূহৰ কথোপকথনৰ চিত্ৰণৰ সময়ত ভাষা-সংক্ৰমণ বেছিকৈ হোৱা দেখা যায়। উপযুক্ত পৰিৱেশ চিত্ৰণৰ বাবেও বহু সময়ত ভাষা-সংক্ৰমণ হয়।

(খ) বিষয় অনুসৰি প্ৰবন্ধসমূহত ৰূপকাত্মক ভাষা-সংক্ৰমণ হোৱা দেখা যায়। এই ক্ষেত্ৰত বিভিন্ন উদ্ধৃতিৰ প্ৰয়োগ বেছিকৈ হোৱা দেখা যায়।

(গ) গঠনৰ দিশৰ পৰা আন্তঃবাক্যিক আৰু অৰ্ন্তবাক্যিক দুই ধৰণৰ ভাষা-সংক্ৰমণ আলোচনীৰ লেখাসমূহত দেখা যায়।

**প্ৰসংগ সূত্ৰ ঃ**

1. R.A. Hudson - *Sociolinguistics:* In community multilingualism the different languagees are always used in different curcumstances,and the choice is always controlled by social rules. Code-switching as use of different language in different times by single speaker. P. 51-52
2. R.A. Hudson - *Sociolinguistics,* 'however, where a fluent bilingual talking to another fluent bilingual , change without any change at all in the situation. This kind of alteration in called code-switching,' P. 51-52

3. Mrs. Suneeta H. Nirmale - *A study of Code - Switching and Code-Mixing in the selected fictional works by Indian writers in English*, "code-switching is code shift actualized as a process within the individual the speaker moves from one code to another and back, more or less rapidly, in course of a single sentence."
4. *ibid*., Code switching as a device used in a functional content in which a multilingual person makes alternate use of two or more language. (- 106)
5. Deel Hymes - *Foundation in Sociolinguistics, A Ethnographic Approach*, Code-switching as, 'the alternate use of two or more language, varities of a language or even speech styles. (105)
6. *ibid.,* Code - Switching has become a common term for alternate use of two or more language, varities of a language, or even speech styles. Studies of code - Switching are important, because bilingualism and bidialectalism are importent, p.
7 *ibid.*, - The use of more than one langauge by communicants in execution of a speech act. (107)
8. Peter Trudgil - *A Glossary of Sociolinguistics*. The process whereby bilingual or bidialectal speakers switch back and forth between one language or dialect and another within the same conversation. This linguistic behaviour is very common in multilingual situation, P. 23
9. Devid Crystal - *A Dictionary of Linguistic and Phonetics*, Language switching occurs when an individual who is bilingual alternates between two languages during his or her speech with an other bilingual person. P. 672.

**গ্ৰন্থপঞ্জী— অসমীয়া ঃ**


কাকতি, বাণীকান্ত ঃ*অসমীয়া ভাষাৰ গঠন আৰু বিকাশ,* বাণীকান্ত কাকতি জন্ম শতবাৰ্ষিকী উদ্‌যাপন সমিতি, বৰপেটা, ১৯৯৬

কোঁৱৰ, অৰ্পণা ঃ*ভাষাবিজ্ঞান* উপক্ৰমনিকা, বনলতা, ডিব্ৰুগড়, ২০০৬

কোঁৱৰ, অৰ্পণা, অনুৰাধা শৰ্মা (সম্পা.) ঃ*ভাষাবিজ্ঞান পাৰিভাষিক কোষ* ,অসমীয়া বিভাগ, ডিব্ৰুগড় বিশ্ববিদ্যালয়,২০০৮

গোস্বামী, উপেন্দ্ৰনাথ ঃ *ভাষাবিজ্ঞান,* বনলতা, গুৱাহাটী, ১৯৯৮

গোস্বামী, গোলোকচন্দ্ৰ ঃ অসমীয়া ব্যাকৰণ প্ৰৱেশ, বীণা লাইব্ৰেৰী,গুৱাহাটী,২০০৯

ঠাকুৰ, নগেন, খগেশ সেন ডেকা (সম্পা.) ঃ *ভাষা চিন্তা বিচিত্ৰা,* বনলতা, ডিব্ৰুগড়,২০০২

দত্ত, বৰুৱা, ফনীন্দ্ৰ নাৰায়ণ ঃ*আধুনিক ভাষা বিজ্ঞানৰ পৰিচয়,* বনলতা, ডিব্ৰুগড়, ২০০৬

——ঃ *প্ৰয়োগ ভাষাবিজ্ঞানৰ ৰূপৰেখা,* বনলতা, ডিব্ৰুগড়, ২০০৬

দাস, বিশ্বজিৎঃ*সমাজ-ভাষাবিজ্ঞান,*অজন্তা প্ৰেছ , নগাঁও, ২০১৫


**ইংৰাজী গ্ৰন্থ ঃ**


Abbi, Anvita ঃ *Studies in Bilingualism*.New Delhi, Bahri Publication, 1986

Annamalai, E.ঃ *Managing multilingualism in India, Political and Linguistic Manifestation* Saga Publication, 2001

Crystal David ঃ *A Dictionary of Linguistic and Phonetics* , Oxford University Press, 2004

Grandly, Stephan ঃ *The Vocabulary of World English*, Oxford University Press, 2001

Hudson, R.A.ঃ *Sociolinguistics*,Oxford University Press, 1998

Spolsky, Bernard ঃ Sociolinguistics, Oxford University Press, 2003

Trask, R. L. ঃ *Key Concept in Language and Linguistics,* Oxford University Press, 1988

Trudgil Peter ঃ *A Glossary of Sociolingusitics,* Edin Burg University Press Ltd., 2003

Wodak, Ruth, Barbara Johnstone (Ed.) ঃ *The Sage Handbook of Sociolinguistics*, Sage Publication Ltd, 2013


--- --- ---

# ৰামধেনুত প্ৰকাশিত নৰকান্ত বৰুৱাৰ কবিতা আৰু ইয়াৰ ভাষাশৈলী

**ড° পল্লৱিকা শৰ্মা**
*(অংশকালীন প্ৰবক্তা)*
*অসমীয়া বিভাগ, কটন বিশ্ববিদ্যালয়, গুৱাহাটী*
(pallabika.sarmah@gmail.com)

**সংক্ষিপ্ত-সাৰ ঃ**

*ৰামধেনুৱে অসমীয়া কাব্য সাহিত্যত যুগ পৰিৱৰ্তনৰ আগলি বতৰা ঘোষণা কৰিলে। নতুন ভাব, ভাষা আৰু আংগিকৰ সম্পৰীক্ষণেৰে ৰামধেনু আলোচনীয়ে যি ধাৰাৰ সৃষ্টি কৰিলে পৰৱৰ্তী সময়তো সেই ধাৰা প্ৰৱাহিত হৈয়ে থাকিল। ৰামধেনুৰ কবিতা নতুন ছন্দ-ইডিয়ম আৰু ভাষাৰ অভিনৱত্বৰে আধুনিক মানুহৰ অৰ্ন্তজগতৰ অভীপ্সা-অভিজ্ঞতা আদিৰ বিচিত্ৰ প্ৰকাশেৰে সাৱলীল ৰূপত প্ৰাণ পাই উঠিল। ৰামধেনুৰ পাতত কবিতা ৰচনা কৰি প্ৰসিদ্ধি লাভ কৰা নৰকান্ত বৰুৱা আধুনিক অসমীয়া কাব্য-কাননৰ এক উল্লেখযোগ্য নাম। নতুন ভাব, বিষয়বস্তু আৰু আংগিকেৰে নৰকান্ত বৰুৱাৰ কাব্য-ভংগীমাই আধুনিক অসমীয়া কবিতাক সমৃদ্ধিশালী ৰূপত গঢ়ি তুলিলে। নৰকান্ত বৰুৱাৰ কবিতাৰ বিষয়বস্তুত দৈনন্দিন বাস্তৱতাৰ ছবিহে প্ৰকটিত হৈ উঠিছে। এক গভীৰ ভাববোধৰ বিশ্লেষণ, গতানুগতিক জীৱন চিত্ৰ, সমসাময়িক ঘটনা প্ৰৱাহৰ প্ৰদাহ, প্ৰতীক- চিত্ৰকল্প আৰু সাংগীতিক লয়যুক্ত ভাষাৰ সাৱলীল বিচৰণে তেওঁৰ কবিতাত নতুনত্বৰ সূচনা কৰিছে। ৰামধেনুৰ বিভিন্ন সংখ্যাত প্ৰকাশিত নৰকান্ত বৰুৱাৰ কবিতাৰ সংখ্যা হৈছে ১৪ টা আৰু সেইকেইটা হ'ল ঃ 'মহাকাব্যৰ পাণ্ডুলিপি', 'নিদান', 'পঁচিশ ডিচেম্বৰ', 'সন্ধি তোমাৰ স'তে', 'এটি প্ৰেমৰ পদ্য', 'বোধিদ্ৰুমৰ খৰি', 'প্ৰাৰ্থনাঃ আকাশৰ প্ৰতি খিৰিকীৰে', 'অৰ্জুন', 'ৱশিষ্ঠত পিকনিক', 'আধা ডজন কবিতা', 'চকুপানীঃ ফাগুনৰ' আৰু 'আইলৈ চিঠি ঃ নৰকৰ পৰা' আৰু 'জোখ'। প্ৰস্তাৱিত গৱেষণা পত্ৰৰ বিষয়ৰ পৰিসৰত নৰকান্ত বৰুৱাৰ দ্বাৰা ৰচিত ৰামধেনুত প্ৰকাশিত কবিতাসমূহৰ আধাৰতেই তেওঁৰ কবিতাৰ বিষয়বস্তুৰ আৰু ভাষাশৈলীৰ বিশ্লেষণ কৰা হ'ব। এই বিষয়ৰ বিশ্লেষণে নৰকান্ত বৰুৱাৰ কাব্যালোচনাৰ ক্ষেত্ৰত এক নতুন দিশৰ উন্মোচন ঘটাব বুলি আশা প্ৰকাশ কৰিয়েই এই গৱেষণা পত্ৰখন যুগুত কৰি উলিওৱা হৈছে। গৱেষণা পত্ৰখন প্ৰস্তুতকৰণৰ ক্ষেত্ৰত বিশ্লেষণাত্মক পদ্ধতিৰ অৱলম্বন কৰা হৈছে।*

***সূচক শব্দ ঃ*** ৰামধেনু, *নৰকান্ত বৰুৱা, কবিতা, ভাষাশৈলী।*

**০.০ প্ৰস্তাৱনা ঃ**

অসমীয়া সাহিত্যৰ প্ৰতিটো আন্দোলন বা যুগান্তৰ একোখন আলোচনীক কেন্দ্ৰ কৰি গঢ় লৈ উঠিছে। অসমীয়া সাহিত্য ইতিহাসৰ বিশাল আৰু বৰ্ণাঢ্য পাত লুটিয়ালে বিভিন্ন আলোচনীৰ মাজত বিশেষ লক্ষণাক্ৰান্ত সাহিত্যিক আন্দোলনে আত্মপ্ৰকাশ কৰা পৰিলক্ষিত হয়। *জোনাকী* যুগ (১৮৮৯-১৯০০), *আৱাহন* যুগ (১৯২৯-১৯৩৯) আৰু *ৰামধেনু* যুগ (১৯৫২-১৯৬২)ত ৰচিত নানাৰঙী সুষমাৰে মণ্ডিত ভিন্ন স্বাদৰ নতুন লেখকৰ সাহিত্যৰাজিয়ে অসমীয়া সাহিত্যক নতুনত্বৰ লগতে পৰিপুষ্টি প্ৰদান কৰিছে। *ৰামধেনু* যুগটিক অসমীয়া সাহিত্যৰ স্বৰ্ণযুগ বুলি ক'লেও হয়তো অত্যুক্তি কৰা নহ'ব। ন ন লেখক সৃষ্টি আৰু ভিন্ন স্বাদধৰ্মী সাহিত্য সৃষ্টিৰে *ৰামধেনু* যুগৰ সাহিত্যই অসমীয়া সাহিত্যত এক নতুন ধাৰাৰো সংযোজন ঘটালে। "*ৰামধেনু*ও ওলাই আহিছিল *আৱাহন*ৰ পেটৰ পৰাই; কিন্তু যি স্থলত *আৱাহনে* আত্মসাৎ কৰিছিল কুৰি শতিকাৰ প্ৰথম তিনিটা দশকৰ অভিজ্ঞতা আৰু ভাৱাদৰ্শক সেই স্থলত *ৰামধেনুৰ* উত্তৰাধিকাৰৰ লগত যুক্ত হৈছিল তাৰ পৰৱৰ্তী দুটা দশকৰ ঐতিহাসিক অভিজ্ঞতা, সামাজিক চিন্তা আৰু সাহিত্যিক প্ৰভাৱ। দ্বিতীয় বিশ্বযুদ্ধই পৃথিৱীখনক আৰু মানুহৰ চিত্তভূমিক প্ৰচণ্ডভাৱে জোকাৰি পেলোৱা যি ভুমিকম্পৰ সৃষ্টি কৰিছিল সি কঁপাই তুলিছিল অসমীয়া লেখকসকলৰ চিত্তভূমিকো।" (বৰগোহাঞি উঃ নাই)

*ৰামধেনু* যুগৰ কাব্য-পৰিক্ৰমাও আছিল পূৰ্বতকৈ ব্যতিক্ৰম আৰু ভিন্ন। সমসাময়িক সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক প্ৰেক্ষাপটে অসমীয়া কাব্য সাহিত্যকো সংক্ৰমিত কৰি ন ন ভাৱাদৰ্শ সৃষ্টিত অহৰহ ইন্ধন যোগাই আহিছিল। নতুন বিষয়বস্তু আৰু আংগিকৰ সম্পৰীক্ষণেৰে ৰামধেনু যুগৰ কবিতাই অসমীয়া কাব্যক্ষেত্ৰত আধুনিকতাবাদৰ নৱ উন্মেষ ঘটালে। *ৰামধেনু*ৰ পাতত কবিতা ৰচনা কৰি প্ৰসিদ্ধি লাভ কৰা নৱকান্ত বৰুৱা আধুনিক অসমীয়া কাব্য-কাননৰ এক উল্লেখযোগ্য নাম। নতুন ভাব, বিষয়বস্তু আৰু আংগিকেৰে নৱকান্ত বৰুৱাৰ কাব্য-ভংগীমাই আধুনিক অসমীয়া কবিতাক সমৃদ্ধিশালী ৰূপত গঢ়ি তুলিলে।

**১.০ মূল উৎস ঃ**

নৱকান্ত বৰুৱা (১৯২৬-২০০২) অসমীয়া সাহিত্য জগতৰ এক পৰিচিত নাম। একাধাৰে কবি, ঔপন্যাসিক, প্ৰাৱন্ধিক , নাট্যকাৰ, অনুবাদক, ৰম্যৰচক , গীতিকাৰ আৰু শিশু সাহিত্যিক নৱকান্ত বৰুৱাৰ সাধনা প্ৰসূত সৃষ্টিৰাজিয়ে তেওঁক অসমীয়া সাহিত্য জগতত এক সুকীয়া পৰিচয় প্ৰদান কৰিছে। চল্লিছ দশকৰ পৰা কবিতা ৰচনা কৰা নৱকান্ত বৰুৱা অসমীয়া কাব্য জগতত এক সমাসীন আসনত অধিষ্ঠিত। তেওঁৰ প্ৰথম কাব্যসংকলন *হে অৰণ্য হে মহানগৰ* (১৯৫১)। পৰৱৰ্তী সময়ত তেওঁৰ কাপেৰে নিঃসৃত কাব্য সংকলন কেইখন হৈছে- *এটি দুটি এঘাৰটি তৰা* (১৯৫৮), *যতি আৰু কেইটামান স্কেচ্ছ* (১৯৬০), *সম্ৰাট* (১৯৬২), *ৰাৱণ* (১৯৬৩), *মোৰ আৰু পৃথিৱীৰ* (১৯৭৮), *ৰত্নাকৰ*(১৯৮৬), *এখন স্বচ্ছ মুখাৰে*(১৯৯০), *সূৰ্যমূখী অংগীকাৰ*(১৯৯০),*দলঙৰ তামীঘৰা*(১৯৯৯)আৰু *নৱকান্ত বৰুৱাৰ ৰচনাৱলী(সংগৃহীত কবিতা)* (১৯৯৮)।

*ৰামধেনু*ৰে অসমীয়া কাব্য সাহিত্যত যুগ পৰিৱৰ্তনৰ আগলি বতৰা ঘোষণা কৰাতেই ক্ষান্ত নাথাকিল; অসমীয়া কবিতাৰ সুৰম্য সৌধ নিৰ্মাণ কৰি অসমীয়া কাব্য-কাননক সুপ্ৰতিষ্ঠিত ৰূপো প্ৰদান কৰিলে। "কেইবছৰমান *ৰামধেনু*ৰ কবিতা (বিশেষকৈ সেই যুগৰ শ্ৰেষ্ঠ কবি কেইজনৰ কবিতা) পঢ়াৰ পিছত এই নতুন কবিতাবোৰৰ ছন্দ আৰু ইডিয়ম্ উপভোগ কৰিবৰ জোখাৰে তেওঁলোকৰ কাণ শিক্ষিত হৈ উঠিল ; এই কবিতাবোৰৰ মৰ্ম-বাণী আৰু সাংকেতিক ভাষা বুজিবৰ জোখাৰে তেওঁলোক মন শিক্ষিত হৈ উঠিল। আৰু অৱশেষত তেওঁলোক উপলব্ধি কৰিলে যে বিচিত্ৰ- ৰূপিণী কবিতাৰ ই এটা নতুন ৰূপ, আৰু আধুনিক মানুহ অৰ্ন্তজীৱনৰ অভীপ্সা আৰু অভিজ্ঞতা প্ৰকাশ কৰিববৈলে কবিতাৰ এই নতুন ৰূপটোৰেই হ'ল প্ৰকৃষ্ট মাধ্যম"(বৰগোহাঞি উঃ নাই)।

চল্লিছৰ দশকতে আত্মপ্ৰকাশ কৰা *জয়ন্তী* গোষ্ঠীৰ এজন উল্লেখযোগ্য কবি আছিল- নৱকান্ত বৰুৱা। ভ্ৰাতৃ দেৱকান্ত বৰুৱা, ৰত্নকান্ত বৰকাকতিৰ পথ অনুসৰণ কৰি কবিতা-চৰ্চা কৰা নৱকান্ত বৰুৱাৰ কবিতাৰ ভাববস্তু *জয়ন্তী* যুগৰ কাব্য পৰিক্ৰমাতকৈ ভিন্ন আছিল। মাৰ্ক্সীয় ভাবাদৰ্শৰ মাজতে সীমাবদ্ধ নাথাকি ফৰাছী,ৰুছ, জাৰ্মানী আদি বিভিন্ন দেশৰ কাব্যশিল্প আৰু মতবাদেৰে অনুপ্ৰাণিত হৈ অসমীয়া কবিতাত আধুনিকতাবাদী ভাবধাৰাৰ সংযোজনত নৱকান্ত বৰুৱাৰ কবিতায়ো হাত উজান দিলে। নৱকান্ত বৰুৱাৰ কবিতাত পাশ্চাত্য কবি টি. এছ এলিয়ট, ৱাল্ট হুইটমেন, আলেকজেণ্ডাৰ পুস্কিনৰ লগতে ভাৰতীয় কবি ৰবীন্দ্ৰনাথ, জীৱনানন্দ দাশ, বুদ্ধদেৱ বসু আদিৰ প্ৰভাৱো পৰিস্ফুট হৈ উঠিছে। বিশেষকৈ ৰবীন্দ্ৰনাথ আৰু টি. এছ এলিয়টৰ প্ৰতি থকা দুৰ্বলতাৰ আভাস তেওঁৰ কবিতাৰ মাজেৰে অনুভূত হয়। বুদ্ধৰ প্ৰতি থকা অনুগত্য, ভাৰতীয় চিন্তাধাৰা আৰু ঐতিহ্যৰ প্ৰতি থকা সচেতনকামী মনোভাৱো নৱকান্ত বৰুৱাৰ কবিতাৰ বিষয় হৈ পৰিছিল। এলিয়টৰ প্ৰতি থকা মনোভাৱ তেওঁ ব্যক্ত কৰিছে এনেদৰে ঃ "যুৰোপীয় সাংস্কৃতিক বাতাবৰণ মোৰ আপোন নহয় বাবে, অৱজেকটিভ ক'ৰিলেটিভ বিচাৰি মই মানসিকভাবে ফ্ৰেজাৰৰ কাষ চাপিব লগা হোৱা নাছিল আৰু পৰম্পৰাগত বিদ্যাৰ পৰাই সিবিলাক আহিছিল। বোধশক্তি এলিয়টৰ দৰে নোহোৱাৰ বাবে মই সহজে তেওঁৰ পৰা আঁতৰি আহিব পাৰিছিলো। মোৰ গঠন কালত এৰশ্যে তেওঁৰ উপস্থিতি বাস্তৱ সত্য"(Mahanta 1)।

কবিতা ৰচনা কৰি প্ৰসিদ্ধি লাভ কৰা নৱকান্ত বৰুৱা অকল *ৰামধেনু* যুগৰেই কবি নাছিল; তেওঁ আছিল *ৰামধেনু*ৰ পূৰ্বৰ বাৰ্তাবাহক আৰু পৰিৱৰ্তিত সমাজৰ ৰেহ-ৰূপৰ প্ৰকৃষ্ট নিদৰ্শন দাঙি ধৰা আন এজন পথিকৃৎ কবিয়ো। নৱকান্ত বৰুৱাৰ কাব্য-ভংগী আছিল ব্যতিক্ৰম। নৱকান্ত বৰুৱাৰ কবিতাৰ বিষয়ে মহেন্দ্ৰ বৰাৰ মতামত প্ৰণিধানযোগ্য- "যদিও বিষয়বস্তুৰ নিৰ্বাচন আৰু আংগিকৰ সাহসিক প্ৰয়োগৰ আধাৰত অসমীয়া কাব্য সাহিত্যৰ আধুনিক যুগৰ প্ৰৱৰ্তকৰ সন্মান একান্তভাবে হেম বৰুৱা আৰু অমুল্য বৰুৱাৰেই প্ৰাপ্যণীয়। তথাপি সমকাল বিশিষ্ট ৰসবস্তুৰ বিচাৰত নৱকান্ত বৰুৱাই ৰসোত্তীৰ্ণ আধুনিক অসমীয়া কবিতাৰ প্ৰথম সফল কবি। অন্য কোনো সাম্প্ৰতিক কবিয়েই

তেওঁৰ দৰে একেটা দশকতে অসমীয়া কবিতাৰ সুঁতি সলাই সম্পূৰ্ণ এটা বেলেগ খাতেদি প্ৰৱাহিত কৰিবলৈ সক্ষম হোৱা নাই। তেওঁৰ আগে-পিছে কেইবাজনো প্ৰতিভাৱান কবিয়ে অসমীয়া কবিতালৈ ভিন ভিন দিশত বহু নতুন নান্দনিক চেতনা, বহু নতুন আংগিকৰ কলা-কৌশল আৰু বহু নতুন ছান্দসিক প্ৰমূল্য কঢ়িয়াই আনিছে"( ফুকন ২৭)।

১৮৭৪ শক (১৯৫২চন)ৰ পৰা ১৮৮৫ শক (১৯৬৩ চন)লৈকে *ৰামধেনু* আলোচনীৰ পাতত প্ৰাপ্ত নৰকান্ত বৰুৱাৰ কবিতাৰ সংখ্যা সৰ্বমুঠ চৈধ্যটা। এই সুদীৰ্ঘ সময়ছোৱাত ৰচিত আৰু *ৰামধেনু*ত প্ৰকাশিত নৰকান্ত বৰুৱাৰ কবিতা প্ৰকাশৰ বছৰ আৰু সংখ্যা অনুসৰি তলত তালিকাভুক্ত কৰি দেখুওৱাৰ প্ৰয়াস কৰা হৈছে —

| **বছৰ** | **সংখ্যা** | **কবিতাৰ নাম** |
|---|---|---|
| **পঞ্চম** | প্ৰথম | মহাকাব্যৰ পাণ্ডুলিপি |
| | চতুৰ্থ | মায়াক'ভচকিৰ কবিতা |
| | অষ্টম | নিদান |
| | দশম | পঁচিশ ডিচেম্বৰ |
| **ষষ্ঠ** | প্ৰথম | সন্ধি তোমাৰ স'তে |
| | দশম | এটি প্ৰেমৰ পদ্য |
| **সপ্তম** | সপ্তম | বোধিদ্ৰুমৰ খৰি |
| | দশম | প্ৰাৰ্থনা ঃ আকাশৰ প্ৰতি খিৰিকীৰে |
| **অষ্টম** | দ্বিতীয় | অৰ্জুন |
| | পঞ্চম আৰু ষষ্ঠ | বশিষ্ঠত পিকনিক |
| | একাদশ আৰু দ্বাদশ | আধা ডজন কবিতা |
| **নৱম** | দ্বাদশ | চকুপানী ঃ ফাগুনৰ |
| **দশম** | সপ্তম | আইলৈ চিঠি ঃ নৰকৰ পৰা |
| **একাদশ** | ষষ্ঠ | জোখ |

এক নব্য কাব্য-ভংগীমাৰ অগ্ৰদূত নৰকান্ত বৰুৱাৰ কবিতাৰ বিষয়বস্তুত ৰোমাণ্টিকতাৰ পৰিৱৰ্তে দৈনন্দিন বাস্তৱতাৰ ছবিহে প্ৰকট হৈ উঠিছে। নৰকান্ত বৰুৱাৰ কবিতাত সততে ধৰা দিয়া কাব্যিকতাই তেওঁৰ কবিতাক এক গভীৰ জীৱন জিজ্ঞাসাবোধ প্ৰদান কৰিছে। গতানুগতিক কাব্যশৈলীৰ সৈতে সহাৱস্থান কৰিও অগতানুগতিক কাব্যভাবনাৰ জন্ম দিওঁতা নৰকান্ত বৰুৱাৰ কাব্যিকতা নিঃসন্দেহে অনন্য। নৰকান্ত বৰুৱাৰ কবিতাৰ ভাবৰাশি পৰ্যবেক্ষণ কৰিলেই এই কথা স্পষ্ট হৈ উঠে। তেওঁৰ ৰামধেনুত প্ৰকাশিত কবিতাৰাজিত এক গভীৰ ভাববোধৰ বিশ্লেষণ, গতানুগতিক জীৱন চিত্ৰ, সমসাময়িক ঘটনা প্ৰৱাহৰ প্ৰদাহ, প্ৰতীক- চিত্ৰকল্প আৰু সাংগীতিক লয়যুক্ত অথচ মেদবহুল ভাষাৰ অবাধ বিচৰণ আদিৰ লগতে চিৰাচৰিত অভ্যাসৰ পৰা মুক্ত হোৱাৰ সুৰ ধ্বনিত হৈ আছে।

নৰকান্ত বৰুৱাৰ কাব্যিক পৰিমণ্ডল আছিল বিচিত্ৰ আৰু ব্যাপক। ভাৰতীয় ধৰ্ম-দৰ্শন, বৌদ্ধ সাহিত্য আৰু পাশ্চাত্য ধ্যান ধাৰণাৰে নৰকান্ত বৰুৱাৰ মানসিক পৰিমণ্ডলৰ ব্যাপ্তি বিচিত্ৰ ৰূপত প্ৰকাশ পাইছিল। সমসাময়িক প্ৰেক্ষাপটে কবিৰ মনোজগতত ক্ৰিয়া কৰিছিল। ৰাজনৈতিক,অৰ্থনৈতিক সামাজিক আৰু মানৱীয় মূল্যবোধৰ অৱক্ষয়ে কবিমনত ন-ন সৃষ্টিৰ বীজ ৰোপন কৰিছিল। অতীত-বৰ্তমান আৰু ভৱিষ্যত তিনিও কালৰে স্বপ্নদ্ৰষ্টা হৈ যেন নতুনৰ সন্ধান কৰিছিল কবি নৰকান্ত বৰুৱাই। "নগৰ চেতনা, নিঃসংগতাবোধ, নেতি আৰু নৈৰাজ্যবোধ, আত্মিক অৱক্ষয়, আন্তৰ্জাতিকতাবাদ, পাৰ্থিৱ জীৱনৰ আদৰ্শৰ জয়ধ্বনি, মৃত্যুচেতনা, ঈশ্বৰ এইবোৰ বিষয়েই নৰকান্ত বৰুৱাৰ কবিতাৰ জগতখন ৰচনা আৰু সমৃদ্ধ কৰিছে। চিৰাচৰিত অভ্যাসৰ পৰা মুক্ত হোৱাৰ সুৰ ধ্বনিত হৈ আছে যদিও এই কাব্য সৃষ্টিত আচিৰাচৰিত অভ্যাসৰ পৰা মুক্ত হোৱাৰ সুৰ ধ্বনিত হৈ আছে যদিও এই কাব্য সৃষ্টিত আছে" (আহমেদ ৯)।

ভাষিক চাতুৰ্য আৰু কলা-কৌশলৰ চমৎকাৰী ব্যৱহাৰে কবি হিচাপে নৰকান্ত বৰুৱাক পাঠকৰ কাষ চপাই নিছিল। শৈলীক "technique of expression" (Murry 4). আখ্যা দিয়া হয়। নৰকান্ত বৰুৱাৰ কবিতাৰ ভাষাশৈলীৰ মাজেৰেও তেওঁৰ প্ৰকাশভংগী বা কৌশল স্পষ্ট ৰূপত প্ৰতিবিম্বিত হৈ উঠিছে। নৰকান্ত বৰুৱাৰ ভাষা শৈলীয়ে অসমীয়া কাব্য সাহিত্যক সমৃদ্ধ কৰিছে। নৰকান্ত বৰুৱাৰ কবিতা ৰচনাৰ কৌশল আৰু ভাষা প্ৰয়োগৰ দক্ষতা আন লেখকতকৈ পৃথক;যিয়ে তেওঁৰ কবিতাৰ ভাষাশৈলীক স্বকীয় বৈশিষ্ট্যপূৰ্ণ কৰি তুলিছে। "Style is man himself"(Buffon 17). নৰকান্ত বৰুৱাৰ কবিতাৰ ভাষাশৈলী আলোচনা কৰিলে আমি তেনে এক ভাবনাৰে বৰ্হিপ্ৰকাশ ঘটা দেখিবলৈ পোৱা যায়। ভাষা সম্পৰ্কে ঔৎসুক্য,অনুসন্ধিৎসা,সজাগতাৰ বাবে নৰকান্ত বৰুৱাৰ কবিতাত ভাষাৰ বিশিষ্ট আৰু বৈচিত্ৰ্যময় ব্যৱহাৰ দেখা যায়। নৰকান্ত বৰুৱাই কবিতা ৰচনাত ব্যৱহাৰ কৰা ভাষাশৈলীৰ প্ৰসংগক আমি ভাষাবিজ্ঞানকেন্দ্ৰিক

শৈলীবিজ্ঞানৰ আধাৰত আলোচনা কৰিব পাৰোঁ। ভাষা আৰু শৈলীৰ মাজৰ সম্পৰ্ক নিৰূপন কৰি ড্ৰাইডেনে কৈছিল,"ভাষা হ'ল চিন্তাৰ পোছাক আৰু শৈলী হ'ল-সেই পোছাকৰ বিশেষ আকাৰ বা নিৰ্মিতি"(শৰ্মা ৪)। শৈলীবিজ্ঞানৰ আধাৰত নৰকান্ত বৰুৱাৰ কবিতাৰ ভাষাশৈলীৰ আলোচনাক আমি ভাষা বৈজ্ঞানিক কাঠামোৰ আধাৰত বিশ্লেষণ কৰিব পাৰোঁ।

কোনো এটা ভাষাৰ মৌলিক সামগ্ৰী হৈছে— ধ্বনি। ধ্বনি প্ৰয়োগে লেখকৰ ৰচনাৰ বৈশিষ্ট্য নিৰূপণত সহায় কৰে। শৈলীবিজ্ঞানৰ আলোচনাতো ধ্বনিয়ে এক বিশেষ ভূমিকা গ্ৰহণ কৰে। "ধ্বনিৰ মিল, পৰিৱেশ অনুযায়ী ধ্বনিৰ প্ৰয়োগ, ধ্বনিৰ দ্বিৰুক্তি, ভাববস্তুক অধিক সুদৃঢ় কৰি তোলা, শ্ৰুতিমধুৰতা আদি ধ্বনিগত বিভিন্ন প্ৰক্ৰিয়া ধ্বনিকেন্দ্ৰিক শৈলীবিজ্ঞানত আলোচনা কৰা হয়"(শৰ্মা ৫২)। সাহিত্যৰ নন্দনতাত্ত্বিক দিশটোৰ বিশ্লেষণতো ধ্বনিয়ে বিশেষ ভূমিকা গ্ৰহণ কৰে। কিয়নো ধ্বনিক কেন্দ্ৰ কৰিয়েই সুৰ, শ্বাসাঘাত, লয়, ছন্দ, যতি, অলংকাৰ আদিৰ সৃষ্টি হয়। নৰকান্ত বৰুৱাৰ কবিতাৰ ভাষাশৈলী বিচাৰ কৰিলে দেখা যায় যে, নৰকান্ত বৰুৱাৰ কবিতাত ধ্বন্যাত্মক শব্দৰ প্ৰয়োগে তেওঁৰ কবিতাৰ কাব্যিক আবেদন বৃদ্ধি কৰাৰ লগতে শ্ৰুতিমাধুৰ্যও প্ৰদান কৰিছে। ধ্বন্যাত্মক শব্দত দেখা দিয়া মিল বা লয়ৰ বাবে শ্ৰুতিমধুৰতা বৃদ্ধি পায়। এক গতিশীল চিত্ৰকল্প পাঠকৰ আগত দাঙি ধৰিবৰ বাবে ব্যৱহৃত **প্ৰাথমিক** ধ্বনিবৃত্তি যথাৰ্থ শব্দৰ অনুকৰণত গঢ়ি উঠে। 'আইলৈ চিঠি ঃ নৰকৰ পৰা' কবিতাত—

"আই
মই নৰকতে আছোঁ।
বৰ বেয়া লগা নাই। খুচুৰা মৰম আৰু জীৱিকাৰ হাড় চুহি চুহি জীৱনটো বেছ এটা নোদোকা কুকুৰ।"(বৰগোহাঞি ২১৩৫)

'জোখ' কবিতাত—

"নতুন নতুন জোখ, জোখ ল'ব। কেৱল
জোখকে ল'ব?
কেতিয়া চিলাব কোনে মানুহৰ জোখৰ
চোলাটো।"
(বৰগোহাঞি,২৫০০)

ইয়াৰ উপৰিও নৰকান্ত বৰুৱাৰ কবিতাত ধ্বনিৰ অন্ত্যমিল থকা দেখিবলৈ পোৱা যায়। ধ্বনিৰ চয়ন আৰু ধ্বনি ব্যৱহাৰৰ বিশিষ্টতাই তেওঁৰ কবিতাক ৰমণীয়তা প্ৰদান কৰিছে। 'জোখ' কবিতাত-

"জোখ দিম হৰ্ষনৰ
জোখ দিম মৰমৰ
জোখ দিম জীৱনৰ
জোখ দিম আৰু কিবাকিবি বহুতৰ।"
(বৰগোহাঞি ২৫০০)

মুক্তক ছন্দ আৰু স্পন্দিত গদ্যছন্দৰ ব্যৱহাৰে নৰকান্ত বৰুৱাৰ কবিতাৰ বিশেষ মাত্ৰা প্ৰদান কৰিছে। ছান্দিস কৌশলৰ পৰিৱৰ্তন তেওঁৰ 'ৰামধেনু'ত প্ৰকাশিত কবিতাৰ মাজত বিশেষভাবে উপলব্ধ। উদাহৰণস্বৰূপে-'এটি প্ৰেমৰ পদ্য' কবিতাত--

"বাৰিষাৰ ৰাতি তোমাৰ কবিক
মনত পাৰেনে অৰুন্ধতী?
সেমেকা পোহৰে পাহৰাই দিয়া
তোমাৰ খোপাৰ আবেলি-আবেলি গোন্ধ
মনত পৰেনে
অৰুন্ধতী?"
(বৰগোহাঞি ৬৯৮)

ভাষাবিজ্ঞানী চ্যাপমানেৰ মতে, "No single user will posses the whole lexicon... yet a skilful writer has a large potential choice and exercises it widely. His choices are among the matter's to be examined through stylistics"(Chapman 60). শব্দৰ ব্যৱহাৰত লেখকৰ স্বাধীনতা থাকে। শব্দ ব্যৱহাৰত লেখকৰ স্বাধীনতা নিয়ন্ত্ৰণ আৰু তাৰ আলংকাৰিক মূল্য ভাষাশৈলীবিচাৰৰ অন্তৰ্ভুক্ত। এজন লেখকৰ বৈশিষ্ট্য নিৰূপিত হয় তেওঁ ব্যৱহাৰ কৰা শব্দৰ মাজেৰে। তলত নৰকান্ত বৰুৱাৰ কবিতাৰ শব্দতাত্ত্বিক বিশ্লেষণ দাঙি ধৰা হ'ল ঃ

নৰকান্ত বৰুৱাৰ কবিতাত তৎসম শব্দৰ প্ৰয়োগ দেখা যায়। 'নিদান' কবিতাত ঃ

"শতাব্দীৰ পুঞ্জ পুঞ্জ মৃত্যুৰে গঢ়ি উঠা
পোৱাল দ্বীপৰ ক'লা মাটি....."
(বৰগোহাঞি ২১২)

তদ্ভৱ শব্দৰ বহুল ব্যৱহাৰ 'বোধিদ্ৰুমৰ খৰি' কবিতাৰ ভাষাক সুকোমল কৰি তুলিছে--

"আমাৰ কাৰণে শান্তি
পোনাটি বুকুত লই
ভাগৰুৱা শেতেলীত
পকোৱা মুগাৰে বোৱা লখিমীৰ ঘাম চেঁচা
চালি।" (বৰগোহাঞি ৯৭০)

ভাষা শৈলীৰ আলোচনাৰ প্ৰসংগত শব্দৰ অৰ্থৰ কথাও আহি পৰে। "সাহিত্যৰ ৰস, ধ্বনি, গুণ, অলংকাৰ যিহকে বোলা সকলো শব্দশক্তিৰ বিবিধ খেলাৰ বাহিৰে একো নহয়। ৰসধ্বনিৰ মূল শব্দৰ ব্যঞ্জনাশক্তি,ৰূপক, অতিশয়োক্তি আদি অলংকাৰ ব্যঞ্জনাৰ প্ৰকাৰভেদ মাত্ৰ। গতিকে কাব্য নিৰ্মাণ কৰিবলৈ বা কাব্যৰ আস্বাদ ল'বলৈ হ'লে শব্দৰ মহিমা জানিব লাগিব"(শৰ্মা ৭৭)। শব্দাৰ্থৰ আলোচনাৰ লগত আলংকাৰিক প্ৰসংগ জড়িত হৈ আছে। নৰকান্ত বৰুৱাৰ কবিতাৰ আলংকাৰিক প্ৰসংগ বিচাৰৰ ক্ষেত্ৰত তাৰ শব্দাৰ্থ বিশ্লেষণ নিঃসন্দেহে প্ৰয়োজন। উপমা, অতিশয়োক্তি, ৰূপক, অনুপ্ৰাস আদি অলংকাৰৰ উল্লেখ নৰকান্ত বৰুৱাৰ কবিতাত আছে। নৰকান্ত বৰুৱাই তেওঁৰ কবিতাত লোকজীৱনৰ পৰা বুটলি অনা পৰম্পৰাগত শব্দ আৰু উপমাৰ ব্যৱহাৰেৰে নতুন চিত্ৰকল্পৰ সৃষ্টি কৰি বৰ্ণনীয় বিষয়ক স্পষ্ট ৰূপ দিয়াৰ প্ৰয়াস কৰিছে। 'চকুপানী ঃ ফাগুনৰ' কবিতাত—

"অন্ধকাৰ।
মোৰ হুমুনিয়াহ জৰ থৰ তেজবোৰ ফাকু
হৈ উৰে,
বেঙুনীয়া কুঁহিপাতে আমাৰ ডালত।
পোহৰৰ টোকে চকুপানী... "
(বৰগোহাঞি ১৮৭৫)

'আইলৈ চিঠি ঃ নৰকৰ পৰা' কবিতাত নৰকান্ত বৰুৱাই অতীতৰ গ্ৰাম্য পৃথিৱীৰ প্ৰতীক আইগৰাকীক নৰক যন্ত্ৰণাৰ পৰা মুক্ত হৈ শান্তিৰ পৃথিৱীত থিতাপি ল'বলৈ আমন্ত্ৰণ জনাইছে। 'চকুপানী ঃ ফাগুনৰ' কবিতাটিৰ মাজেৰে কবি নৰকান্ত বৰুৱাই প্ৰতীকী ভাবেৰে ফাগুনৰ চঞ্চলতা আৰু অস্থিৰতাক প্ৰকৃতি-ৰূপৰ মাজেৰে সুন্দৰভাবে তুলি ধৰিছে—

যি খবৰ লেখা আছে বাৰিষাৰ চকুলোত
শৰতৰ বৰাগী মেঘত
হেমন্তৰ ঘোলা আকাশত
একেটি খবৰ সেই আদিতম প্ৰথম প্ৰেমৰ।
(বৰগোহাঞি ১৮৭৫)

প্ৰতীকৰ সঘন ব্যৱহাৰেৰে কবিতাৰ ভাষাক প্ৰতীকী ৰূপত তুলি ধৰি অৰ্থৰ ঘনত্বক ব্যাপক কৰাৰ প্ৰয়াস নৰকান্ত বৰুৱাৰ 'ৰামধেনু'ত প্ৰকাশিত কবিতাৰ মাজত পোৱা যায়। পৌৰাণিক কাহিনীৰ পৰা সংগৃহীত প্ৰতীকৰ মাজেৰে আধুনিক সমাজৰ বিশ্লেষণ কৰিবলৈ কবি নৰকান্ত বৰুৱাই ঐতিহাসিক চৰিত্ৰক প্ৰতীক ৰূপে অংকন কৰিছে। সাংগীতিক সুৰ বা লয়যুক্ত গদ্যৰ কবিতাৰ ভাষাক নৰকান্ত বৰুৱাই ন-ৰূপত উপস্থাপন কৰিছে। 'অৰ্জুন' কবিতাটোত অৰ্জুনক আধুনিক সমাজৰ প্ৰতীক ৰূপে লৈছে --

"শক্তিৰ বুকুত মই মুক্তা হৈ জন্ম ল'ম আৰু এটি
বাৰিষাৰ, মৰণৰ বৰফৰ, সময়ৰ
শেহৰ পিছত-
নিটোল অশ্ৰুৰ দৰে শান্তিৰে উজ্জ্বল-
খ্যাতিৰ তাপত উৰি উৰি ভাৰৰ নহয়-"
(বৰগোহাঞি ১২০২)

বৌদ্ধ ধৰ্মৰ পটভূমিৰ আলমত ৰচিত 'বোধিদ্ৰুমৰ খৰি' ত মানুহৰ জ্ঞান-স্পৃহা প্ৰকাশ পাইছে । বোধিদ্ৰুমৰ তলত বুদ্ধত্ব প্ৰাপ্ত সিদ্ধাৰ্থই কৰা ত্যাগত যেন শান্তিৰ পৰিৱৰ্তে আছে অগ্নিৰ দাৱানল। যাৰ বাবেই 'বোধিদ্ৰুমৰ খৰি'য়ে ব্যংগাত্মক প্ৰতীকী ভাবত এনে অৰ্থকেই স্পষ্ট কৰিছে—

"পোহৰত শান্তি নাই; অগ্নিত আশ্ৰয় নাই;
সীহ পুৰি সোণ কৰা জীৱনৰ মেজিক বঞ্চনা।
আমাৰ কাৰণে যদি শান্তি আছে-
আশা আছে-
চিৰ শিশু মানুহৰ মহা মূঢ়তাত
তামোলৰ পিক সনা আইতাৰ ঝধলা চুমাত।"
(বৰগোহাঞি ৯৭০)

'চকুপানী ঃ ফাগুনৰ' কবিতাত চিত্ৰকল্পৰ অভিনৱত্বই কবিতাটোৰ বিষয়বস্তু অধিক জীপাল কৰি তুলিছে। 'শুকান পাতৰ চিঠি খিড়িকিৰে মেয়েই বিলাও' বুলি ফাগুনৰ চিত্ৰকল্প দাঙি ধৰিছে।

শব্দ ব্যৱহাৰ বা শব্দ প্ৰয়োগৰ মাজেৰে কোনো লেখকৰ ৰচনাশৈলী যিদৰে প্ৰতিভাত হয়, ঠিক সেইদৰে নৰকান্ত বৰুৱাৰ কবিতাৰ মাজেৰেও তেওঁৰ ভাষাশৈলী

প্ৰতিভাত হৈ উঠিছে। উপযুক্ত শব্দচয়ন আৰু তাৰ নিৰ্মিতিয়েহে ভাষাশৈলীক এনে এক মাত্ৰা প্ৰদান কৰিছে। শব্দচয়নৰ ক্ষেত্ৰত থকা নিপুণতা তেওঁৰ কবিতাৰ মাজেৰেই স্পষ্ট ৰূপত ফুটি উঠিছে।

কোনো ভাষাৰ লেখচিহ্নৰ প্ৰায়োগিক অধ্যয়নক লেখতত্ত্ব নামেৰে জনা যায়। লেখতত্ত্ব মানে কোনো ভাষাৰ বানানৰ আলোচনা নহয়। লেখতত্ত্বত যতি, যতিচিহ্ন, অক্ষৰ বিন্যাস, ঘনমুদ্ৰণ, বেঁকা মুদ্ৰণ, আখৰৰ আকৃতি আদিৰ ব্যৱহাৰ সম্পৰ্কে আলোচনা কৰা হয়। বহুক্ষেত্ৰত লেখতাত্ত্বিক বিন্যাসে লেখকৰ নিজস্বতা চিহ্নিত কৰাত সহায় কৰে আৰু কেতিয়াবা তাৰ বিষয়বস্তুৰ সৈতেও সম্পৰ্ক স্থাপন কৰে। শৈলীৰ আলোচনাত লেখতত্ত্বৰ গুৰুত্ব অপৰিসীম। Graphology can be of help because stylistic studies are primarily concerned with the examination of written language. (Varshney, 344) নৰকান্ত বৰুৱাৰ কবিতাত সৰু সৰু অনুচ্ছেদ থকা দেখিবলৈ পোৱা যায়। প্ৰতিপাদ্য বিষয়ক স্পষ্টতৰ কৰিবলৈ নৰকান্ত বৰুৱাই ঊৰ্দ্ধ কমাৰ ব্যৱহাৰ কৰিছে। ইয়াৰ উপৰি দাড়ি, কমা, চেমিকলন, হাইফেন, ভাববোধক চিন আদি কূটচিহ্নৰ ব্যৱহাৰ নৰকান্ত বৰুৱাৰ কবিতাত আছে। 'মহাকাব্যৰ পাণ্ডুলিপি' কবিতাত-

> "জীৱনত- বুৰঞ্জীত;- খোলা ৰ'ল এখন দুৱাৰ,
> অহা-যোৱা দুয়োফালে। খন্তেক জিৰাবা আহি।
> সলাবা কাপোৰ কানি। তৰ্কৰ ধূলিৰ বোজা
> মজিয়াতে পেলাবা জোকাৰি-মোৰ মজিয়াতে।
> (মোৰ জীৱনৰ দাম মোৰ বাবে বৰ বেছি....
> বৰ বেছি)" (বৰগোহাঞি ২)

সমান্তৰালবাদ (Parallelism) হৈছে এক শৈলীগত উপকৰণ। ধ্বনি বা ধ্বনিগুচ্ছ, শব্দ আৰু শব্দগুচ্ছ, বাক্যাংশ বা বাক্যৰ পুনৰুক্তিৰ মাজেৰে সমান্তৰালবাদ গঢ় লৈ উঠিছে। "Parallelism is identified as structural repetition in which variable elements occurs. However,repetition sometimes seen as linguistically lacking recource, it presents a simple emotion with force" (Leech 79). ভাষিক নীতি নিয়মৰ অতিৰিক্ত সচেতনতাই সাহিত্যিৰ শৈলী নিৰূপিত কৰে। নৰকান্ত বৰুৱাৰ কবিতাৰ শৈলী বিশ্লেষণ কৰিলে আমি সমান্তৰালবাদৰ দৃষ্টান্তও দেখিবলৈ পাওঁ। ধ্বনিৰ অনুপ্ৰাস, মিল-অমিলৰ উপৰিও শব্দ বা বাক্যাংশৰ পুনৰুক্তিৰ দ্বাৰাও নৰকান্ত বৰুৱাৰ কবিতাত সমান্তৰালবাদৰ সৃষ্টি হোৱা দেখা যায়—

> "আকৌ এবাৰ আহি পৃথিৱীক ভালপোৱা
> আকৌ এবাৰ আহি জীৱনে যি দিয়ে তাৰে হেঁপাহ
> নুগুচা
> আকৌ এবাৰ আহি পৃথিৱীত মেৰামতি কৰাৰ
> বিলাস।" (বৰগোহাঞি ১২০২)

নৰকান্ত বৰুৱাৰ 'অৰ্জুন' কবিতাত প্ৰাপ্ত সমান্তৰালবাদৰ নিদৰ্শনে (আকৌ এবাৰ আহি) কবিতাটোত নান্দনিক সজ্জাৰ সৃষ্টি কৰাৰ লগতে কাব্যভাষাক সাৱলীল কৰিও গঢ়ি তুলিছে। পুনৰুক্তিৰ বিশ্লেষণে সংখ্যাতাত্ত্বিক (Statistical) পদ্ধতিত অৰ্থবহ ভূমিকা লয়। পুনৰুক্তিয়ে বৰ্ণনীয় বিষয়ৰ কেন্দ্ৰায়ণ (Focussing) ঘটায়। নৰকান্ত বৰুৱাৰ কবিতাত সমান্তৰালবাদৰ নিদৰ্শনত প্ৰাপ্ত এনে পুনৰুক্তিয়েও তেওঁৰ কবিতাৰ ভাষাশৈলী উদ্ভাসিত হৈ উঠাত সহায় কৰিছে।

সাহিত্যৰ পাঠ বিশ্লেষণত বিচ্যুতিয়ে এক বিশেষ ভূমিকা গ্ৰহণ কৰে। "ভাষা ব্যৱহাৰৰ গতানুগতিকতাৰ পৰা আঁতৰি গৈ অগতানুগতিকভাৱে কোনো শব্দ, শব্দ সমষ্টি বা বাক্য-গাঁথনি ব্যৱহাৰ কৰা ধাৰণাটোক ভাষাবিজ্ঞান তথা শৈলীবিজ্ঞানত Linguistic deviation বোলা হয়" (দুৱৰা ৫২)। ভাষিক বিচ্যুতিয়ে লেখকৰ সৃষ্টিশীলতাৰ পৰিচয় দিয়ে। গতানুগতিক বিৱৰণৰ পৰা অগতানুগতিক নিৰ্মিতি স্থাপন কৰি বৰ্ণনাক আকৰ্ষণীয় কৰি তোলাত কবি নৰকান্ত বৰুৱা সিদ্ধহস্ত। নৰকান্ত বৰুৱাৰ কবিতাৰ এনে বিচ্যুতিক আমি ভাষাবিজ্ঞানী Leech য়ে কোৱাৰ দৰে "Originally use of the established possibilities of language" (Leech 29). বুলি ক'ব পাৰোঁ। তেওঁৰ কবিতাত প্ৰাপ্ত ভাষিক বিচ্যুতিৰ উদাহৰণ তলত উল্লেখ কৰা হ'ল। 'অৰ্জুন' কবিতাত—

> "আমাৰ সান্ত্বনা নাই। হয়তোবা আশা আছে।
> উত্তৰাৰ
> দেহে-মনে অনাগত শিশুৰ সঁহাৰি
> হেৰা শুক,
> আমাৰ বুৰঞ্জী তাক নপঢ়াবা।"
> (বৰগোহাঞি ১২০২)

অগ্ৰভূমিতাই স্বাভাৱিক ভাষা ব্যৱহাৰ আৰু সাহিত্যিক ভাষাৰ মাজৰ ভিন্নতা আনি দিয়ে নৰকান্ত বৰুৱাই কবিতাত

শব্দৰ অগ্ৰভূমিতা স্পষ্টকৈ প্ৰকাশ কৰি তুলিবলৈ পৰিৱেশভেদে অগতানুগতিক শব্দ সমষ্টি ব্যৱহাৰ কৰিছে। পাঠকৰ চকুত লগাকৈ বা বিষয়ৰ চমক সৃষ্টিৰ বাবে গল্পত অগ্ৰভূমিতাৰ সূচনা কৰিছে। উদাহৰণস্বৰূপে—'ধৰ্শিষ্ঠত পিকনিক' কবিতাত

"সিফালে গলক সূৰ্য।
গলি গলি বননিত আঁকক আল্পনা।
সূৰ্য্যক কোমল কৰি চকুৰ নীমিল চশমাৰে
স্বপ্ন-স্বপ্ন খোলাঁ আহাঁ, মণিমালা,
ইয়াতে দুজনে।"
(বৰগোহাঞি ১৩০১)

এপিগ্ৰাফ (Epigraph )হৈছে কোনো ৰচনা বা উদ্ধৃতি বা কবিতাংশৰ উল্লেখ বিশেষ। সাধাৰণতে এপিগ্ৰাফ ৰচনাৰ আৰম্ভণিতেই সংযোজিত হয়। নৰকান্ত বৰুৱাৰ কবিতাতো ৰচনাৰ আৰম্ভণিতেই সংযুক্ত উদ্ধৃতিয়ে এপিগ্ৰাফৰ উদাহৰণ দাঙি ধৰে। উদাহৰণস্বৰূপে 'বোধিদ্ৰুমৰ খৰি' কবিতাত ঃ

"As long as there are fools in the
world,there
will be hope."- G.B.S.
(বৰগোহাঞি ৯৭০)

'নিদান' কবিতাত ঃ

"But at my back I always hear
Time's winged chariot drawing
near."　　　(বৰগোহাঞি ২১২)

নৰকান্ত বৰুৱাৰ কবিতাৰ ভাষাশৈলীত ভাষা সঞ্চৰণ (Code switching) আৰু ভাষা মিশ্ৰণ (Code mixing) য়ে কাব্যভাষাত ভিন্নতা অনা পৰিলক্ষিত হয়। ইংৰাজী ভাষাৰ প্ৰতি থকা উচ্চাত্মিকা বোধ আৰু প্ৰদৰ্শনসুলভ মনোভাৱৰ বাবে লেখকে পৰিস্থিতি আৰু চৰিত্ৰক সজীৱ কৰিবলৈ গদ্যত ভাষা মিশ্ৰণ আৰু ভাষা সঞ্চৰণ ঘটাইছে। অতিকাব্যিকতাৰ অৱসান ঘটাই নৰকান্ত বৰুৱাই তেওঁৰ কবিতাৰ ভাষাক স্বাভাৱিক ভাষাৰ স্তৰলৈ উন্নীত কৰাইছিল; যি তেওঁৰ কবিতাক আধুনিক কবিতাৰ বিশেষত্ব প্ৰদান কৰিছে। 'নিদান' কবিতাত-

"তিনিভাগ সাগৰ - বাকী-ভাগত
কেন্চাৰ ।বন্ধঘড়ীৰ ডায়েলত
ৰেডিয়াম।" (বৰগোহাঞি ২১২)

দ্ব্যৰ্থকতা (Ambiguity) আৰু অনেকাৰ্থ (Polysemy) ই লেখকৰ ৰচনাভংগীক ব্যতিক্ৰমী ৰূপত তুলি ধৰে। উদাহৰণস্বৰূপে 'এটি প্ৰেমৰ পদ্য' কবিতাত ঃ

"দুবৰি বনত জোনাকীৰ মণি,
চুলিৰ মেঘত লাহি আঙুলিৰ বহুতো জোন
(জোৱাৰৰ বাবে সাগৰ নাছিল।)
বৰফৰ দৰে চেঁচা পৰশতে।"(বৰগোহাঞি ৬৯৮)

**সামৰণি ঃ**

*ৰামধেনু* যুগৰ সাহিত্যই অসমীয়া সাহিত্যলৈ এক নতুন ধাৰাৰ আমদানি ঘটায়। *ৰামধেনু*ৰ কবিসকলে অসমীয়া কবিতাৰ যি নতুন ৰূপ নিৰ্মাণ কৰিলে, পাঠকৰ মনত কবিতাৰ পৰা যি নতুন প্ৰত্যাশা সৃষ্টি কৰিলে আৰু যি নতুন ভাব-ভাষা আৰু আংগিক সৃষ্টি কৰিলে সিয়ে পিছলৈ অসমীয়া কবিতাৰ চিৰস্থায়ী ৰূপত পৰিণত হ'ল। যোৱা অৰ্ধ শতিকাত অসমীয়া কবিতাৰ যি সুৰম্য সৌধ নিৰ্মিত হৈছে, তাৰ ভেটিটো বান্ধিছিল *ৰামধেনু*ৰ কবিসকলে। সিয়েই হ'ল- অসমীয়া সাহিত্যলৈ *ৰামধেনু*ৰ যুগমীয়া অৱদান।(বৰগোহাঞি উ. নাই) *ৰামধেনু*ৰ পাতত প্ৰকাশিত নৰকান্ত বৰুৱাইও অসমীয়া সাহিত্যৰ এই নতুন ভাবনাত বাটকটীয়া হিচাপে হাত উজান দিয়ে। নৰকান্ত বৰুৱাৰ নব্য-দৃষ্টিভংগী আৰু ভাৱধাৰাই অসমীয়া কাব্য-সাহিত্যত এক বিশেষ পৰিৱৰ্তনৰ সূচনা কৰিলে; যাৰ প্ৰভাৱ পৰৱৰ্তী কবিসকলৰ কবিতাৰ মাজতো প্ৰৱহমান হৈয়ে থাকিল। স্বাভাৱিকতেই তেওঁৰ নিৰ্ভীক মনোভাৱ,উদাৰ দৃষ্টিভংগী আৰু আশাবাদী মনৰ লগতে নিৰাশাবাদী মনৰ অভিব্যক্তি, নগৰ চেতনা, নিঃসংগতাবোধ, আত্মিক অৱক্ষয়, আন্তৰ্জাতিকতাবাদ, পাৰ্থিৱ মৃত্যুচেতনা, ঈশ্বৰ, গতানুগতিক জীৱন চিত্ৰ, সমসাময়িক ঘটনা-প্ৰৱাহৰ প্ৰদাহ, প্ৰতীক- চিত্ৰকল্প আৰু সাংগীতিক লয়যুক্ত অথচ মেদবহুল ভাষাৰ অবাধ বিচৰণ *ৰামধেনু*ত প্ৰকাশিত কবিতাৰ মাজতো অহৰহ ধ্বনিত হৈয়ে আছিল। নৰকান্ত বৰুৱাৰ কবিতাৰ ভাষাই তেওঁৰ কবিতাক প্ৰাণৱন্ত কৰি তুলিছে। বিষয়বস্তু অনুসৰি কাব্যভাষাই গতি কৰিছে; কেতিয়াবা চঞ্চল-চপল আৰু কেতিয়াবা ধীৰ গম্ভীৰ। নৰকান্ত বৰুৱাৰ কবিতাত ঔপভাষিক শব্দৰো প্ৰয়োগ ঘটিছে। সুতীক্ষ্ণ অনুভূতিৰ প্ৰকাশ আৰু বৰ্ণনা চাতুৰ্যৰে অসমীয়া কবিতাত দেহ আৰু আত্মাক নৰকান্ত বৰুৱাৰ কবিতাই ন ৰূপেৰে উদ্ভাসিত কৰি তুলিলে।*ৰামধেনু*ত প্ৰকাশিত নৰকান্ত বৰুৱাৰ কবিতাই তেওঁৰ কবিত্ব শক্তিৰে পৰিচয় দাঙি ধৰা নাই, তেওঁৰ ব্যক্তিত্বৰ উজ্জ্বল স্বাক্ষৰ বহন কৰাৰ লগতে অসমীয়া কাব্য

পৰিক্ৰমাতো নিজকে যুগদ্ৰষ্টা ৰূপে চিহ্নিত কৰিছে।

**প্ৰসংগ টোকা আৰু সহায়ক গ্ৰন্থপঞ্জী ঃ**

**মুখ্য উৎস ঃ**

বৰগোহাঞি, হোমেন। সম্পা.। *ৰামধেনু* (পঞ্চম, ষষ্ঠ আৰু সপ্তম বৰ্ষ)। বনলতা, ২০০৯।

----,-----। সম্পা.। *ৰামধেনু* (অষ্টম, নৱম আৰু দশম বৰ্ষ)। বনলতা, ২০০৯।

----,----। সম্পা.। *ৰামধেনু* (একাদশ আৰু দ্বাদশ বৰ্ষ)। বনলতা, ২০০৯।

----,----। সম্পা.। *ৰামধেনু* (ত্ৰয়োদশ, চতুৰ্দ্দশ, পঞ্চদশ আৰু ষষ্ঠদশ বৰ্ষ)। বনলতা, ২০০৯।

**গৌণ উৎস ঃ**

আহমেদ, এম কামালুদ্দিন। *আধুনিক অসমীয়া কবিতা*। বনলতা, ২০০৫।

কলিতা, মহেশ্বৰ। *চল্লিছৰ দশকৰ অসমীয়া কবিতা ঃ এটি সমীক্ষা*। অন্তৰীপ, ২০০২।

গোস্বামী, মালিনী আৰু কামালুদ্দিন আহমেদ। সম্পা.। *আধুনিক অসমীয়া কবিতাৰ তিনিটা স্তৰ*। গুৱাহাটী বিশ্ববিদ্যালয়, অসমীয়া বিভাগ, ২০০৯।

ডেকা হাজৰিকা, কৰবী। *অসমীয়া কবিতা*।বনলতা, ১৯৯৮।

দুৱৰা,সপোন। *ভাষা আৰু শৈলী* । ষ্টুডেণ্টচ ষ্টৰ'চ , ২০০৪।

পূজাৰী, অৰ্চনা (সম্পা.)। *অসমীয়া কবিতাৰ বিচাৰ-বিশ্লেষণ*। জ্যোতি প্ৰকাশন, ২০০০।

ফুকন, তীৰ্থ (সম্পা.)। *নৱকান্ত বৰুৱা ঃ সৃজন আৰু মানুহজন*। নতুন অসম, ২০০০।

বৰগোহাঞি, হোমেন সম্পা.। *অসমীয়া সাহিত্যৰ বুৰঞ্জী (ষষ্ঠ খণ্ড)*। গুৱাহাটী ঃ আনন্দৰাম বৰুৱা ভাষা-কলা সংস্কৃতি সংস্থা, ১৯৯৩।

বৰুৱা, ভবেন। *অসমীয়া কবিতা ৰূপান্তৰৰ পৰ্ব*। গ্ৰন্থ, ২০০২।

বৰুৱা, লোপা। *আধুনিক অসমীয়া কবিতাত প্ৰতীক আৰু চিত্ৰকল্প*। পূৰ্বাঞ্চল প্ৰকাশ, ১৯৯৯।

শৰ্মা, অনুৰাধা। *শৈলী আৰু শৈলীবিজ্ঞান*। গুৱাহাটী ঃ নিনাদ গোষ্ঠী,২০১০।

শৰ্মা পাঠক, জ্ঞানানন্দ। *সাহিত্য-বীথিকা*। সবিনয়, ১৯৯৩।

**বাংলা ঃ**

ৰায়, অপূৰ্বকুমাৰ। *শৈলীবিজ্ঞান*। দে' পাব্লিকেশ্বন,১৯৮৯।

মজুমদাৰ, অভিজিত। *শৈলীবিজ্ঞান এবং আধুনিক সাহিত্যতত্ত্ব*। দে' পাব্লিকেশ্বন,২০০৭।

**ইংৰাজীঃ**

Buffon. *Discourse sur le style.* Librarie Hatier,1920.

Chapman,R. *Linguistics and Literature.* Edward Arnold,1989.

Crystal, David & Davy Derek. *Investigating English Style*. Longman, 1969.

Enkvist,N.E. *On defining Style : an essay in applied linguistics*. J. Spencer, 1964.

Leech,G.N. *A Linguistics guide to English Poetry*.Longman,1969.

Mahanta,Poona. *Eliot in Assamese Literature.* Purbanchal prakash,1992.

Misra, Partha Sarathi. *An introduction to stylistics : theory & practice*. Orient Blackswan Pvt. Ltd., 2009.

Murry,Middlenton. *The Problem of Style.* Oxford University Press,1961.

# পদ্মনাথ গোহাঞিবৰুৱাৰ 'জয়মতী' নাটকত বুৰঞ্জীৰ তথ্যৰ প্ৰয়োগ ঃ এটি বিশ্লেষণাত্মক অধ্যয়ন

**ড° ভনিতা নাথ**

*সহকাৰী অধ্যাপিকা*

*অসমীয়া বিভাগ, সোণাপুৰ মহাবিদ্যালয়*

(nathbhanita9@gmail.com)

**সংক্ষিপ্ত-সাৰ ঃ** *আহোম বুৰঞ্জীৰ এটি উল্লেখযোগ্য চৰিত্ৰ জয়মতী কুঁৱৰী। তেওঁ তুংখুঙীয়া ফৈদৰ বোৱাৰী, লাইথেপেনা বৰগোহাঞিৰ জীয়াৰী আৰু লাঙ্গী গদাপাণিৰ কুঁৱৰী। স্বদেশ-স্বজাতিৰ হকে নিজৰ জীৱন উচৰ্গা কৰিবলৈ কুণ্ঠাবোধ নকৰা এই গৰাকী ত্যাগৰ প্ৰতিমূৰ্তি, মহীয়সী নাৰীৰ জীৱনক আধাৰ হিচাপে লৈ কাব্য, নাটক, উপন্যাস আদিৰে অসমীয়া ভঁৰাল চহকী হৈ আছে। হিতেশ্বৰ বৰবৰুৱাৰ 'তিৰোতাৰ আত্মদান কাব্য' পদ্মনাথ গোহাঞিবৰুৱাৰ 'জয়মতী', লক্ষ্মীনাথ বেজবৰুৱাৰ 'জয়মতী কুঁৱৰী', দণ্ডিনাথ কলিতাৰ 'সতীৰ তেজ', গনেশ গগৈৰ 'জেৰেঙাৰ সতী',উত্তম বৰুৱাৰ 'জেৰেঙাৰ সতী' আদি নাটক বুৰঞ্জী প্ৰসিদ্ধ জয়মতী চৰিত্ৰটোক কেন্দ্ৰ কৰিয়েই ৰচিত হৈছে। গতিকে এই চৰিত্ৰটোৰ লগত জড়িত ঘটনাপ্ৰৱাহ নিঃসন্দেহে তাৎপৰ্যপূৰ্ণ। প্ৰথম অসমীয়া বুৰঞ্জীমূলক নাটক পদ্মনাথ গোহাঞিবৰুৱাৰ 'জয়মতী'ও (১৯০০) জয়মতী চৰিত্ৰটোৰ আধাৰতে ৰচিত হৈছে। গতিকে বুৰঞ্জীৰ প্ৰেক্ষাপটত ৰচিত এই নাটকখনিত যথাৰ্থ ভাৱেই বুৰঞ্জীৰ তথ্যৰ প্ৰয়োগ ঘটাতো স্বাভাৱিক। কিন্তু সাহিত্য হিচাপে ইয়াত কল্পনাৰ ৰহণ সনাটোও সমানেই স্বাভাৱিক। সেয়েহে আমাৰ আলোচনা পত্ৰত 'জয়মতী' নাটকত বুৰঞ্জীৰ তথ্যৰ উপস্থাপন কেনেদৰে হৈছে আৰু নাট্যকাৰে নাটকখনত কিমান কাল্পনিক দিশ উপস্থাপন কৰিছে সেই সম্পৰ্কে আলোচনা কৰা হ'ব। অৰ্থাৎ গোহাঞিবৰুৱাৰ 'জয়মতী' নাটকত বুৰঞ্জীৰ তথ্যৰ প্ৰয়োগ সম্পৰ্কে বিচাৰ-বিশ্লেষণেই আমাৰ আলোচনাৰ বিচাৰ্য বিষয়।*

***সূচক শব্দাৱলী** ঃ (Key words)ঃ কল্পনা, বাস্তৱ, বুৰঞ্জী, আত্ম বলিদান, ত্যাগৰ প্ৰতিমূৰ্তি, মহীয়সী।*

**১.০০ প্ৰস্তাৱনা ঃ**

পদ্মনাথ গোহাঞিবৰুৱা অসমীয়া সাহিত্য জগতত এটি চিৰ পৰিচিত নাম। আধুনিক অসমীয়া সাহিত্যৰ অভিভাৱকস্বৰূপ পদ্মনাথ গোহাঞিবৰুৱাই কাব্য, নাটক, উপন্যাস, প্ৰৱন্ধ, ধৰ্মগ্ৰন্থ, বুৰঞ্জী, সংবাদ সাহিত্য, আত্মজীৱনী আদি ৰচনাৰে নিশকতীয়া অসমীয়া সাহিত্যৰ ভঁৰালটো চহকী কৰি তুলিছিল। তেওঁৰ সমসাময়িক লক্ষ্মীনাথ বেজবৰুৱাদেৱে যিদৰে ইটোৰ পিচত সিটো অৱদানেৰে অসমীয়া ভাষা-সাহিত্যক টনকিয়াল কৰিবলৈ উঠিপৰি লাগিছিল অনুৰূপভাৱেই পদ্মনাথ গোহাঞিবৰুৱাইও অসমীয়া ভাষা সাহিত্যক পুষ্ট কৰিবলৈ কৃপণালি কৰা নাছিল। অসমীয়া সাহিত্যৰ প্ৰায় প্ৰতিটো ক্ষেত্ৰতে নিজ সৃষ্টিৰ বীজ ৰোপণ কৰি সাহিত্যক্ষেত্ৰ নদন-বদন হোৱাত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছিল। প্ৰথম অসমীয়া উপন্যাস 'ভানুমতী' (১৮৯১) ৰ স্ৰষ্টা পদ্মনাথ গোহাঞিবৰুৱাদেৱ, প্ৰথম অসমীয়া বুৰঞ্জীমূলক নাটক 'জয়মতী'(১৯০০)ৰো স্ৰষ্টা। ঠিক তেনেদৰে অন্যান্য নাটক ঃ 'গাঁওবুঢ়া', 'টেটোন-তামুলী', 'ভূত নে ভ্ৰম', 'সাধনী', 'গদাধৰ', 'লাচিত বৰফুকন', 'বাণৰজা', ধৰ্মগ্ৰন্থ ঃ 'শ্ৰীকৃষ্ণ' (তিনি খণ্ড), 'গীতাসাৰ'; কাব্যগ্ৰন্থ ঃ 'লীলা', 'জুৰণি', 'ফুলৰ চাকি'; উপন্যাস ঃ 'লাহৰী'; বুৰঞ্জী পুথি ঃ 'অসমৰ বুৰঞ্জী'; আত্মজীৱনী ঃ 'মোৰ সোঁৱৰণী'ৰো স্ৰষ্টা পদ্মনাথ গোহাঞিবৰুৱাদেৱেই। তদুপৰি বিভিন্ন সময়ত সভাপতিৰূপে প্ৰদান কৰা অভিভাষণসমূহ আৰু বৃহৎ সংখ্যক পাঠ্যপুথি প্ৰণয়ণ কৰি তেওঁ এটি মহৎ জাতীয় দায়িত্ব পালন কৰি গৈছে। গোহাঞিবৰুৱাদেৱ অসমৰ সংবাদ জগতৰো মহীৰূহ।

'বিজুলী', 'উষা', 'অসম-বন্তি'ৰ লগত পদ্মনাথ গোহাঞিবৰুৱাদেৰৰ নাম জড়িত হৈ আছে। এই সংবাদপত্ৰসমূহ উলিয়াই অসমীয়া সাহিত্যৰ কাণ্ডাৰীৰূপে নিজে প্ৰদৰ্শন কৰি যোৱা পথেৰে উত্তৰসূৰীকো বাট বুলিবলৈ সুবিধা প্ৰদান কৰিছিল। 'বিজুলী' সংবাদপত্ৰই বহু কেইগৰাকী জনপ্ৰিয় সাহিত্যিকৰ সৃষ্টি কৰিবলৈ সমৰ্থ হৈছিল।

আমাৰ আলোচ্য 'জয়মতী' নাটক আহোম বুৰঞ্জীৰ এটি সঁচা কাহিনী আৰু এটি সঁচা চৰিত্ৰক কেন্দ্ৰ কৰি ৰচিত। জয়মতী কুঁৱৰী তুংখুঙীয়া ফৈদৰ বোৱাৰী, লাইথেপেনা বৰগোহাঞিৰ জীয়াৰী, লাঙ্গি গদাপাণিৰ কুঁৱৰী। নাট্যকাৰে নাটকখনৰ কাহিনী তথা চৰিত্ৰক বুৰঞ্জীৰ প্ৰেক্ষাপটত উপস্থাপন কৰিছে। বুৰঞ্জীমূলক নাটকত বুৰঞ্জীৰ সত্যৰ লগত নাট্যকাৰৰ কল্পিত কাহিনীয়ে স্থান লাভ কৰে। অৱশ্যে বুৰঞ্জীৰ তথ্য যাতে বিকৃত নহয় তাৰ প্ৰতি নাট্যকাৰজন সদা সচেষ্ট থাকিব লাগে। কিন্তু নাটক, উপন্যাসৰ দৰে সাহিত্যিক বিধাসমূহত যিহেতু কল্পনাৰ ৰহণ চৰোৱাৰ অৱকাশ থাকে, গতিকে প্ৰয়োজন সাপেক্ষে প্ৰকৃত কাহিনী তথা চৰিত্ৰত কল্পনাৰ প্ৰলেপ আপোনা-আপুনিভাৱে আহি যায়। পদ্মনাথ গোহাঞিবৰুৱাৰ 'জয়মতী' নাটকখনো ইয়াৰ ব্যতিক্ৰম নহয়। নাট্যকাৰে জয়মতী কুঁৱৰীৰ কাহিনীটোকে বুৰঞ্জীৰ জুমুধিত কল্পনাৰ প্ৰলেপ সানি নকৈ সজাই নাটকখনত উপস্থাপন কৰিছে। নাটকখনত বাস্তৱ আৰু কল্পনাৰ ছাঁ-পোহৰে হাতত ধৰা-ধৰিকৈ আগবাঢ়িছে।

## ২.০০ **বিষয়ৰ উদ্দেশ্য আৰু গুৰুত্ব ঃ**

বহু সময়ত জনপ্ৰিয় নাটক, উপন্যাস আদিত বৰ্ণিত কাহিনীসমূহে পাঠক হৃদয়ত এনেদৰে স্থিতি লাভ কৰে যে পাঠকে বাস্তৱ ইতিহাসক অস্বীকাৰ কৰি কল্পিত কাহিনীক সত্য বুলি গ্ৰহণ কৰে। আমাৰ আলোচ্য নাটকখনত জয়মতী কুঁৱৰীক নাট্যকাৰে নাট্যকাহিনীত স্থান দিছে আৰু পাঠকক ঐতিহ্য সচেতন কৰাৰ লগতে অসমীয়া সাহিত্যৰ ভঁৰালো চহকী কৰিছে। নাটকখনত কাহিনীৰ প্ৰয়োজন সাপেক্ষে আৰু প্ৰাসংগিকৰূপে 'জয়মতীক কুঁৱৰীৰ চিত্ৰণ হৈছে, যদিও বিভিন্ন ক্ষেত্ৰত কাল্পনিক দিশৰ উপস্থাপনে নাট্যকাহিনীৰ গভীৰতা হ্ৰাস কৰিছে। জয়মতী কুঁৱৰী বুৰঞ্জীৰ পাতৰ এনে এগৰাকী মহীয়সী নাৰী, যি অসমীয়া নাৰীৰ আদৰ্শ আৰু গৰিমাৰ প্ৰতীক। এই গৰাকী নাৰীয়ে দেশ তথা দহৰ বাবে নিজৰ জীৱনক উছৰ্গা কৰিবলৈ কুণ্ঠাবোধ কৰা নাছিল। গতিকে আমাৰ আলোচনাপত্ৰৰ জৰিয়তে বুৰঞ্জীৰ নিৰ্জীৱ তথ্যৰ জুমুধিত কল্পনাৰ তেজ-মঙহ থাপি পাঠকৰ সন্মুখত তুলি ধৰা জয়মতীৰ কাহিনী আৰু চৰিত্ৰটোৰ প্ৰকৃত আৰু কাল্পনিক দিশ সম্পৰ্কে বিচাৰ বিশ্লেষণ কৰাই আমাৰ আলোচনাপত্ৰৰ মূল উদ্দেশ্য আৰু ইয়াতে নিহিত হৈ আছে বিষয়টোৰ গুৰুত্ব।

## ২.০১ **বিষয়ৰ পৰিসৰ ঃ**

আলোচনা পত্ৰখনত পদ্মনাথ গোহাঞিবৰুৱাৰ 'জয়মতী' নাটকখনৰ কাহিনী আৰু চাৰিত্ৰটোৰ বিশ্লেষণতে বিষয়ৰ পৰিসৰ সীমিত কৰি লোৱা হৈছে।

## ২.০২ বিষয়ৰ অধ্যয়ন পদ্ধতি ঃ

প্ৰয়োজন সাপেক্ষে সমীক্ষাত্মক, ঐতিহাসিক, বৰ্ণনামূলক বা বিশ্লেষণাত্মক আৰু তুলনামূলক অধ্যয়ন পদ্ধতি গ্ৰহণ কৰা হৈছে। 'জয়মতী' চৰিত্ৰটোৰ সমল উদ্ঘাটনৰ ক্ষেত্ৰত ঐতিহাসিক উৎস অনুসন্ধানী সমীক্ষাত্মক পদ্ধতি, চিন্তাসূত্ৰৰ বৰ্হিপ্ৰকাশ ঘটা ৰচনাৰ ক্ষেত্ৰত বৰ্ণনামূলক বা বিশ্লেষণাত্মক পদ্ধতি, প্ৰাপ্ত তথ্যৰ সমৰূপতা আৰু বৈচিত্ৰ্য উদ্ঘাটনৰ ক্ষেত্ৰত তুলনামূলক পদ্ধতি ব্যৱহাৰ কৰা হৈছে।

## ২.০৩ **বিষয়ৰ সমল ঃ**

সমল সংগ্ৰহৰ ক্ষেত্ৰত মুখ্য, গৌণ উৎসৰ লগতে তৃতীয় উৎসও সমল হিচাপে ব্যৱহাৰ হৈছে।

## ৩.০০ **বিষয়ৰ বিশ্লেষণ ঃ**

### ৩.০১ **'জয়মতী' নাটক ঃ**

পদ্মনাথ গোহাঞিবৰুৱাৰ এক অনুপম সৃষ্টি 'জয়মতী' নাটক। আহোম বুৰঞ্জীৰ জয়মতীৰ চৰিত্ৰটো গোহাঞিবৰুৱাৰ মনত দকৈ লাগি আছিল সৰু কালৰেপৰাই। সেয়েহে কহিমা হাইস্কুলত পঢ়ি থকা দিনতে তেওঁ 'জয়মতী'ৰ চৰিত্ৰ আধাৰিত নাটক এখন ৰচনা কৰিবলৈ সংকল্প গ্ৰহণ কৰিছিল। 'জয়মতী' নাটকৰ পাতনিত উল্লেখ আছে- "আহোম ৰাজবংশৰ তুংখুঙীয়া ফৈদৰ মহাবীৰ গদাপাণি কোঁৱৰৰ ভাৰ্য্যা 'জয়মতী কুঁৱৰী'ৰ চৰিত্ৰচিত্ৰ লৌকিক চিত্ৰ চৰিত্ৰৰপৰা ভালেমান খাপৰ ওপৰত, ই অলৌকিক চিত্ৰৰ সমকক্ষ। গতিকে, সেই অনুপমা মহাসতীৰ চৰিত্ৰ অলৌকিক তুলিৰে সৈতে আঁকি, বুৰঞ্জীৰ ভেঁটিৰ পৰা লৰচৰ নকৰাকৈ, তাৰপৰা নাটকৰ দৃশ্যাদি আঁকিবলৈ চল লাগি ৰৈছে। সেই সুচলতে,

এই লেখকে তেওঁৰ ছাত্ৰকালৰ সংকল্পিত 'জয়মতী' নাট এখনি ৰচিবলৈ সাহ কৰি ওলাইছে, দুঃসাহসৰ কাৰ্য্যফল যে নিঘৃণী নহ'ব, তাক কোৱাৰ সকাম নাই।"[১]

বিংশ শতিকাৰ আৰম্ভণিত অসমীয়া নাট্য সাহিত্যত এটি ঐতিহাসিক পদক্ষেপ হৈছে বুৰঞ্জীমূলক নাটক ৰচনা। স্বদেশ প্ৰীতি আৰু জাতীয়তাবাদৰ মন্ত্ৰৰে আপ্লুত হৈ অসমীয়া নাট্যকাৰসকলে নাটক ৰচনাৰ আহিলা বিচাৰি অতীত বুৰঞ্জীৰ পাতত দৃষ্টি নিক্ষেপ কৰিছিল। ফলস্বৰূপে অসমীয়া বুৰঞ্জীমূলক নাটকৰ শুভাৰম্ভ হয় ১৯০০ চনত পদ্মনাথ গোহাঞিবৰুৱাৰ হতত। তেওঁৰ 'জয়মতী' নাটকে এইবিধ নাটকৰ পাতনি মেলাৰ লগতে অসমীয়া লেখক আৰু পঢ়ুৱৈৰ আগত অতীতক নতুনকৈ চোৱাৰ আৰু বুৰঞ্জীক বিজ্ঞানসন্মতভাৱে অধ্যয়ন কৰাৰ দৃষ্টান্ত দাঙি ধৰে।[২]

'জয়মতী' নাটকৰ কাহিনী ৰচিত হৈছে আহোম ৰাজত্বৰ এছোৱা ঘৃণণীয় ইতিহাসৰ আধাৰত। সেই ইতিহাসৰ প্ৰধান হোতা আছিল স্বেচ্ছাচাৰী, ক্ষমতালোভী, মেৰুদণ্ডহীন 'ল'ৰাৰজা' ৰূপে খ্যাত ৰজা চুলিক্‌ফা। যাৰ অত্যাচাৰত আহোম ৰাজবংশৰ তুংখুঙীয়া ফৈদৰ গদাপাণি কোঁৱৰৰ বীৰাঙ্গনা ভাৰ্যা জয়মতীয়ে স্বামীক ৰক্ষা আৰু দেশ ৰক্ষাৰ বাবে আত্ম বলিদান দিবলগা হৈছিল। ল'ৰাৰজাই নিজৰ সিংহাসন নিষ্কন্টক কৰিবৰ বাবে ৰজা হোৱাৰ উপযুক্ত কোঁৱৰসকলক হত্যা অথবা অংগক্ষত কৰিছিল। সুঠাম, বাহুবলী গদাপাণি কোঁৱৰকো হত্যাৰ নিৰ্দেশ দিছিল ৰজাই। সখীয়েক পদ্মাৱতীৰ যুখেৰে উক্ত খবৰ জানিব পাৰি জয়মতীয়ে গদাপাণিক নগা পাহাৰলৈ পলাই যাবলৈ কয়। ৰজাৰ মানুহে গদাপাণিক বিচাৰি নাপাই জয়মতীক অকথ্য নিৰ্যাতন দিয়ে। কিন্তু নিজ কথাত অলৰ-অচৰ কুঁৱৰীৰ মুখেৰে স্বামীৰ সংবাদ নোলাল। শেষত অলেখ জীয়াতু ভূগি এই গৰাকী মহীয়সী নাৰীয়ে কৰুণ মৃত্যুক সাৱটি লয়। এয়ে নাটকখনৰ কাহিনী।

নাটকখনক পাঁচটা অঙ্কত বিভাজিত কৰা হৈছে। প্ৰথম অঙ্কত ৰজা হোৱাৰ উপযুক্ত কোঁৱৰসকলৰ হত্যা অথবা অংগক্ষত, গদাপাণিক ধৰাৰ চেষ্টা আৰু জয়মতীৰ অনুৰোধত গদাপাণিৰ পলায়ন, দ্বিতীয় অঙ্কত ৰাজসভাত জয়মতীক উপস্থিত কৰাই গদাপাণিৰ সন্ধান বিচৰা; তৃতীয় অঙ্গত জয়মতীক শাস্তি প্ৰদান; চতুৰ্থ অঙ্কত গদাপাণিৰ ছদ্মৱেশী জীৱন, গদাপাণিৰ সন্ধান নাপাই ৰজা আৰু ডাঙৰীয়াসকলৰ মানসিক অশান্তি আৰু পঞ্চম তথা শেষ অঙ্কত জয়মতীৰ মৃত্যু দৃশ্য অঙ্কন কৰা হৈছে। কেবাটাও অপ্ৰয়োজনীয় দৃশ্যৰ সংযোজনে নাটকৰ কলেৱৰ বৃদ্ধি কৰিছে আৰু কাহিনী গঠনত শিথিলতা প্ৰদৰ্শন কৰিছে। তদুপৰি 'জয়মতী' এখন কৰুণ ৰসাত্মক নাটক। "জয়মতীৰ স্বামীভক্তি আৰু স্বাৰ্থত্যাগ যেনেকৈ অসাধাৰণ, তেনেকৈ তেওঁৰ জীৱনৰ পৰিণতিও শোকাৱহ। ট্ৰেজেদি সৃষ্টিৰ উপযুক্ত সমল জয়মতীৰ চৰিত্ৰ আৰু কাৰ্যত পোৱা যায়।"[৩] অপ্ৰয়োজনীয়, লঘু পৰিৱেশ-পৰিস্থিতিৰ চিত্ৰণ, চৰিত্ৰৰ হাস্যস্পদ কাৰ্যকলাপ আদিয়ে কাহিনীৰ গভীৰত্ব বহু পৰিমাণে হ্ৰাস কৰিছে।

জীৱনৰ গভীৰ দিশ উন্মোচনৰ আকাংক্ষা আৰু নাট্যকাৰৰ জীৱন সম্বন্ধীয় দাৰ্শনিক দৃষ্টিভংগীৰ সম্যক পৰিস্ফুৰণ নাটকখনত হোৱা নাই। "জয়মতীয়ে নিজৰ জীৱনৰ ভাগ্যক আধ্যাত্মিক ভাৱ-ব্যঞ্জনাৰে গ্ৰহণ কৰালৈ চাই গোহাঞিবৰুৱাৰ নাটকখনিত পশ্চিমীয়া ট্ৰেজেদিৰ প্ৰভাৱতকৈও প্ৰাচীন ভাৰতীয় পৰম্পৰাৰ প্ৰভাৱহে অধিক যেন ধাৰণা হয়। নাটকৰ শেষৰফালে তাপসীয়ে (তপস্বী) 'নহয় মানৱী এবে সতী জয়মতী' বুলি কোৱা আৰু গদাপাণিক 'মিলিবা স্বৰ্গত গই মহাসতী সতে' বুলি কোৱা কথাই নাটকৰ ট্ৰেজিক সৌন্দৰ্য হানি কৰিছে। নাটকৰ শেষত দুগৰাকী অপেস্বৰীৰ মুখত দিয়া গীতটোৱে জয়মতীৰ পৰলৌকিকতাৰ ইঙ্গিত বহন কৰিছে আৰু এইয়াই বুৰঞ্জীৰ বিষয়বস্তুৰে 'জয়মতী' এখন ট্ৰেজেদি হোৱাত ব্যাঘাত জন্মাইছে।"[৪] গতিকে জয়মতী চৰিত্ৰটো অলৌকিক কৰি তুলিবলৈ কৰা প্ৰয়াসে জয়মতী চৰিত্ৰৰ মহত্ব আৰু নাটখনৰ ট্ৰেজিক বৈশিষ্ট্য হ্ৰাস কৰিছে।

'জয়মতী' নাটকৰ গঠন প্ৰণালী, চৰিত্ৰাংকন, কথোপকথন, পৰিস্থিতি চিত্ৰণ, অংক বিভাজন আদিত এলিজাবেথীয় যুগৰ নাটকৰ বিশেষকৈ শ্বেক্সপীয়েৰৰ নাটকৰ প্ৰভাৱ দেখিবলৈ পোৱা যায়। তদুপৰি পোন প্ৰথমবাৰৰ বাবে অসমীয়া নাটকত অমিত্ৰাক্ষৰ ছন্দৰ প্ৰয়োগ কৰিছিল পদ্মনাথ গোহাঞিবৰুৱাদেৱে। "কিন্তু তেওঁৰ নাটকৰ ছন্দৰীতি সকলো ঠাইতে চতুৰ্দশমাত্ৰিক নহয়, অৰ্থাৎ সমাক্ষৰী নহয়। এই ৰীতি ইয়াৰ আগতে বঙ্গ কাব্যত গিৰিশ ঘোষৰ লেখনীত দেখা যায় আৰু ই 'গৈৰিশ ছন্দ' নামেৰে খ্যাতি লাভ কৰিছে। গোহাঞিবৰুৱাৰ ৰচনাত প্ৰকাশিত এইবিধ ছন্দৰ ৰূপ —

স্বৰ্গদেৱ
নোৱাৰিলো নিৰাপদ কৰিব আমাক ;
আজিও জীৱিত এক আপদ প্ৰধান।
নিঃশঙ্ক নহল সিংহাসন।
('জয়মতী', প্ৰথম অঙ্ক, প্ৰথম গৰ্ভাঙ্ক)

ইয়াৰ দ্বিতীয় আৰু তৃতীয় শাৰী চতুৰ্দশ মাত্ৰিক, কিন্তু প্ৰথম আৰু চতুৰ্থ শাৰী বিষমমাত্ৰিক।"[৫]

**৩.০২ বুৰঞ্জীমূলক নাটকৰূপে 'জয়মতী' ঃ**

আগতেই উল্লেখ কৰি অহা হৈছে যে অসমীয়া সাহিত্যত বুৰঞ্জীমূলক নাটকৰ শুভাৰম্ভ ঘটে বিংশ শতিকাৰ প্ৰথম দশকত। বুৰঞ্জী প্ৰসিদ্ধ আহোম ৰমণী জয়মতীৰ কৰুণ কাহিনীয়ে পদ্মনাথ গোহাঞিবৰুৱাৰ হাতত নাট্যৰস পুষ্ট হৈ 'জয়মতী' নামেৰে ১৯০০ খ্ৰীষ্টাব্দত প্ৰকাশ লাভ কৰে। গতিকে অসমীয়া সাহিত্যত 'জয়মতী' প্ৰথম অসমীয়া বুৰঞ্জীমূলক নাটক।

বুৰঞ্জীৰ বিষয়বস্তু লৈ ৰচনা কৰা নাটককে বুৰঞ্জীমূলক নাটক বোলে। বুৰঞ্জীমূলক নাটক বুৰঞ্জীৰ ফটোগ্ৰাফ অথবা বুৰঞ্জীৰ পুনৰাবৃত্তি বা পুনঃ কথনো নহয়; বুৰঞ্জীমূলক নাটক হ'ব লাগিব বুৰঞ্জীৰ বিষয়বস্তু সম্বলিত বুৰঞ্জীৰ পুনঃনিৰ্মাণ। "ঐতিহাসিক ঘটনাৰ শুকান জঁকাৰ অস্থি-মাংস সংযোগ কৰি প্ৰাণ প্ৰতিষ্ঠা কৰিব পৰাতহে নাটকৰ সাৰ্থকতা নিৰ্ভৰ কৰে।"[৬] কলাত্মক উপস্থাপনৰ স্বাৰ্থত নাট্যকাৰে কল্পনাৰ আশ্ৰয় ল'ব পাৰে যদিও বুৰঞ্জীৰ প্ৰসিদ্ধ ঘটনা আৰু চৰিত্ৰ ইচ্ছানুসাৰে পৰিৱৰ্তন কৰিব নোৱাৰে। অৱশ্যে বুৰঞ্জীক বিকৃত নকৰাকৈ উপস্থাপন সম্ভৱপৰ হ'ব পাৰে। এই ক্ষেত্ৰত পণ্ডিত সত্যেন্দ্ৰনাথ শৰ্মাৰ এষাৰ মন্তব্য প্ৰণিধানযোগ্য ঃ "ঘটনাপুঞ্জৰ মাজত বুৰঞ্জীয়ে যেতিয়া ছিদ্ৰ ৰাখি যায়, ঘটনা পৰম্পৰাৰ মাজত কাৰ্যকাৰণ যেতিয়া স্পষ্ট হৈ নোলায় আৰু যিবোৰ বৌৰঞ্জীক ঘটনা আৰু চৰিত্ৰৰ পৰিৱৰ্তন বা আগপিছ কৰিলে মূল কাহিনীৰ ওপৰত বিশেষ আঘাত নপৰে তেনেস্থলত নাট্যকাৰে স্বকীয় উদ্ভাৱনী শক্তিৰ সহায় ল'ব পাৰে। নাট্যকাৰে কল্পনাৰ সহায়ত কাৰ্যকাৰণহীন ঘটনাৰ মাজত কল্পনাৰে সম্পৰ্ক স্থাপন কৰিব পাৰে আৰু অস্পষ্ট আৰু অপৰিস্ফুট ঘটনাক উজ্জ্বল বা স্পষ্ট কৰিবলৈ স্বকীয় ৰহণ বা উপঘটনা সংযোগ কৰিব পাৰে। আনকি প্ৰসিদ্ধ চৰিত্ৰৰো যিটো দিশত ইতিহাসে পোহৰ পেলোৱা নাই তেনে অনুজ্জ্বল আৰু মৌন দিশক উজ্জ্বল আৰু মুখৰ কৰিবলৈ নাট্যকাৰৰ স্বাধীনতা আছে।"[৭]

বুৰঞ্জীমূলক নাটকৰ ক্ষেত্ৰত আন এক মন কৰিবলগীয়া কথা এয়ে যে বাস্তৱতা অক্ষুণ্ণ ৰখাৰ স্বাৰ্থত কাহিনী-চৰিত্ৰত প্ৰয়োগ হোৱা ভাষা শৈলীৰ ওপৰত যথেষ্ট গুৰুত্ব আৰোপ কৰিবলগীয়া হয়। গদ্যই বুৰঞ্জীমূলক নাটকৰ স্বাভাৱিক মাধ্যম হ'লেও অসমীয়া পুৰণিচাম নাট্যকাৰে অমিত্ৰাক্ষৰ বা গৈৰিশ ছন্দ প্ৰয়োগ কৰিছিল।

বুৰঞ্জীমূলক নাটক ৰচনাৰ ক্ষেত্ৰত স্বদেশপ্ৰেম আৰু অতীতৰ প্ৰতি শ্ৰদ্ধাশীল মনোভাৱ মূল কাৰক বুলিব পাৰি। অসমৰ প্ৰেক্ষাপটত ভাৰতবৰ্ষৰ পৰাধীনতা আছিল বুৰঞ্জীমূলক নাটক ৰচনা আৰু জনপ্ৰিয় হোৱাৰ কাৰণ প্ৰাৰম্ভিক সময়ছোৱাত।

আন এক উল্লেখনীয় কথা এয়ে যে অসমীয়া বুৰঞ্জীমূলক নাটকৰ বেছি সংখ্যক নাটকৰে বিষয়বস্তু আহোম বুৰঞ্জীৰূপৰা আহৰিত। কিয়নো আহোম যুগত বুৰঞ্জীৰ সমল যথেষ্ট আছে আৰু সেই সমলসমূহে নাট্যকাহিনী সৃষ্টিত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে।

তদুপৰি বুৰঞ্জীত প্ৰসিদ্ধ চৰিত্ৰৰ ৰাজনৈতিক কাৰ্যাৱলীৰহে বিৱৰণ থাকে। কিন্তু পাৰিবাৰিক জীৱন আৰু ব্যক্তিগত ৰুচি-অভিৰুচিৰ বিষয়ে লিপিৱদ্ধ নথকাত নাট্যকাৰে চৰিত্ৰ বিকৃত নকৰাকৈ কল্পনাৰ ৰহণ চৰাই নাট্যকাহিনীক অগ্ৰগতি দান কৰিব পাৰে। "এনেদৰে ৰহণ সানোতে অৱশ্যে ঐতিহাসিক চৰিত্ৰৰ মহত্ত্ব যাতে অক্ষুণ্ণ থাকে আৰু ঐতিহাসিক পৰিৱেশ যাতে নষ্ট নহয় তাৰ প্ৰতি নাট্যকাৰে দৃষ্টি দিবলগা হয়। ঐতিহাসিক নাটক সম্পৰ্কে বেজবৰুৱাই কৈছে —

"...ঐতিহাসিক প্ৰকৃত ঘটনা লৰচৰ নকৰি আৰু ইতিহাসৰ প্ৰকৃত ব্যক্তিসত্ত্বাৰ চৰিত্ৰ যেনে আছিল যিমান দূৰ পৰা যায় তেনে ৰাখি চিত্ৰিত কৰি, গত আৰু মৃত ঘটনা আৰু ব্যক্তিসকলৰ শৰীৰত পুনৰ প্ৰাণ দি সেইবোৰ সজীৱ কৰিবলৈ বৰ্তমান কালত দেখুৱাটো ঐতিহাসিক নাটকৰ কাৰ্য বুলি মোৰ ধাৰণা।"[৮]

প্ৰসিদ্ধ সমালোচক সত্যেন্দ্ৰনাথ শৰ্মাদেৱে বুৰঞ্জীমূলক নাটকৰ ক্ষেত্ৰত সততে দেখা ত্ৰুটি এটি আঙুলিয়াই দিছে। সেয়া হৈছে নাট্যকাৰসকলৰ সম্যক ঐতিহাসিক জ্ঞানৰ অভাৱৰ ফলত দেখা দিয়া অসঙ্গতি আৰু ঐতিহাসিক বাতাৱৰণৰ দৈন্য। যি যুগৰ ঘটনা ৰূপায়িত কৰা হয়, সেই যুগৰ সাজ-পোছাক, ৰীতি-নীতি, ভাৱ-চিন্তা,

ব্যৱহাৰ আৰু শাসন প্ৰণালীৰ সম্যক জ্ঞান আহৰণ নকৰি বুৰঞ্জীৰ পৰা কেৱল ঘটনা এটা বুটলি আনি নাটকীয় গঢ় দিলে সি শ্ৰেষ্ঠ ঐতিহাসিক নাটকৰূপে কেতিয়াও দাবী কৰিব নোৱাৰে। ভাষা প্ৰয়োগৰ ক্ষেত্ৰতো যুগ সাপেক্ষ হোৱাটো নিতান্তই জৰুৰী।[৯] নহ'লে কালাতিক্ৰমণ দোষ বা ঐতিহাসিক প্ৰমাদ পৰিলক্ষিত হয়। গতিকে বুৰঞ্জীমূলক নাটক ৰচনাৰ ক্ষেত্ৰত নাট্যকাৰ গৰাকী একেধাৰে কলাকাৰ, বুৰঞ্জীবিদ আৰু দায়বদ্ধ তথা সচেতন লিখক হিচাপে আত্মপ্ৰকাশ কৰে।

আমাৰ আলোচ্য নাটক 'জয়মতী'ৰ কাহিনী গ্ৰহণ কৰা হৈছে আহোম বুৰঞ্জীৰ পৰা। মহীয়সী নাৰী জয়মতীৰ চৰম আত্মত্যাগৰ কাহিনী নাটকখনৰ বিষয়বস্তু। 'জয়মতী'ৰ যন্ত্ৰণা ভোগ আৰু আত্মবলিদান, স্বামী আৰু স্বদেশৰ প্ৰতি একান্ত অনুৰক্তিয়ে তেওঁক জনসাধাৰণৰ আৰাধ্যা কৰি তুলিছে। জয়মতীৰ দৰে অন্য কোনো নাৰীৰ কাহিনীয়ে সৰ্বসাধাৰণৰ হৃদয়খনক এনেদৰে আলোড়িত কৰিব পৰা নাই। তেওঁৰ চাৰিত্ৰিক দৃঢ়তা, স্বামী ভক্তি আৰু দেশ-প্ৰেম সকলোৰে আদৰ্শস্বৰূপ।"[১০] গতিকে অন্তঃসলিলা ফল্গুৰ দৰে জনতাৰ হৃদয়ত চিৰ প্ৰৱাহমান জয়মতী কুঁৱৰীৰ কাহিনীটো নাট্যকাৰে প্ৰথম অসমীয়া বুৰঞ্জীমূলক নাটকখনত উপস্থাপন কৰিছিল।

গোহাঞিবৰুৱাৰ 'জয়মতী' নাটকৰ ভাষাশৈলী হ'ল অমিত্ৰাক্ষৰ ছন্দৰ। তদুপৰি বঙ্গীয় আদৰ্শত প্ৰয়োগ কৰা 'গৈৰিশ ছন্দ' মন কৰিবলগীয়া। তেওঁৰ সমসাময়িক কালছোৱাত ভাৱপ্ৰৱণ আৰু বৰ্ণনাবহুল গহীন নাটকৰ ভাৱ প্ৰকাশত অমিত্ৰাক্ষৰ ছন্দ প্ৰধান মাধ্যম হৈ পৰিছিল। সেয়ে উক্ত শৈলীকে তেওঁ 'জয়মতী' নাটকত ব্যৱহাৰ কৰিছিল।

অন্যান্য দিশৰ ক্ষেত্ৰত নাট্যকাৰে উপকাহিনী, চৰিত্ৰ আদি সৃষ্টিৰে নাট্যকাহিনীৰ বিকাশ ঘটাবলৈ সক্ষম হৈছে। চিনু-জিনুৰ দৰে চৰিত্ৰ সৃষ্টি কৰি গদা কোঁৱৰৰ প্ৰতি জিনুৰ প্ৰেমাকাংক্ষা দেখুৱাই নাট্যকাৰে নিজা উদ্ভাৱনী শক্তিৰে পৰিচয় দিছে। ইয়ে নাট্যকাহিনীৰ কোনো আঘাত হনা নাই, বৰঞ্চ অগ্ৰগতিহে প্ৰদান কৰিছে। অৱশ্যে জয়মতীক অলৌকিক কৰি তুলিবলৈ কৰা প্ৰয়াসে চৰিত্ৰটোৰ মহত্ত্ব আৰু ট্ৰেজিক বৈশিষ্ট্যৰ হানি কৰিছে। মৰ্ত্যৰ মানৱী জয়মতীৰ চৰিত্ৰটো বাস্তৱানুগ হৈও শেহলৈ অলৌকিকতা আৰোপ কৰাত ঐতিহাসিকত্ব গুণ বহু পৰিমাণে নাহকীয়া হয়।

বুৰঞ্জীমূলক নাটক ৰচনাৰ সীমাৱদ্ধতাৰ ভিতৰতে নাট্যকাৰে বহু ক্ষেত্ৰত সফল হ'লেও কালাতিক্ৰমণ দোষৰ পৰা ৰেহাই নাপালে। 'জয়মতী' নাটকৰ এঠাইত গদা কোঁৱৰে পত্নীক সুঁৱৰিছে এইদৰে- "এৰিছে প্ৰিয়াই দেহা থই সোঁৱৰণী- ৰব মোৰ জীৱণে-মৰণে ৰব আৰু অভগন কীৰ্ত্তি ৰাশী- কৰিব অমৰ মহাসতী প্ৰিয়া-'জয়াতীৰ্থ স্নান' নামে 'জয়সাগৰ দ'ল' সতে-কীৰ্ত্তি চিন ৰই" (পঞ্চম অঙ্ক, তৃতীয় গৰ্ভাঙ্ক)। জয়সাগৰ, জয়দ'ল আদি কীৰ্তিচিহ্ন জয়মতীৰ মৰণোত্তৰ কালৰ নিৰ্মিতি। গতিকে জয়মতীৰ মৃত্যুকালত কৰা এনে সোঁৱৰণত কালাতিক্ৰমণ দোষ স্পষ্ট হৈ পৰিছে। তদুপৰি ল'ৰাৰজাৰ সিংহাসন আৰোহণৰ সময়ত লালুকসোলা বৰফুকনে আতন বুঢ়াগোহাঞিক হত্যা কৰোৱাইছিল যদিও নাটকখনত লাকুকসোলাৰ পৰিৱৰ্তে আতন বুঢ়াগোহাঞিক দেখুওৱা হৈছে। বুৰঞ্জীমতে ল'ৰাৰজাৰ দিনত মোগলৰ সৈতে কোনো সংঘৰ্ষ হোৱা নাছিল। আকৌ আদহীয়া গদাপাণিৰ পত্নী, লাই-লেচাইৰ মাতৃ জয়মতী ল'ৰাৰজাৰ প্ৰেমাকাংক্ষী হোৱাটো বুৰঞ্জী সন্মত হ'ব নোৱাৰে। বুৰঞ্জীৰ দৃষ্টিভংগীৰে বিচাৰ কৰিলে দুই-এটা দোষ দৃষ্টিগোচৰ হয় যদিও প্ৰথম অসমীয়া বুৰঞ্জীমূলক নাটক হিচাপে পদ্মনাথ গোহাঞিবৰুৱাৰ 'জয়মতী' নাটকে অসমীয়া নাট্য সাহিত্যত এক বিশেষ স্থান অধিকাৰ কৰি আছে।

## ৪.০০ বুৰঞ্জীৰ পাতত সন্নিৱিষ্ট তথ্য ঃ

জয়মতী কিম্বদন্তী নহয়, বাস্তৱ বুৰঞ্জীৰ এটুকুৰা কেঁচা সোণ। বুৰঞ্জীৰ পাতত জয়মতীৰ কাহিনী যেনেদৰে লিপিবদ্ধ হৈ আছে জনশ্ৰুতি, লোকগীত, লোক প্ৰবাদতো জয়মতী উজ্জ্বলি আছে দেশপ্ৰেম তথা আদৰ্শৰ প্ৰতীক, ত্যাগৰ মূৰ্তি, স্বামী আৰু দেশৰ ৰক্ষা কৱচ হিচাপে। অৱশ্যে সকলোবোৰ বুৰঞ্জীৰ পাতত জয়মতীৰ কাহিনীটো সবিস্তাৰে পোৱা নাযায়। দুই এখন বুৰঞ্জী 'জয়মতী' সম্পৰ্কে সম্পূৰ্ণ নিমাত। যেনেঃ কাশীনাথ তামুলী ফুকনৰ বুৰঞ্জী, গুণাভিৰাম বৰুৱাৰ আসাম বুৰঞ্জী', গেইট চাহাবৰ 'History of Assam', গোলাপ চন্দ্ৰ বৰুৱাৰ 'আহোম বুৰঞ্জী' আদিত জয়মতীৰ নামোল্লেখো নাই। তদুপৰি লীলা গগৈদেৱে লিখিছেঃ "জয়মতীৰ কাহিনীটো পোন প্ৰথমতে জে এম ফ'ষ্টাৰ চাহাবে এছিয়াটিক ছ'চাইটি জাৰ্ণেলত কাশীনাথ তামুলী ফুকনৰ বুৰঞ্জীত পাই প্ৰকাশ কৰিছিল বুলি উল্লেখ কৰিছে। কিন্তু তামুলী ফুকনৰ ছপা বুৰঞ্জীত কাহিনীটো পাবলৈ নাই।

'বুৰঞ্জী আৰু পুৰাতত্ত্ব' বিভাগে ছপোৱা নকলটোৰ বাহিৰেও বিস্তৃত নকল এটা ফুকনৰ পৰিয়ালত আছিল। এই নকলটোত জয়মতীৰ কথা থাকিব পাৰে। তদুপৰি যোৰহাটত তামুলী ফুকনৰ বুৰঞ্জীৰ হুবহু নকল আৰু মাজে মাজে দুই চাৰিটা অধিক তথ্য সম্বলিত এখন তুলাপতীয়া বুৰঞ্জী পোৱা গৈছে। উক্ত বুৰঞ্জীখনত ৰুদ্ৰসিংহৰ ৰাজত্ব কালৰ বিৱৰণত জয়সাগৰ পুখুৰী খনোৱা সন্দৰ্ভত জয়মতীৰ কথা উল্লেখ আছে।[১১]

'তুংখুঙ্গীয়া বুৰঞ্জী', 'অসম বুৰঞ্জী', হৰকান্ত সদৰামীনৰ অসম বুৰঞ্জী', দুতিৰাম হাজৰিকাৰ 'অসমৰ পদ্য বুৰঞ্জী', 'বৃহৎ টাই জাতি', সৰ্বানন্দ ৰাজকুমাৰৰ 'ইতিহাসে সোঁৰৰা ছশটা বছৰ', পদ্মনাথ গোহাঞিবৰুৱাৰ 'অসমৰ বুৰঞ্জী' আদিত জয়মতী কুঁৱৰীৰ কহিনীৰ আভাস পোৱা যায়।

লোকগীতত জয়মতীৰ পৰিচয় আছে এইদৰে —
"লেচাই বুঢ়াগোহাঞিৰ জীয়েক মোৰ আইতা
চন্দ্ৰদাৰু সুন্দৰী বৰ।
লাই মোৰ থেপেনা, বৰগোহাঞি দেউতা,
মাদুৰী চহৰত ঘৰ।।
ছুঁৱৰা ককাই-ভাই, এঘাৰজনী মাহী আই,
তেৰজনী বাই-ভনী পাই।
মাদুৰী চহৰত, ডাঙৰ হৈ আহিলোঁ,
আই-বোপাইৰ আহঙ্গত খাই।।
মাদুৰী চহৰত, ডাঙৰ হৈ আছিলোঁ
বৰগোহাঞিৰ হৈছিলোঁ জী।।
গদাপাণি কোঁৱৰে, নিলে তুংখঙ্গলৈ,
চকলং বিয়াকৈ নি।।[১২]

'তুংখুঙ্গীয়া বুৰঞ্জী'ৰ পাতনিত আছে ঃ The Astrologers intimated to Sulikpha Lora Raja that his destruction would come from prince Godapani and hence the pursuit of Godapani was taken up so vehemently and destinately and even by attempting to extract dues to his wherabouts by torturing his wife 'Jaymati Kuwari'. ল'ৰাৰজা চুলিক্‌ফা ৰাজসিংহাসনচ্যুত হ'ব গদাপাণিৰ দ্বাৰা বুলি এগৰাকী জ্যোতিষীয়ে ভৱিষ্যতবাণী কৰি থৈছিল। তদুপৰি উক্ত বুৰঞ্জীখনৰ ভিতৰছোৱাত উল্লেখ আছে যে "পূৰ্বে বুঢ়াফুকন (লালুকসোলা)ৰ ভয়ত দুইজনা গোহাঁইক নগাচাঙ্গত থৈছিলে; গৰ্ভে সহিতে আই কুঁৱৰীদেও শাস্তিতে মৰিলে।" সুকুমাৰ মহন্তৰ ঘৰত পোৱা বুৰঞ্জীতো একেদৰেই উল্লেখ আছে।

হৰকান্ত সদৰামীনৰ বুৰঞ্জীত জয়মতীয়ে গদাপাণিক আঁতৰাই পঠিয়াবলৈ বুজনি দিছে এইদৰে—

"...মঞি সহিতে গ'লে তুমি ধৰা পৰিবা। এতেকে মই ইয়াতে আছো। মোৰ যি হয় হ'ব। যদি মই মৰো, কি মোক মাৰে, তুমি আৰু দহজনী স্ত্ৰী বিবাহ কৰিব পাৰিবা। তুমি বিহীন হ'লে আৰু ক'ত হ'ব।।" ১৪৯।। এই বুৰঞ্জীখনত জয়মতীৰ নাম 'গাভৰু' ৰূপে বৰ্ণনা কৰিছে— "লোকসকলে গাভৰুক ধৰি কোঁৱৰৰ কথা সোধাত ক'লৈ গ'ল মই নাজানো বুলি কোৱাতো পাপিষ্ঠ ও নিৰ্দয় লোক গাভৰুক ধৰি শাস্তি কৰি বধ কৰিলে।"[১৩]

'তুংখুঙ্গীয়া বুৰঞ্জী'ত ব্যৱহাৰ হৈছে 'ঘৰিণীয়েক' শব্দ — "আতে-পাচে ৰজাৰ কোঁৱৰ যিখিনি পায়মানে বিচাৰি মাৰিলে। বুঢ়াৰজাক বিচাৰি নাপাই ঘৰিণীয়েকক শাস্তিতে মাৰিলে।"

পদ্মনাথ গোহাঞিবৰুৱাদেৰে লিখি উলিওৱা 'অসমৰ বুৰঞ্জী'ত পূৰ্বে প্ৰণীত বুৰঞ্জীসমূহ চালি-চাৰি চাই জয়মতী কুঁৱৰীৰ কাহিনীটো সবিস্তাৰে বৰ্ণনা কৰিছে।

সৰ্বানন্দ ৰাজকুমাৰ প্ৰণীত 'ইতিহাসে সোঁৰৰা ছশটা বছৰ' শীৰ্ষক গ্ৰন্থতো জয়মতী কুঁৱৰী সম্পৰ্কে বিস্তৃতভাৱে উল্লেখ পোৱা যায়- "গদাপাণিৰ ভাৰ্যা, লাইথেপেনা বৰগোঁহাই ঘৰৰ জীয়ৰী, জয়মতী কুঁৱৰীয়ে, ৰাজ্যৰ অৱস্থা দেখি ভালদৰে বুজিছিল যে সেই সময়ত শক্তিশালী, দৃঢ়মনা ৰাজকোঁৱৰ পাটত নবহিলে আহোম ৰাজ্য ধ্বংস হ'ব। সেই ধ্বংসৰ হাতৰপৰা ৰাজ্য ৰক্ষা কৰিবলৈ সেই সময়ত তেওঁৰ স্বামীৰ বাহিৰে ৰজা হ'ব পৰা সুযোগ্য ৰাজকোঁৱৰ কোনো নাছিল। ইফালে ৰাজকীয় সৈন্যই গদাপানিক হয় হত্যা নহয় অংগক্ষত কৰিবলৈ যোৱাৰ বাতৰি কুঁৱৰীয়ে পায়। এনেবিলাক কাৰণতে কুঁৱৰীয়ে গদাপাণিক নগাৰ বেশ পিন্ধাই নগা পৰ্বতলৈ পলুৱাই পঠায়। কোনোৰ মতে কোঁৱৰ-কুঁৱৰীয়ে হাবিত পলায় থাকোতে নিশা ৰজাৰ সৈন্যই কোঁৱৰক বেঢ়ি ধৰাতহে পলুৱায় পঠায়। কোঁৱৰ পলাই যোৱাত লালুকসোলাই কুঁৱৰীক ৰাজসভালৈ নিয়াই কোঁৱৰৰ বাতৰি সোধে। কুঁৱৰীয়ে বাতৰি দিবলৈ অস্বীকাৰ কৰাত

লালুকসোলাই কুঁৱৰীক শাস্তি দি বাতৰি উলিয়াবলৈ গিদা গাঁঠি হাজৰীকাক দিয়ে। হাজৰীকাই সগৰ্ভা কুঁৱৰীক চাওডাং লগাই জেৰেঙা পথাৰত নানা অমানুষিক শাস্তি দিয়ে। কুঁৱৰীয়ে স্বামীৰ চৰণ চিন্তি, চোৰাত আমৰলি পৰুৱা, চমটা, সৌকা, জ্বলা লোৰ দাগ আদি সকলো নীৰৱে সহ্য কৰিলে। আনকি তেওঁৰ তিনি বছৰীয়া জীয়েক তিনিদিন শাস্তি খাই তেওঁৰ আগতে মৃত্যু হোৱাতো স্বামীৰ বাতৰি নিদিলে। কোনোৱে কয়, কুঁৱৰীক শাস্তি দিয়াৰ বাতৰি পাই ভেশচন কৰি আহি কোঁৱৰে তেওঁৰ বাতৰি ক'বলৈ কোৱাতো, কোনো সন্ধান নিদি আঁতৰি যাবলৈহে ইংগিত দিয়ে। জেৰেঙা পথাৰত চৈধ্যদিন অমানুষিক শাস্তি ভোগ কৰি জয়মতী কুঁৱৰীয়ে নশ্বৰ দেহা ত্যাগ কৰে।" [১৪]

৫.০০ **তুলনামূলক বিচাৰ আৰু সিদ্ধান্ত গ্ৰহণ ঃ**

বুৰঞ্জীৰ তথ্য আধাৰিত সাহিত্যৰ ক্ষেত্ৰত কল্পনা আৰু বাস্তৱৰ মাজৰ সীমাৰেখা নিৰূপন কৰা ইমান সহজ নহয়। বিশেষকৈ জয়মতী কুঁৱৰীৰ দৰে বুৰঞ্জী প্ৰসিদ্ধ চৰিত্ৰ এটিৰ ক্ষেত্ৰত। অৱশ্যে চৰিত্ৰ বা কাহিনীৰ ক্ষেত্ৰত বুৰঞ্জীৰ তথ্য প্ৰয়োগ কৰাটো যিদৰে বাধ্যতামূলক বা দোষণীয় কাম নহয়, তেনেদৰে বুৰঞ্জীৰ তথ্যক হুবহু ব্যৱহাৰ কৰিবলৈকো নাট্যকাৰ বাধ্য নহয়। গতিকে নাট্যকাহিনীক সুখপাঠ্য কৰি তোলাৰ স্বাৰ্থত নাট্যকাৰে কল্পনা আৰু বাস্তৱৰ চিত্ৰ অংকন কৰাটো স্বাভাৱিক।

* জয়মতী এক বাস্তৱ চৰিত্ৰ আৰু বুৰঞ্জীৰ পাতত উল্লেখিত এই চৰিত্ৰটোৰ কাহিনীয়ে ইয়াৰ সত্যতা প্ৰতিপন্ন কৰে।

* 'জয়মতী' নাটকৰ কাহিনী ৰচিত হৈছে অসম বুৰঞ্জীৰ এটি অবিস্মৰণীয় অধ্যায়ৰ ভেঁটিত। কিন্তু পোনপ্ৰথমেই বুৰঞ্জীৰ তথ্য বা বাস্তৱতাক ব্যাহত কৰি আতন বুঢ়াগোহাঞিৰ চৰিত্ৰটো উপস্থাপন কৰা হৈছে। নাট্য কাহিনীমতে, এই আতন বুঢ়াগোহাঞিয়ে ল'ৰাৰজাৰ সিংহাসন নিষ্কন্টক কৰিবলৈ ৰাজকোঁৱৰসমূহৰ অংগক্ষত কৰোৱা অথবা হত্যাৰ উপদেশ দিছে ল'ৰাৰজাক। কিন্তু বুৰঞ্জীমতে এই কথা সত্য নহয়। ১৬৭৩ চনৰ পৰা ১৬৮১ চনলৈ আহোম ৰাজত্বৰ এইছোৱা সময়ত সাতজন ৰজাৰ ভঙা-পতা আৰু তিনিজন বৰমুৰীয়া বিষয়াৰ অপঘাত মৃত্যুৰ পিছত ৰজা হিচাপে সিংহাসনত উঠে ল'ৰাৰজা চুলিক্‌ফা। উক্ত সময়ছোৱাত পাত্ৰ-মন্ত্ৰী দুজনমান অধিক স্বেচ্ছাচাৰী আৰু ক্ষমতাশালী হৈ উঠে আৰু ৰজা হৈ পৰে তেওঁলোকৰ হাতৰ পুতলা। এই ক্ষেত্ৰত লালুকসোলা বৰফুকনৰ নাম বিশেষভাৱে উল্লেখযোগ্য। প্ৰকৃততে ল'ৰাৰজাৰ নামত গোটেইখিনি অপকৰ্ম কৰিছিল মেটেকাতলীয়া লালুকসোলা বৰফুকনেহে। সৰ্বানন্দ ৰাজকুমাৰ প্ৰণীত 'ইতিহাসে সোঁৱৰা ছশটা বছৰ' গ্ৰন্থত উল্লেখ আছে-"লালুকসোলা বৰফুকনে ১৪ বছৰীয়া চামগুৰীয়া কোঁৱৰক বৰনাওশালত ৰজা পাতে। তেওঁ ৰজা হৈ আহোম মতে চুলিক্‌ফা আৰু হিন্দুমতে ৰত্নধ্বজ সিংহ নাম লয়। লালুকসোলা বৰফুকনে নিজে ৰাজমন্ত্ৰী হ'ল আৰু ভায়েক মৰঙীৰ বৰবৰুৱা আৰু লানমাখু চেটিয়া সৰু অভয়াপুৰীয়া ৰাজখোৱা বন্দৰক ফুকন পাতে। লালুকসোলাই নিজৰ ৫ বছৰীয়া জীয়েকক স্বৰ্গদেৱৰ কুঁৱৰী আৰু ভাতধৰাৰ ১২ বছৰীয়া জীয়েকক পৰ্বতীয়া কুঁৱৰী পাতে। তাৰ পাছত স্বৰ্গদেৱ মেটেকালৈ আহে।

লালুকসোলা ৰাজমন্ত্ৰী ফুকনে স্বৰ্গদেৱৰ আজ্ঞাৰে বৰগোঁহাই পৰীয়া খোনাগোঁহাই, চাওদাং বৰুৱা আৰু বৰপাত্ৰ বংশৰ বানচেঙীয়া খামচাং গোঁহাইক পঠাই কলিয়াবৰৰ সলাল বৰগোঁহাইৰ বাৰীতে আঘোণৰ শুক্লা দ্বিতীয়াৰ দিনা আতন বুঢ়াগোহাঁইক সবংশে হত্যা কৰায়।...ৰজাশহুৰ লালুকসোলাই আতন বুঢ়াগোঁহাইক সবংশে ধ্বংস কৰি নিজৰ আত্মীয়-স্বজনক উচ্চ বিষয়া পাতি ইচ্ছা মতে ৰাজ্য শাসন কৰিবলৈ ধৰে।" গতিকে নিশ্চিতভাৱে ক'ব পাৰি যে ল'ৰাৰজাৰ ৰাজত্বকালত আতন বুঢ়াগোহাঞিৰ মৃত্যু হৈছিল। স্বয়ং লালুকসোলা মন্ত্ৰী ফুকনেই ৰজাৰ নিৰ্দেশত তেওঁক হত্যা কৰোৱাইছিল আৰু এই লালুকসোলাৰ কথামতেই ৰজাই উঠা-বহা কৰিছিল। ৰাজকোঁৱৰসকলক অংগক্ষত অথবা হত্যা কৰোৱাৰ পৰামৰ্শদাতাও আছিল লালুকসোলা বৰফুকন।

* 'জয়মতী' নাটকত উল্লেখিত আন এক চৰিত্ৰ ডেবেৰা বৰবৰুৱা। নাট্যকাহিনীমতে তেওঁ আতন বুঢ়াগোহাঞি আৰু ল'ৰাৰজাৰ অপকৰ্মত সহমত প্ৰকাশ কৰিছে। কিন্তু বুৰঞ্জীমতে ডেবেৰা বৰবৰুৱাৰ মৃত্যু হৈছিল আতন বুঢ়াগোহাঞিৰ মৃত্যুৰ আগতেই।

* নাটকীয় উদ্দেশ্য সাধনৰ বাবে গোহাঞিবৰুৱাদেৰে আহোম-মোগলৰ ৰণৰ উল্লেখ কৰিছে আৰু ৰণখনত অংশগ্ৰহণ কৰিছে লাইথেপেনা বৰগোহাঞি ডাঙৰীয়াই। কিন্তু বুৰঞ্জীমতে চুডৈফা স্বৰ্গদেৱৰ দিনত লালুকসোলা

বৰফুকনে ষড়যন্ত্ৰ কৰি গুৱাহাটী মোগলক এৰি দিয়া কথাৰ উল্লেখ আছে।[১৩] অৰ্থাৎ ক্ষমতাৰ লোভত লালুকসোলা বৰফুকনে নিজেই ১৬০০ শকৰ ১৫ ফাগুনতে গুৱাহাটী এৰি থৈ আহিছিল। অথচ নাট্য কাহিনীত আহোম মোগলৰ ৰণৰ উল্লেখ কৰি লাইথেপেনা বৰগোহাঞিক আঁতৰাই ৰখাৰ এটাই কাৰণ যে তেওঁৰ উপস্থিতিত জীয়েক জয়মতীক ৰাজসভাত অপদস্থ কৰি মৃত্যুদণ্ড দিয়াটো সম্ভৱপৰ নহ'লহেঁতেন।

* পদ্মনাথ গোহাঞিবৰুৱাৰ 'জয়মতী' নাটকৰ ল'ৰাৰজা চুলিক্‌ফা জয়মতীৰ প্ৰেমাকাংক্ষী আছিল। কিন্তু বাহুবলী গদাপাণিৰ বাবেই তেওঁ প্ৰত্যাখিত হৈছিল। সেয়ে ঈৰ্যাগ্নিত দহি ৰজাই গদাপাণিক প্ৰতিশোধ ল'ব বিচাৰিছে যেন বোধ হয়—

"...আৰু এক ঈৰ্যানলে দহিছে অন্তৰ ;
জয়মতী পত্নী লাভ তাৰ হিয়া উদঙাই
সঁপিছিলো যাক ভালপোৱা। যাৰ হস্তে
আজি সৰ্ব্বস্ব সঁপিব পাৰোঁ; পাৰোঁ দিব
অকাতৰে সিংহাসন এৰি/ কিন্তু হায়,
নুপূৰিল প্ৰেম-আশা, নাই প্ৰতিদান/
ঘিণ কৰি নিলগালে মোক/ নিলগালে
যাচি দিয়া প্ৰেম মোৰ/ অযাচিতে পালে
কিন্তু সেই ভালপোৱা, গদাপাণি বীৰে।
সেই গদাপাণি /-প্ৰেমত বিঘিনি মোৰ
যাৰ নামে ঈৰ্যানল জ্বলি উঠে ঘনে/
লম তাৰ প্ৰতিশোধ; ল'ম এইবাৰ;

গতিকে সিংহাসন নিষ্কন্টক কৰাৰ স্বাৰ্থতকৈ প্ৰেমত প্ৰত্যাখিত হৈ প্ৰতিশোধ পূৰণৰ উদ্দেশ্যেহে ল'ৰাৰজাই গদাপাণিক অংগক্ষত বা হত্যা কৰাব বিচাৰিছিল বুলি ভাবিব পাৰি। কিন্তু সেয়া হ'লেও এগৰাকী ১৪ বছৰীয়া কোমলমতীয়া ৰজাই মধ্যবয়স্ক গদাপাণি কোঁৱৰৰ ভাৰ্যা তথা দুটা সন্তান লাই-লেচাইৰ মাতৃ জয়মতীৰ গাভৰু কালত প্ৰণয়প্ৰাৰ্থী হোৱাটো বাস্তৱসন্মত হ'ব নোৱাৰে। এয়া গোহাঞিবৰুৱাদেৰৰ কাল্পনিক সংযোজন।

* জয়মতী বুৰঞ্জীৰ বাস্তৱ চৰিত্ৰ বুলি ওপৰোক্ত আলোচনাত প্ৰতিপন্ন হৈছে। অথচ মানৱী জয়মতীৰ চৰিত্ৰত অতিলৌকিক উপাদান বা কল্পনাৰ ৰহন চৰাই কাল্পনিক চৰিত্ৰ হিচাপে দেখুওৱাত নাট্যকাৰেই দায়ী। চৰিত্ৰটো বাস্তৱানুগ কৰাই শ্ৰেয় আছিল। কিন্তু "নহয় মানৱী এবেসতী জয়মতী", "মিলিবা স্বৰ্গত গই মহাসতী সতে" আদি সংলাপে চৰিত্ৰটোৰ মানৱীয় তথা বাস্তৱানুগ গুণ হ্ৰাস কৰিছে।

* পদ্মনাথ বৰগোহাঞিবৰুৱাদেৱে 'জয়মতী' নাটত বুৰঞ্জীৰ চৰিত্ৰসমূহৰ উপৰিও কেবাটাও কাল্পনিক চৰিত্ৰৰ সৃষ্টি কৰিছে। চিনু, জিনু, নদাই, ভোগাই, আহিনী, পদ্মা আদি কাল্পনিক চৰিত্ৰসমূহে নাট্য কাহিনীক ফুটাই তোলাটো অৰিহণা যোগাইছে। তদুপৰি নগাপাহৰৰ নাগিনী চিনু আৰু জিনুৱে পৰৱৰ্তী অসমীয়া সাহিত্যিকৰ ওপৰত প্ৰভাৱ পেলাবলৈ সক্ষম হৈছে।

## ৬.০০ উপসংহাৰ ঃ

'জয়মতী' পদ্মনাথ গোহাঞিবৰুৱাৰ এক অনুপম সৃষ্টি। অসমীয়া নাট্য সাহিত্যৰ প্ৰাৰম্ভিক কালছোৱাতে সৃষ্ট এই নাটকে জন্মকালৰে পৰা বৰ্তমানলৈকে নাট্য সাহিত্যত এক উচ্চ আসন দখল কৰি আছে। বুৰঞ্জীৰ চৰিত্ৰ কাহিনীক কল্পনাৰে সৈতে সংমিশ্ৰণ ঘটাই সৃজন কৰিব পৰাতেই গোহাঞিবৰুৱাদেৰৰ কৃতিত্ব। কাৰণ, প্ৰথম অসমীয়া বুৰঞ্জীমূলক নাটক 'জয়মতী'ৰে তেওঁ বুৰঞ্জীমূলক নাটক ৰচনাৰ পথ নিৰ্দেশ নকৰাহেঁতেন এই নাটকৰ ধাৰাটো কিজানি কিছু বছৰ পিছ পৰিয়েই থাকিলহেঁতেন/সেয়া যিয়েই নহওক অসম বুৰঞ্জীৰ এটি গৌৰৱোজ্জ্বল চৰিত্ৰ 'জয়মতী'ক কেন্দ্ৰ কৰি ৰচিত এই নাটকখনেৰে পদ্মনাথ গোহাঞিবৰুৱাই অকল নাট্য সাহিত্যৰ ভঁৰাল চহকী কৰাই নহয়, অসমীয়া নাৰীৰ গৌৰৱগাঁথাও জনসাধাৰণৰ আগত তুলি ধৰিবলৈ সক্ষম হৈছে।

**পাদটীকা ঃ**

১। গোহাঞিবৰুৱা, পদ্মনাথ, জয়মতী, পাতনি।
২। গগৈ, লীলা (সম্পা.), আধুনিক অসমীয়া সাহিত্যৰ পৰিচয়, পৃষ্ঠা নং ৩৪২।
৩। শৰ্মা, সত্যেন্দ্ৰনাথ, অসমীয়া নাট্য সাহিত্য, পৃষ্ঠা নং ২১৯।
৪। মহন্ত, লক্ষ্মীকান্ত, অসমীয়া সাহিত্য অধ্যয়ন, পৃষ্ঠা নং ৩১২।
৫। ভট্টাচাৰ্য, হৰিচন্দ্ৰ, অসমীয়া নাট্য সাহিত্যৰ জিলিঙনি, পৃষ্ঠা নং ২১৮।

৬। শৰ্মা, সত্যেন্দ্ৰ নাথ, অসমীয়া নাট্য সাহিত্য, পৃষ্ঠা নং ২১১।

৭। প্ৰা. উ. গ্ৰ., পৃষ্ঠা নং ২১১।

৮। সন্দিকৈ, স্মৃতিৰেখা চেতিয়া, আধুনিক অসমীয়া নাট্য চিন্তন, পৃষ্ঠা নং ৬০।

৯। শৰ্মা, সত্যেন্দ্ৰনাথ, অসমীয়া নাট্য সাহিত্য, পৃষ্ঠা নং ২১৫।

১০। বৰপূজাৰী, মহেন্দ্ৰ, বেজবৰুৱা, গোহাঞিবৰুৱা আৰু সমকালীন অসমৰ সমাজ জীৱন, পৃষ্ঠা নং ১৮৯।

১১। শইকীয়া, চন্দ্ৰপ্ৰসাদ (সম্পা), পদ্মনাথ গোহাঞিবৰুৱা, পৃষ্ঠা নং ৩৪৪।

১২। হাজৰিকা, জ্যোতিৰেখা, অসমৰ ভাষা-সাহিত্য-সংস্কৃতিৰ ৰেঙণি, পৃষ্ঠা নং ২৪৯।

১৩। প্ৰা. উ. গ্ৰ., পৃষ্ঠা নং ২৫১।

১৪। ৰাজকুমাৰ, সৰ্বানন্দ, ইতিহাসে সোঁৰৰা ছশটা বছৰ, পৃষ্ঠা নং ১০৯-১১০।

১৫। প্ৰা. উ. গ্ৰ., পৃষ্ঠা নং ১০৯। ১৬। প্ৰা. উ. গ্ৰ., পৃষ্ঠা নং ১০৭।

**সহায়ক গ্ৰন্থপঞ্জী ঃ**

অসমীয়া—

১। গগৈ, লীলা (সম্পা) ঃ আধুনিক অসমীয়া সাহিত্যৰ পৰিচয়, ডিব্ৰুগড়, ষ্টুডেন্টছ্ এম্পোৰিয়াম, ১৯৯৪।

২। গোহাঞিবৰুৱা, পদ্মনাথ ঃ গোহাঞিবৰুৱা ৰচনাৱলী, গুৱহাটীঃ অসম প্ৰকাশন পৰিষদ, এপ্ৰিল, ১৯৮৭।

৩। গোহাঞিবৰুৱা, পদ্মনাথ ঃ অসমৰ বুৰঞ্জী, গুৱাহাটী ঃ অসম প্ৰকাশন পৰিষদ, জুন, ২০১৪।

৪। তামুলী, লক্ষ্মীনাথ (সম্পা)ঃ অসম বুৰঞ্জী (পদ্মেশ্বৰ নাওবৈছা ফুকন), গুৱাহাটীঃ অসম প্ৰকাশন পৰিষদ, ছেপ্তেম্বৰ, ২০০৭।

৫। বৰপূজাৰী, মহেন্দ্ৰ ঃ বেজবৰুৱা গোহাঞিবৰুৱা আৰু সমকালীন অসমৰ সমাজ জীৱন, নাহৰকটীয়া ঃ চিত্ৰলেখা প্ৰকাশন, ডিচেম্বৰ, ২০০৬।

৬। বৰুৱা, গুণাভিৰাম ঃ আসাম বুৰঞ্জী, গুৱাহাটী ঃ অসম প্ৰকাশন পৰিষদ, জুন,২০১২ ।

৭। ভট্টাচাৰ্য, হৰিচন্দ্ৰ ঃ অসমীয়া নাট্য সাহিত্যৰ জিলিঙনি পাণবজাৰ ঃ লয়াৰ্ছ বুক ষ্টল, ২০১১।

৮। ভূঞা, সূৰ্য কুমাৰ (সম্পা) ঃ সাতসৰী অসম বুৰঞ্জী, গুৱাহাটী ঃ গুৱাহাটী বিশ্ববিদ্যালয় প্ৰেছ, ২০১৬।

৯। মহন্ত, লক্ষ্মীকান্ত ঃ অসমীয়া সাহিত্য অধ্যয়ন, ডিব্ৰুগড়ঃ বনলতা, জুন, ১৯৯৩।

১০। ৰাজকুমাৰ, সৰ্বানন্দ ঃ ইতিহাসে সোঁৰৰা ছশটা বছৰ, ডিব্ৰুগড় ঃ বনলতা, ডিচেম্বৰ, ২০০০।

১১। শইকীয়া, চন্দ্ৰপ্ৰসাদ (সম্পা)ঃ পদ্মনাথ গোহাঞিবৰুৱা, গুৱাহাটী ঃ অসম প্ৰকাশন পৰিষদ, ডিচেম্বৰ, ২০০৭।

১২। শৰ্মা, সত্যেন্দ্ৰনাথ ঃ অসমীয়া নাট্য সাহিত্য, গুৱাহাটী ঃ সৌমাৰ প্ৰিন্টিং এণ্ড পাব্লিছিং প্ৰাঃ লিঃ, ১৯৮৬।

১৩। সন্দিকৈ, স্মৃতিৰেখা চেতিয়া ঃ আধুনিক অসমীয়া নাট্য চিন্তন,গুৱাহাটী ঃ পূৰ্বাঞ্চল প্ৰকাশ, ২০০৯।

১৪। হাজৰিকা, জ্যোতিৰেখা ঃ অসমৰ ভাষা- সাহিত্য-সংস্কৃতিৰ ৰেঙণি,গুৱাহাটী ঃ এন.এল.পাব্লিকেশ্বনছ্, জানুৱাৰী, ২০১২।

ইংৰাজী ঃ

**1.** Gait, Sir Edward : A History of Assam, Guwahati : EBH Publishers (India), 2008.

---

# মহেশ্বৰ নেওগৰ *অসমীয়া সাহিত্যৰ ৰূপৰেখা*- এক সমালোচনাত্মক বিচাৰ

**ড° প্ৰাঞ্জল শৰ্মা বশিষ্ঠ**

*সহকাৰী অধ্যাপক, অসমীয়া বিভাগ*

*গুৱাহাটী বিশ্ববিদ্যালয়*

(psb@gauhati.ac.in)

**সংক্ষিপ্ত-সাৰ ঃ** *মহেশ্বৰ নেওগ (১৯১৫-৯৫) স্বাধীনতাৰ পাছৰ অসমৰ বৌদ্ধিক ইতিহাসৰ এগৰাকী অগ্ৰণী নেতা। তেওঁৰ প্ৰায়খিনি সমালোচনাত্মক লেখা, বিশেষকৈ সাহিত্যৰ আলোচনাসমূহ ইতিহাসধৰ্মী। অসমীয়া সাহিত্যৰ ৰূপৰেখা (১৯৬২) অসমীয়া সাহিত্যৰ এখন ইতিহাস, তেওঁৰ অন্যতম শ্ৰেষ্ঠ বিদ্যায়তনিক কৃতি। সাম্প্ৰতিক গৱেষণা-পত্ৰত উক্ত গ্ৰন্থখনৰ এটা সমালোচনাত্মক বিচাৰ ঘাইকৈ বিশ্লেষণাত্মক পদ্ধতিৰে, আৰু প্ৰয়োজনবশতঃ তুলনাত্মক পদ্ধতিৰে আগ বঢ়োৱা হৈছে। বিচাৰৰ প্ৰক্ৰিয়াত গ্ৰন্থখনৰ আঁৰৰ বৌদ্ধিক প্ৰভাৱ আৰু ৰচনাৰ বিশিষ্টতা সম্বন্ধে পৰ্যালোচনা কৰি চোৱা হৈছে।*

***সূচক শব্দ ঃ*** *বৌদ্ধিক ইতিহাস, ইতিহাস-চেতনা, পৰম্পৰা, উপ-জাতীয়তাবাদী মনোভাব।*

আধুনিক অসমৰ বৌদ্ধিক ইতিহাসত আনন্দৰাম ঢেকিয়াল ফুকন, হেমচন্দ্ৰ বৰুৱা, কৃষ্ণকান্ত সন্দিকৈ, বাণীকান্ত কাকতি, তীৰ্থনাথ শৰ্মা, ডিম্বেশ্বৰ নেওগ আদিৰ পিছতে মহেশ্বৰ নেওগ (১৯১৫-৯৫)ৰ স্থান। ঘাইকৈ এগৰাকী ব্যস্ত আৰু দিক্‌দৰ্শী গৱেষক আৰু লেখক হিচাপে মহেশ্বৰ নেওগৰ পৰিচিতি। বিবিধ দিশত আন্তৰিক আৰু বৌদ্ধিক চৰ্চা কৰি স্বাধীনতাৰ পাছৰ কালৰ অসমীয়া বিদ্বৎ সমাজক সবল নেতৃত্ব দিয়া বাবে তেওঁক প্ৰাক্-স্বাধীনতা যুগৰ লেখক 'সাহিত্যৰথী' লক্ষ্মীনাথ বেজবৰুৱাৰ সৈতে ৰিজাব পাৰি। এই দিশসমূহৰ ভিতৰত সৃষ্টিশীল সাহিত্য, সাহিত্যৰ আলোচনা, সমাজ-সংস্কৃতিৰ গৱেষণা আৰু ধৰ্মৰ ইতিহাস— এই চাৰিটা দিশ উল্লেখযোগ্য। কেউটি দিশতে অসমীয়া সাহিত্যৰ শতেক বছৰৰ যুক্তি-মাৰ্গীয় জ্ঞান-সাধনাৰ পৰম্পৰাটিৰ প্ৰভাৱ ফট্‌ফটীয়া। তথাপি, তেওঁ অসমৰ প্ৰথমখন বিশ্ববিদ্যালয়ত[১] জন্মলগ্নৰে পৰা অসমীয়া সাহিত্যৰ প্ৰবক্তা হিচাপে শিক্ষাদান কৰিছিল বাবেই হয়তো তেওঁৰ বিস্তীৰ্ণ, গভীৰ আৰু বৈবিধ্যপূৰ্ণ বিদ্যায়তনিক কৰ্মৰাজিৰ ভিতৰত সাহিত্যৰ আলোচনা সম্পৰ্কীয় লেখাসমূহৰ মাজতে পৰম্পৰাৰ শাহ বেছিকৈ বিচাৰি পোৱা যায়। লক্ষ্যণীয়ভাৱে, এনে লেখাবোৰৰ প্ৰায়খিনি ইতিহাসধৰ্মী। তাৰ মাজতে আছে অসমীয়া সাহিত্যৰ এখন ইতিহাস— *অসমীয়া সাহিত্যৰ ৰূপৰেখা* (১৯৬২)। সাম্প্ৰতিক গৱেষণা-পত্ৰত উক্ত গ্ৰন্থখনৰ আঁৰৰ বৌদ্ধিক প্ৰভাৱ আৰু ৰচনাৰ বিশিষ্টতা সম্বন্ধে বিচাৰ কৰি চোৱা হৈছে।

মহেশ্বৰ নেওগৰ *অসমীয়া সাহিত্যৰ ৰূপৰেখাৰ* আগেয়ে অসমীয়া সাহিত্যৰ কেইবাখনো ইতিহাস প্ৰণয়ন কৰা হৈছিল। দেৱেন্দ্ৰনাথ বেজবৰুৱা, ডিম্বেশ্বৰ নেওগ আদিৰ ইতিহাসসমূহ এইক্ষেত্ৰত উল্লেখযোগ্য। *অসমীয়া সাহিত্যৰ ৰূপৰেখাৰ* সামান্য আগেয়েও অসমীয়া সাহিত্যৰ এখন প্ৰভাৱশালী ইতিহাস ওলাইছিল— সত্যেন্দ্ৰনাথ শৰ্মাৰ *অসমীয়া সাহিত্যৰ ইতিবৃত্ত* (১৯৫৯), যিয়ে পাছলৈ পৰিবৰ্দ্ধিত আকাৰত *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত* নাম পাইছিল। অসমীয়া সাহিত্যৰ সাম্প্ৰতিক বিদ্যায়তনিক চৰ্চাত মহেশ্বৰ নেওগৰ *অসমীয়া সাহিত্যৰ ৰূপৰেখাৰ* আৰু সত্যেন্দ্ৰনাথ শৰ্মাৰ *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্তৰ* প্ৰভাৱ বেছি। দুয়োগৰাকী লেখক সমসাময়িক আৰু একেখন বিশ্ববিদ্যালয়ৰে শিক্ষক, তদুপৰি দুয়োখন অগা-পিছাকৈ ওলোৱা। অলপ পাছত ওলোৱা *অসমীয়া সাহিত্যৰ ৰূপৰেখা* গ্ৰন্থখন *অসমীয়া সাহিত্যৰ ইতিবৃত্ত*তকৈ কিহত বেলেগ— এই কথা সাম্প্ৰতিক বিদ্যায়তনিক ক্ষেত্ৰখনৰ লগত জড়িত ব্যক্তিসকলৰ বাবে অনুসন্ধিৎসাৰ বিষয়। নেওগৰ ৰচনাৰাজিত বাণীকান্ত কাকতিৰ প্ৰভাৱো এটা মন কৰিবলগীয়া বিষয়। কাকতিৰ যোগেদিয়েই তেওঁৰ ৰচনাৰাজিলৈ ফৰাছী যুক্তিবাদৰ আগমন। এনে

কথাবোৰলৈ চকু দিলে দেখা যায়— *অসমীয়া সাহিত্যৰ ৰূপৰেখাৰ* সমালোচনাত্মক বিচাৰ এটা গৱেষণাযোগ্য বিষয়।

মহেশ্বৰ নেওগৰ *অসমীয়া সাহিত্যৰ ৰূপৰেখা* নামৰ সাহিত্যৰ ইতিহাসখনৰ এটা সমালোচনাত্মক বিচাৰ আগ বঢ়োৱাই সাম্প্ৰতিক গৱেষণা-পত্ৰৰ ঘাই উদ্দেশ্য। এই উদ্দেশ্য পূৰণ কৰাৰ প্ৰক্ৰিয়াত গ্ৰন্থখনৰ আঁৰৰ বৌদ্ধিক প্ৰভাৱ আৰু ৰচনাৰ উন্মোচন কৰিবলৈ প্ৰয়াস কৰা হ'ব।

গৱেষণা-পত্ৰখনত প্ৰধানকৈ বিশ্লেষণাত্মক পদ্ধতি আৰু প্ৰয়োজনীয় ক্ষেত্ৰত তুলনাত্মক পদ্ধতি ব্যৱহাৰ কৰা হৈছে আৰু নিগমাত্মক ধৰণে উদ্দেশ্যত উপনীত হ'বলৈ চেষ্টা কৰা হৈছে।

মহেশ্বৰ নেওগৰ ৰচনাৰাজিত আধুনিক অসমীয়া সাহিত্যৰ বৌদ্ধিক চৰ্চাৰ পৰম্পৰাটিৰ প্ৰভাৱ সহজতে চকুত পৰে। তেওঁৰ ঘৰুৱা পৰিৱেশ আছিল অনুপ্ৰেৰণামূলক। যশস্বী সাহিত্যিক ডিম্বেশ্বৰ নেওগ আছিল তেওঁৰ ককাইদেৰেক। কলেজীয়া শিক্ষাৰ সময়তো তেওঁ এটা উৎসাহজনক পৰিৱেশ পাইছিল। কটন কলেজত পঢ়াৰ সময়ত তেওঁ আচাৰ্য প্ৰফুল্ল চন্দ্ৰ ৰায়, আশুতোষ চেটাৰ্জী, বাণীকান্ত কাকতি আদি নব্যদিক্‌দৰ্শী শিক্ষকৰ তত্ত্বাৱধানত পাঠ গ্ৰহণ কৰিছিল। ককাইদেৰেক ডিম্বেশ্বৰ নেওগৰ প্ৰভাৱ বা কটন কলেজৰ প্ৰাক্-স্নাতক শ্ৰেণীত আচাৰ্য প্ৰফুল্ল চন্দ্ৰ ৰায়, আশুতোষ চেটাৰ্জী আদি শিক্ষকৰ প্ৰভাৱ— যি কাৰণতেই নহওক কিয়, আধুনিক অসমীয়া সাহিত্যৰ বৌদ্ধিক চৰ্চাৰ পৰম্পৰাটিৰ প্ৰতি আগ্ৰহ তেওঁৰ কোমল মনতে উপজিছিল আৰু সি তেওঁৰ আদিস্তৰীয় সাহিত্য-কৰ্মতে ভুমুকি মাৰিছিল। এনে আগ্ৰহ দেখুৱায়েই তেওঁ প্ৰাক-স্নাতক শ্ৰেণীৰ ছাত্ৰ হৈ থাকোঁতেই *আৱাহনৰ* পাতত আনন্দৰাম ঢেকিয়াল ফুকনৰ 'A Few Remarks on the Assamese Language and on the Vernaclular Education of Assam' (1855) অনুবাদ কৰিছিল। একেখন কলেজৰে স্নাতক শ্ৰেণীত তেওঁ গুৰু-বিষয় হিচাপে পঢ়িছিল ইংৰাজী। সেই ভাষা আৰু সাহিত্যৰ পাঠ লোৱাৰ সময়ত তেওঁ সুযোগ পাইছিল বাণীকান্ত কাকতি, সূৰ্যকুমাৰ ভূঞা আদি শিক্ষকৰো সান্নিধ্যলৈ অহাৰ সুযোগ। কাকতি আৰু ভূঞাৰ প্ৰভাৱে তেওঁৰ মনত নতুনতত্ত্বসন্ধানী, বিশ্লেষণীধৰ্মী ইতিহাস-চেতনাৰ সংযোগ ঘটালে। কাকতিৰ প্ৰভাৱ সুদূৰপ্ৰসাৰী হৈ ৰ'ল— নেওগ সচেতন হ'ল প্ৰথমতে, ভাষাৰ প্ৰতি, বিশেষকৈ ভাষাতত্ত্ব সমৰ্থিত ভাষা-পাৰিবাৰিক সম্বন্ধৰ প্ৰতি, আৰু দ্বিতীয়তে, ফৰাচী সমালোচক হিপ'লিট টেইনৰ আদৰ্শ অনুসৰি, সাহিত্য-আলোচনাত সামাজিক স্থান-কাল-পাত্ৰ বিচাৰৰ গুৰুত্বৰ প্ৰতি—

> "অটো ফন জেছপাৰ্ছেনৰ ইংৰাজী ভাষাৰ বুৰঞ্জী আৰু গঠন সম্পৰ্কীয় কিতাপখন নিজ গুণেই সৰস; কাকতি ছাৰৰ পঢ়ুওৱাই তাক আৰু বেছি সুৰদি কৰি তুলিছিল।" (নেওগ, *জীৱনৰ দীঘ আৰু বাণি* ১৭৮)।

> "ফৰাচী সমালোচক টেইনিয়ে সমালোচনাৰ ক্ষেত্ৰত milieu এটা ৰীতিকে উপস্থাপিত কৰিছিল— এটা যুগৰ সাহিত্যক সেই যুগৰ দৃষ্টিকোণৰ পৰাহে চাব লাগে। Oligarchy, economic and intellectual exploitation আদি আজিৰ যুগৰ ধাৰণা।" (নেওগ, *জীৱনৰ দীঘ আৰু বাণি* ১৭৮)।

নেওগে *অসমীয়া সাহিত্যৰ ৰূপৰেখাৰ* আৰম্ভণিতে অসমীয়া ভাষাৰ উৎপত্তি সম্পৰ্কে এটি অধ্যায় সাঙুৰি দিয়াত আৰু সেইখনকে ধৰি *শ্ৰীশ্ৰীশংকৰদেৱ* (১৯৪৮), *Sankaradeva and His Predecessors (১৯৫৩), Sankaradeva and His Times : Being a Study in the History of the Spread of Neo-Vaisnavism in Assam (১৯৬৫), Sankaradeva (১৯৭০, Sankaradeva : His Art and Teaching ১৯৭৫), Bhakti Ratnakara of Sankaradeva and History of the Concept of Bhakti* (১৯৮২) আদি গ্ৰন্থত সামাজিক প্ৰেক্ষাপট নিৰ্মাণ আৰু স্থান-কাল-পাত্ৰ বিচাৰ কৰাত কাকতিৰ দুয়োটি উপদেশৰ প্ৰভাৱ ফুটি ওলাইছে।

নেওগে কটন কলেজৰ স্নাতক শ্ৰেণীত ইংৰাজী গুৰু-বিষয়ৰ লগতে অসমীয়া, সংস্কৃত আৰু ইতিহাসৰো শিক্ষা লৈছিল। তেওঁৰ ইতিহাস-অধ্যয়নৰ প্ৰত্যক্ষ ফল এটি হৈছে সাঁচিপাতত লিখা সাহিত্যিক সমল, মুদ্ৰা, শিলালিপি-তাম্ৰলিপি, স্থাপত্য-ভাস্কৰ্য, মূৰ্তি, স্মৃতিসৌধ আৰু খননযোগে আৱিস্কৃত অৱশেষ আদি পুৰাতাত্ত্বিক সমল ইত্যাদিৰ সহায়ত প্ৰেক্ষাপট নিৰ্মাণৰ প্ৰচেষ্টা, যি এই সমূহ গ্ৰন্থতে সহজে চকুত

পৰা হৈ আছে।

কটন কলেজৰ স্নাতক শ্ৰেণীত ইংৰাজী গুৰু-বিষয়ৰ লগতে অসমীয়া, সংস্কৃত আৰু ইতিহাস পাঠ্য-বিষয় হিচাপে নিৰ্বাচন কৰা সম্পৰ্কে নেওগে কৈছে— "নিজৰ দেশখনক বুজিবৰ কাৰণে এই ব্যৱস্থাই অতীৱ উচিত।" (নেওগ, *জীৱনৰ দীঘ আৰু বাণি* ১৭৮)। নিজৰ দেশখনক বুজাৰ আগ্ৰহটো প্ৰাক্-স্বাধীন দিনৰে জাতীয়তাবোধৰ অৱশেষ। *Sankaradeva and His Times* ত অসমক ভাৰতৰ অংগৰূপেই "একত্ৰিত আৰু আধুনিক" কৰি তুলিব খোজাৰ নিদৰ্শন আছে ঃ

> "[শংকৰদেৱৰ আন্দোলনৰ ফলস্বৰূপে,] Assam discovered herself as an integral part of the holy land of Bharatavarsa, and gloried in that discovery. The holy books in Sanskrit, the *litterae humaniores* of India, could no longer be sealed to the common man's view by a rigid oligarchy. The use of the local language in expositions of theology and philosophy was in itself a challenge to the erstwhile guardians of secret doctrines, who understood the significance of the challenge and 'protested very much'.The new humanism eyed askance at the numerous blood sacrifices, including the immolation of man, and the nice sacerdotalism that was the order of the day in Hindu society. The use of Assamese, an Indo-Aryan tongue, which formed but an island in a Tibeto-Burman ocean, as the medium for the propagation of the neo-Vaisnava faith led to its emergence as the language of all people. The ancient kingdom of Kamarupa was now undergoing a huge change, and it was having almost a regeneration, political and social, which timed well with the cultural resurgence initiated by Sankaradeva; and the first possibilities of a unified and modern Assam were now in evidence." (Neog, *Sankaradeva and His Times* 1390).

এই উপ-জাতীয়তাবাদী মনোভাৱেৰেই নেওগে বিভিন্ন গ্ৰন্থৰ যোগেদি শংকৰদেৱক বাৰে বাৰে তুলি ধৰিছিল। তাত লক্ষ্মীনাথ বেজবৰুৱাৰ শংকৰদেৱ-চৰ্চাৰো প্ৰভাৱ পৰিছিল। বেজবৰুৱাৰ শংকৰদেৱ-চৰ্চা আছিল একে মনোভাৱৰেই ফচল। পাছলৈ *অসমীয়া সাহিত্যৰ ৰূপৰেখাত* এই উপ-জাতীয়তাবাদী মনোভাৱ কিছু শিথিল হৈছিল। তাৰ কাৰণ এই গৱেষণা-পত্ৰৰ শেষলৈ স্পষ্ট হ'ব।

স্নাতক শ্ৰেণীত সংস্কৃত আৰু ইতিহাসৰ পাঠ লোৱাটো আছিল ভাষা-পাৰিবাৰিক সম্বন্ধৰ প্ৰতি নেওগৰ আকৰ্ষণৰ আন এটা কাৰণ। আধুনিক ইংৰাজী সাহিত্যৰ আগমনে অসমত সংস্কৃত শিক্ষাৰ পৰম্পৰাটি ক্ষতিগ্ৰস্ত কৰিছিল যদিও নেওগৰ সময়লৈকে সেইটি শক্তিশালী হৈয়েই আছিল— তাৰ শক্তি প্ৰবাহিত হৈছিল হেমচন্দ্ৰ বৰুৱাৰ ভাষা-ৰীতি, আনন্দৰাম বৰুৱাৰ অভিধান-চৰ্চা আদিৰ মাজেৰে। পৰম্পৰাটি শক্তিশালী হৈ নাথাকিলে কুৰি শতিকাৰ দ্বিতীয় দশকত কৃষ্ণকান্ত সন্দিকৈয়ে কলিকতালৈ গৈ সংস্কৃত কলেজত নাম নিশ্চয় নলগালেহেঁতেন[২]। নেওগে সংস্কৃত অধ্যয়নৰ কৰাৰ আঁৰত এই পৰম্পৰাৰো প্ৰভাৱ আছে। পাছৰ কালত, মোটামুটিভাৱে পঞ্চম দশকৰ মাজভাগত নেওগ অসমীয়া ভাষাৰ থলুৱা ৰূপৰ প্ৰতি আকৃষ্ট হয়। *জয়ন্তীত* ওলোৱা 'ছটাই পৰেবত আৰু চিৰি লুইত'ত (১৯৪৬) তাৰ প্ৰমাণ আছে। এই পৰিৱৰ্তনৰ আঁৰতো বাণীকান্ত কাকতিৰ প্ৰভাৱ থাকিব পাৰে। কাকতিয়েও এইখিনি সময়ত *জয়ন্তীত* লিখিছিল আৰু সাহিত্য-সংস্কৃতিৰ আলোচনাত অসমীয়া আৰু জনজাতীয় ভাষাৰ শব্দগত আন্তঃ-সম্পৰ্ক উন্মোচন কৰিছিল। *অসমীয়া সাহিত্যৰ ৰূপৰেখাকে* ধৰি নেওগৰ ইতিহাসধৰ্মী লেখাসমূহত থলুৱা শব্দ আৰু প্ৰকাশভংগীৰ প্ৰয়োগ মন কৰিবলগীয়া। এনে প্ৰয়োগৰ প্ৰতি মাত্ৰাধিক সচেতন হৈ উঠা বাবে তেওঁৰ ৰচনাৰাজি থলুৱা শব্দ আৰু প্ৰকাশভংগীৰ অভিলেখ-সদৃশ হৈছে সঁচা, কিন্তু একেসময়তে ই থলুৱা কথ্যভংগীৰ স্বাভাৱিকতাৰ পৰা আঁতৰিও আহিছে।

*অসমীয়া সাহিত্যৰ ৰূপৰেখাত* পূৰ্বৰ অসমীয়া সাহিত্যৰ ইতিহাসসমূহত নথকা— আনকি ডিম্বেশ্বৰ নেওগ আৰু সত্যেন্দ্ৰ নাথ শৰ্মাৰ ইতিহাস-গ্ৰন্থদুখনতো নথকা— মৃদু

হাস্যৰসৰ ধাৰা এটি প্ৰবাহিত হৈ আছে। ই উইলিয়াম জে লঙৰ *English Literature* (১৯০৯) নামৰ ইংৰাজী সাহিত্যৰ ইতিহাস-গ্ৰন্থখনিৰ প্ৰত্যক্ষ প্ৰভাৱ। *অসমীয়া সাহিত্যৰ ৰূপৰেখাৰ* প্ৰথম সংস্কৰণত আধুনিক সাহিত্য সম্বন্ধে ততা-ভুকুতাকৈ সামান্য কিছু কথাহে কোৱা হৈছিল। দ্বিতীয় সংস্কৰণত অলপ কথা সোমাইছিল, কিন্তু সেয়াও যথোপযুক্ত পৰিমাণে নহয়, অন্ততঃ তেওঁৰ দৰে আধুনিকতাবাদী কবিতাৰ প্ৰতি আগ্ৰহী ('অন্ত্যজা' স্মৰ্তব্য) এগৰাকীৰ পক্ষে। ইও আধুনিকতাবাদৰ আৰম্ভণি-কালতে ওলোৱা উইলিয়াম জে লঙৰ *English Literature*ৰ আৱৰ্ততেই বিচৰণ কৰাৰ পৰিণতি।

প্ৰাক্-স্নাতক শ্ৰেণীতেই নেওগ তুলনামূলক আলোচনাৰ প্ৰতি আগ্ৰহী হৈ উঠিছিল। তেওঁ লিখিছে—

> "প্ৰফেছাৰ ৰায়ৰ অধ্যাপনাৰ বাবেইনে কি আদি উনবিংশ শতিকাৰ ইংৰাজ ৰোমাণ্টিকসকলতকৈ, আন কি টেনিছনতকৈ মই ৰবাৰ্ট ব্ৰাউনিঙক অধিক ভাল পাইছিলোঁ, ৰবি ঠাকুৰৰ ছায়াবাদী কবিতাৰে তুলনা কৰি ব্ৰাউনিঙৰ শক্তিশালী আশাবাদৰ উপাসক হৈছিলোঁ।" (নেওগ, *জীৱনৰ দীঘ আৰু বাণি* ১৭৮)।

নেওগৰ সাহিত্যৰ ইতিহাসসমূহত, বিশেষকৈ মধ্যযুগীয় বৈষ্ণৱ সাহিত্যৰ আলোচনাত বহিঃ-ৰাজ্যৰ কাব্য আৰু অন্যান্য সাহিত্যৰে তুলনা সুলভ। এনে তুলনাই উপ-জাতীয়তাবাদীৰ আৱৰ্তৰ পৰা তেওঁৰ সাহিত্য-আলোচনাক কিছু পৰিমাণে মুক্তি দিবলৈ সমৰ্থ হৈছিল। *অসমীয়া সাহিত্যৰ ৰূপৰেখাত* উপ-জাতীয়তাবাদী মনোভাৱৰ পৰা এই পথেৰে মুক্তি বিচৰাৰ উদাহৰণ বেছকৈয়ে পোৱা যায়।

নব্য-ইতিহাসবাদৰ প্ৰতিষ্ঠাতা ষ্টিফেন গ্ৰীণব্লেটে 'What is History of Literature' (*Critical Inquiry,* ১৯৯৭) প্ৰবন্ধত উপ-জাতীয়তাবাদী মনোভাৱ সাহিত্যৰ ইতিহাস ৰচনাৰ বাবে আৰু সঠিক হৈ থকা নাই বুলি মন্তব্য কৰিছে। এই নতুন ধাৰণাৰ আলোকত মহেশ্বৰ নেওগৰ *অসমীয়া সাহিত্যৰ ৰূপৰেখাকে* ধৰি অন্য সাহিত্যৰ ইতিহাসধৰ্মী ৰচনাৰাজি পুৰণি ঢঙৰ কিন্তু এইবোৰ লিখাৰ সময়লৈ চাই পৰীক্ষা কৰিলে এইবোৰ সেই সময়ত কৰা নতুন বিশ্বায়তন লাভৰ প্ৰচেষ্টাৰ অংশৰূপেই বিবেচিত হোৱা যোগ্য।

**টোকা ঃ**

১. গুৱাহাটী বিশ্ববিদ্যালয়, ১৯৪৮ চনত স্থাপিত।

২. সমালোচক ৰঞ্জিৎ কুমাৰ দেৱ গোস্বামীৰ কথা।

**প্ৰসংগ ঃ**

**অসমীয়া ঃ**


নেওগ, মহেশ্বৰ। *অসমীয়া সাহিত্যৰ ৰূপৰেখা*। গুৱাহাটী ঃ বাণী প্ৰকাশ, ১৯৬২। মুদ্ৰিত।

নেওগ, মহেশ্বৰ। *জীৱনৰ দীঘ আৰু বাণি*। গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ, ১৯৮৮। মুদ্ৰিত।

শৰ্মা, সত্যেন্দ্ৰনাথ। *অসমীয়া সাহিত্যৰ ইতিবৃত্ত* । গুৱাহাটী ঃ বাণী প্ৰকাশ, ১৯৫৯। মুদ্ৰিত।


**ইংৰাজী ঃ**


Greenblatt, Stephen. "What is History of Literature?" *Critical Inquiry* 23.3 (Spring 1997): 460-81. Web. jstor. 14 November 2016.

<https://www.jstor.org/stable/1344030?seq=1#metadata_info_tab_contents)

Neog, Maheswar. "Sankaradeva and His Times: Being a Study in the History of the Spread of Neo-Vaisnavism in Assam." *Complete Works of Maheswar Neog*. Ed. and comp. Pranavswarup Neog. Guwahati: Chandra Prakash, n. date. 1013-1412. Print.

## Announcement

### Special focus on the subject:
### REPRESENTATION OF NATURE IN NORTHEASTERN LITERATURE IN ENGLISH
### In the next (May,2020) issue *of Drishti:the Sight*

Northeastern literature refers to the literature in the languages of the eastern corner-most region of India, popularly known as the Northeast India. The region unfurls a unique colourful mosaic of entity with its expansive beautiful wilderness, blue hills and countless rivers crisscrossing in different hills and valleys. The singularly unique tranquility of its nature however stands in sheer contrast to its troubled political climate. Here lives umpteen numbers of ethnic groups. Always in the centre of attraction for the outsiders and the travelers, the region is also immensely rich in its literary landscape. Authors and poets from the region are able to hold the imagination of the readers by their writings and it has since been able to build up a genre of its own with a heritage uniquely poised for itself.

The region also boasts of a number of writers who have built a rich tradition of writing literature in the English language. They hold their place of eminence in the overall Indian English language literature. The cultural ethos of the region's people and the interculturalism also have their unique impetus upon the output in this regard.

The Northeast region cannot be picturised in mind without a reference to its nature. Blessed by the pristine nature, the souls of the people of the region naturally nurture a special fascination for their land, their soil and their cultures, in spite of the political upheavals and sporadic violence witnessed by them affecting their everyday life. Both nature and agriculture bear a lot upon the wonderfully diverse cultural life of the people of the region, their mode of expression, and their lifestyle and belief systems.

In view of all this, **Drishti:the Sight** wishes to reflect upon the different aspects of the literature and cultural life of the region in its successive issues.

To begin with, we propose to focus upon the area of **REPRESENTATION OF NATURE IN NORTHEASTERN LITERATURE IN ENGLISH** in the next issue (May, 2020) of the journal. Scholars may take any sub-theme and topic centering this focus area. The last date for receiving articles in this regard is: January,31,2020.

You may visit our website: www.drishtithesight.com for the mode of submission and other information relating to the journal.